ৰক্তিম ৰত্ন

# ৰক্তিম ৰত্ন

(চেমনীয়াৰ উপযোগী এডভেন্সাৰ উপন্যাস)

ড° দীপক মজুমদাৰ

চন্দ্ৰ প্ৰকাশ

পাণবজাৰ, গুৱাহাটী

ISBN : 978-81-244-0570-3

প্ৰকাশক

ৰাজেন্দ্ৰ মোহন শৰ্মা

ডাঃ ৰবীন্দ্ৰ মোহন শৰ্মা

চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী-১

ফোন ঃ ০৩৬১-২৫১১৯৪৬/৮৮১১০৮১০০১

*Email : chandra.publisher@gmail.com*

প্ৰথম সংস্কৰণ ঃ ১৯৮৪

দ্বিতীয় সংস্কৰণ ঃ ১৯৯৪

তৃতীয় (প্ৰথম চন্দ্ৰ প্ৰকাশ) সংস্কৰণ ঃ ২০১৮

গ্ৰন্থস্বত্ব ঃ লেখক

বেটুপাত ঃ প্ৰদীপ নাথ

মূল্য ঃ ১২০.০০ টকা

মুদ্ৰক

নেছনেল প্ৰিণ্টাৰ্চ

কালাপাহাৰ, গুৱাহাটী - ১৬

# ক'বলগীয়া

চেমনীয়া সকলৰ কথা মনত ৰাখি ৰক্তিম ৰত্ন বহু বছৰৰ আগেয়ে লিখিছিলো। প্ৰথমে ধাৰাবাহিক ভাবে উত্তৰ লক্ষীমপুৰৰ পৰা প্ৰকাশিত সাপ্তাহিক নতুন বাতৰি কাকতত প্ৰকাশ পাইছিল। গ্ৰন্থাকাৰে ১৯৮৪ চনতে প্ৰকাশ পাইছিল। ইয়াৰ কেইবাবছৰৰ বিৰতিৰ পিছত ১৯৯৪ চনত দ্বিতীয় সংস্কৰণ প্ৰকাশ পাইছিল। এতিয়া তৃতীয় প্ৰকাশৰ সময়ত অ'ত ত'ত কিছু ৰদল বদল কৰা হৈছে। আশা কৰিছো আগৰ কেইবাৰৰ দৰে এইবাৰো ই সমানেই সমাদাৰ পাব।

ড° দীপক মজুমদাৰ
আগষ্ট, ২০১৮
গুৱাহাটী

*এই একে লিখকৰে ঃ*

শংকা আশংকা আৰু মৃত্যু
শিখৰৰ ৰাজকন্যা
নিচান
শৰাইঘাট
বিজয়ী
গধূলি লগ্ন
জুই জ্বলিল
সোণালী পৰশ
আক্ৰোশ

(১)

পথটোৰ এছোৱা একাবেকা যদিও বাকী গোটেই ছোৱাই পোন। দুয়ো ফালে চাহগছৰ অবিন্যস্ত শাৰীবোৰ। মাজে মাজে অৱশ্যে হেলনীয়া সমতল ভূমিও চকুত পৰে। তাৰ মাজেৰে বহু দূৰৈত পাহাৰ কিছুমানো চকুত পৰে।

সুন্দৰ ৰাতিপুৱাৰ স্নিগ্ধ পৰিবেশ এইয়া।

ক'তো ব্যস্ততা নাই। পথটোও জনশূণ্য। ৰাতিপুৱাৰ কাৰণে গাড়ী মটৰৰ কোলাহলো নাই।

পথটোৰে মোৰ গাড়ীখন সশব্দে দৌৰিছে। গোটেই নিশা শুই থকা গাড়ীখনে যেন এইমাত্র সাৰ পাই উঠিছে। প্ৰচণ্ড হুংকাৰেৰে আগবাঢ়ি গৈছে মোৰ গাড়ীখন।

চহৰৰ উপকণ্ঠৰ এইখিনি ঠাই মোৰ চিনাকী নহয়। অচিনাকী। ইয়ালৈ মই এদিনো অহা নাছিলো। প্ৰয়োজনো হোৱা নাছিল। এতিয়া পিছে হৈছে।

হৰেনৰ মুখতে এই ঠাইখিনিৰ কথা প্ৰথমে শুনিছিলো।

হৰেন আমাৰ ঘৰৰ কামকৰা ল'ৰা। বহুদিনৰ আগৰ পৰায়ে সি আমাৰ ঘৰত আছে। মোৰ মনত আছে মোৰ ষষ্ঠমান শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাৰ ফলাফল দিয়াৰ দিনাই হৰেন আমাৰ ঘৰলৈ আহিছিল। তেতিয়া সি চফল ডেকা,কিন্তু অতিপাত ক্ষীণ আছিল। মোৰ দুচকুৰ আগতেই এই তিনি বছৰৰ ভিতৰত সি আগতকৈ বহুখিনি শকত আৱত আৰু নোদোকা হ'ল। বয়সৰ ব্যৱধান থাকিলেও হৰেন আৰু মোৰ মাজত বন্ধুত্ব গঢ়ি উঠিছিল । ঘৰখনত মই অকলশৰীয়া,বিশাল ঘৰটোত মা দেউতা আৰু মই থাকো। মোৰ দাদা ভাইটি বা বাইদেউ ভন্টি কোনো নাই। সেইকাৰণেই অতি সোনকালে হৰেন মোৰ দাদাৰ নিচিনাই হৈ উঠিছিল।

সেই হৰেনকে যেতিয়া মই গাড়ী চলাবলৈ শিকিম বুলি কৈছিলো সেই দিনাখন কিছু তভক মাৰি ৰৈ সি সুধিছিল 'আইদেউহঁতে দিব জানো?'

'ওহো, নিদিব কিজানি। অহা বছৰ মেট্ৰিকৰ পৰীক্ষা,এতিয়া ক'ত মোক গাড়ী চলাবলৈ দিব ?'মই উত্তৰ দিছিলো।

'তেন্তে?'

'মই এটা বুদ্ধি পাঙিছো।'মই হৰেনৰ মুখখনলৈ বেপৰোৱা বাবে চাই সেইদিনা কৈছিলো 'মা দেউতাক নোসোধাকৈ খুব ৰাতিপুৱাতে গাড়ীখন লৈ ওলাই যাম। এঘন্টামান গাড়ী চলাই আহি গাড়ীখন আকৌ গেৰেজত সুমুৱাই থ'ম। তেতিয়া কোনেও গম নাপাব। মা আৰু দেউতা কোনো এজনেও ৰাতিপুৱা ছটা বজাৰ আগেয়ে টোপনিৰ পৰা সাৰ নাপায়। গতিকে ধৰা পৰাৰো কোনো সম্ভৱনা নাই। এসপ্তাহমান তেনেকৈ চলাব পালেই মোৰ হৈ যাব।'

সেইদিনা হৰেনে এই ঠাইখিনিৰ কথা কৈছিল। ঠাইখিনি আমাৰ ঘৰৰ পৰা ওলাই পোনে পোনে আহি থাকিলেই হ'ল। ওচৰে পাজৰে লোকালয় নাই। এফালে চাহৰ বাগান আৰু আনপিনে জংঘল। এছোৱা মাত্ৰ একাবেকা,বাকীখিনি পোন। গতিকে গাড়ী চলাবলৈ এইটোৱেই অতি ভাল হ'ব।

প্ৰথম দিনাখন কিছু ভয় লাগিছিল। মনত পিছে চৰম উত্তেজনা। জীৱনত প্ৰথমবাৰৰ বাবে গাড়ী এখন হাতৰ মুঠিত। ইয়াৰ আগতে মাত্ৰ এদিনেই গাড়ী এখনৰ অ আ শিকিছিলো। শিকাইছিল মোৰ লগত একে লগে পঢ়া পৰাগহতঁৰ ড্ৰাইভাৰটোৱে। সেইখিনি সম্বলেৰে মৰসাহ কৰি গাড়ী চলাবলৈ আৰম্ভ কৰিছিলো। একো অঘটন নঘটাকৈয়ে সেইদিনা গাড়ী চলাইছিলো। দুবাৰমান গাড়ীৰ ইঞ্জিন মাজে মাজে বন্ধ হৈ গৈছিল। পিছত হাতখন পৈনত হৈছিল। পিছৰ সময়খিনি কুশলেই গ'ল। মনলৈ তেতিয়া মোৰ সাহস আহিছিল। তাৰপিছত দুদিন তেনেকৈয়ে গ'ল। ৰাতিপুৱা চাৰিটা বজাতে ঘড়ীত এলাৰ্ম দি থওঁ। মুখহাত মনে মনে ধুই বাহিৰলৈ ওলাই আহো। হৰেন বাহিৰতে ৰৈ থাকে। গাড়ীখন গেৰেজৰ পৰা সি আৰু মই থেলি থেলি বাহিৰলৈ ওলাই আনো। তাৰপিছত মই গাড়ীখন লৈ ওলাই আহো । আধাঘন্টামান চলাই আকৌ ঘৰলৈ উভতো।

আৰু আজি তৃতীয় দিন। এতিয়া মই কিছু পাকৈত চালক হৈছো। মোৰ ভাব হৈছে এনেকৈ আৰু দুদিনমান চলাব পাৰিলে মই দিনৰ ভাগতে চহৰৰ ভিতৰত গাড়ী চলাই ফুৰিব পাৰিম। মই গাড়ী চলাব পৰা দেখি পৰাগহঁতে মোক বেলেগ

চকুৰে চাব। পৰাগহঁতে অৱশ্যে কি ভাবে তাৰ বাবে মই অকনো চিন্তা নকৰো। মোৰ চিন্তা স্বপনৰ ভনীয়েক স্বপ্নালৈ। তাইৰ চকুত কিজানি মই এজন নায়ক হৈ যাম।

হঠাতে মোৰ হাতৰ ঘড়ীটোলৈ চকু গ'ল। ছটা বাজিবলৈ আৰু চল্লিশ মিনিট আছে। তাৰমানে মোৰ প্ৰত্যাৱৰ্তনৰ সময় হৈছে।

ইতিমধ্যে পথৰ দুয়ো ফালে চাহগছৰ শাৰীবোৰ নাইকিয়া হৈছে। এতিয়া ওখ ওখ গছ বিৰিখবোৰহে পথৰ দুয়ো ফালে আগুৰি আছে। অলপ আগত এটুকুৰা সমান আৰু বহল ঠাই আছে। সেইখিনিতে গাড়ীখন ঘূৰাবলৈ সুচল ঠাই এটুকুৰা আছে। এইকেইদিন মই তাতেই গাড়ীখন ঘূৰাই লওঁ। আজিও ঠাই টুকুৰাৰ ওচৰ চাপি অহাৰ লগে লগে মই গাড়ীখনৰ গতিবেগ কমাই আনিলো। ঠাই টুকুৰা পোৱাৰ পিছত গাড়ীখন ৰখাই ল'ব খুজোতেই হঠাতে গাড়ীৰ ইঞ্জিন বন্ধ হৈ গ'ল। মই শত চেষ্টা কৰিও গাড়ীৰ ইঞ্জিনক বশ কৰিব নোৱাৰিলো।

কিছুসময় মই গাড়ীতে নিথৰ হৈ বহি ৰ'লো। শেষত বাহিৰলৈ ওলাই আহিলো। মনটো দুৰু দুৰুকৈ কঁপিছিল। গাড়ীৰ বনেটখন খুলিবলৈ সাহস হোৱা নাছিল। খোলাহেঁতেনো কোনো লাভ নহ'লহেঁতেন।

কোনো ৰকমে চাই চাই গাড়ীৰ গিয়েৰ সলাবলৈহে শিকিছিলো। এই দুদিনত ষ্টেয়েৰীঙত হাত পকাবলৈহে আৰম্ভ কৰিছিলো। গাড়ী চলোৱাৰ প্ৰাথমিক জ্ঞান মোৰ সেইকণেই।

আৰু এতিয়া বিকল গাড়ীখন মই ঘৰলৈ কেনেকৈ লৈ যাম! মায়ে শুই উঠিয়েই মোৰ কোঠালৈ আহি মই পঢ়িবলৈ আৰম্ভ কৰিছোনে নাই চাবহি। দেউতাই বাতৰি কাকতখন পঢ়িবলৈ ওলাই আহি গেৰেজলৈ ভূমুকি মাৰিব।

আৰু তেতিয়া কি হ'ব?

কথাবোৰ ভাবি মই বিতত হৈ পৰিলো।

তেতিয়াই প্ৰচণ্ড এক খং উঠিল স্বপনৰ ওপৰত। সিয়েই এদিনাখন মোক স্কুলত মনে মনে গাড়ী চলাবলৈ এই বুদ্ধিটো দিছিল। কিন্তু এতিয়া স্বপনক খং কৰি অকনো লাভ নাই।

ফেৰ ফেৰিয়া বতাহ এছাটিয়ে মোৰ সমস্ত শৰীৰটো চুই গৈছিল। ওখ ওখ গছবোৰৰ পাতবোৰ বতাহৰ তালে তালে কঁপিব ধৰি সিৰ সিৰ শব্দৰে এটা সুমধুৰ ছন্দৰ সৃষ্টি কৰিছিল। সেয়েহে পথটোৰে আগবাঢ়ি যাওঁতে এই নিৰিবিলি শান্ত পৰিবেশটো ভাল লাগিছিল। মনটো কিছু পাতলো হৈছিল। অলপ দূৰ আগবাঢ়ি যাওঁতে দেখিলো পথটো বহু দূৰৈত আন এটা সৰু পথত মিলিছেগৈ। ছকামকাকৈ ধৰিব পাৰিলো দুই এখন গাড়ী সেই দিশেৰে অহা যোৱা কৰিছে। এই জনপ্ৰাণীহীন ঠাই টুকুৰাত কাৰোবাৰ সহায় পোৱাৰ আশা কৰাটো এই মূহূৰ্তত দুৰাশাহে হ'ব। কাৰোবাৰ সহায় পাবলৈ হ'লে মই তালৈকে যোৱাৰ বাহিৰে আৰু অন্য কোনো গত্যন্তৰ নাই।

মই ধীৰে ধীৰে খোজ দিবলৈ আৰম্ভ কৰিলো। দূৰৈৰ পথটো আৰু বেছি স্পষ্ট হৈছিল। চাহবাগানৰ ট্ৰাক দুখন ধীৰে ধীৰে গৈ থকা দেখিলো। মোৰ বিপদৰ কথা ক'লে কোনোবাই হয়তো মোৰ গাড়ীখন টানি নিবলৈ সন্মত হৈ যাব পাৰে। অথবা কোনোবা গাড়ীচালকে মোৰ অচল গাড়ীখনো ঠিক কৰি দিব পাৰে। মনৰ পৰা অলপ আগৰ ভয়ৰ ভাবটো ক্ৰমাৎ নাইকিয়া হৈ আহিল। ভাবিলো পলম কৰাতকৈ দৌৰি যোৱাই উচিত হ'ব। প্ৰায় দুমিনিটমান দৌৰি যোৱাৰ লগে লগে গছৰ পাতত সিৰ সিৰ শব্দৰ তালে তালে সুললিত ছন্দেৰে হঠাৎ মোৰ কাণত ঠেকা খালে আঁতৰৰ ক'ৰবাৰ জল তৰংগৰ শব্দ সমলয়। পথটোৰ বাওঁফালে চকু ঘূৰাওঁতে দেখা পালো এটা টিলাৰ কাষেৰে বৈ যোৱা পাহাৰী নিজৰা এটি। মই গৈ থকা পথটোৰ পৰা খুব বেছি যাঠি ফুটমান আঁতৰত আছে নিজৰাখন। হঠাতে কিয় জানো এক প্ৰচণ্ড তৃষ্ণাই মোক আতুৰ কৰি পেলালে। নিজৰ অজানিতেই মই পথটোৰ পৰা নামি গৈ নিজৰাখনৰ ওচৰ চাপিলো। নিজৰাৰ পাৰত আঠুকাঢ়ি বহি এচলু এচলুকৈ পানী পীওঁতে শৰীৰটো ৰমজমাই গৈছিল। কিছু সময়ৰ আগৰ মনৰ দুঃশ্চিন্তাও নাইকিয়া হৈ গ'ল। কিন্তু..

হঠাতে মোৰ মনৰ শান্তিৰ ঠাইত আকৌ দুঃশ্চিন্তাই বাহ ল'লে। হোৱাটোৱেই স্বাভাৱিক। মোৰ পৰা কিছু আঁতৰত দুজন মানুহ ঠিয় হৈ আছে। অৱশ্যে মোৰ ফালে পিঠি দি থকা কাৰণে মোক সিহঁতে দেখা নাই। দুয়োটাই বেপৰুৱা স্বভাৱৰ।

অচিনাকীও। চাল চলন দেখি দুয়োটাকে চহৰৰ নৃশংস গুণ্ডা যেনেই লাগিল। কিন্তু বুজি নাপালো এই গহন বননিত সিহঁত দুয়োটা কিয় ?

মোৰ মনটো দুৰু দুৰুকৈ কঁপিছিল।

মই ওচৰতে থকা শিল এটাৰ পিছফালে লুকালো। দুচকুৰ কৌতূহলী দৃষ্টি মানুহ দুটাৰ ওপৰতে স্থিৰ হৈ ৰ'ল। মনৰ পৰা অলপ আগৰ ভয়মিশ্রিত ভাববোৰ ক্রমশঃ আঁতৰি গৈছিল। মোৰ কৌতূহল তেতিয়া চৰম সীমাত।

মানুহ দুটা নিজৰাখনৰ পৰা কিছু আঁতৰত এটুকুৰা মুকলি ঠাইত থিয় হৈ আছে। এজনৰ হাতত কাগজৰ টোপোলা এটা। সি অইনটোক আঙুলি টোৱাই চাৰিওফালে দেখুৱাই আছে।

এটা সময়ত হাতত টোপোলা থকা মানুহটোৱে আঁতৰত থকা এটা এঢলীয়া টিলালৈ আঙুলিয়াই দেখুৱালে। কিছুসময়ৰ পিছত দুয়োটা ধীৰে ধীৰে টিলাটোলৈ উঠি গ'ল।

কৌতূহলে মোৰ মনটো আলোড়িত কৰি তুলিলে। মই ঠিক কৰিলো সিহঁতক মই অনুসৰণ কৰিম। হয়টো কিবা লাভ হ'ব,অথবা নহ'ব। কিন্তু স্কুলত স্বপনহতঁক ক'বলৈ অন্ততঃ কাহিনী এটা পাম।

স্বপন,পৰাগ,অতনু,অৰূপ আৰু অভিজিত মোৰ বন্ধু। আমি আটায়ে একেলগে পঢ়ো। মই কোৱা সকলো কথাই সিহঁতে বিশ্বাস কৰে।

কিন্তু ব্যতিক্রম অকল স্বপনৰ ধুৰন্ধৰ ভনীয়েকজনী। তাইৰ নাম স্বপ্না। তাই আমাতকৈ এশ্রেণী তলত পঢ়ে। অর্থাৎ নৱম মান শ্রেণীত। আমি কেতিয়াবা স্বপনহঁতৰ ঘৰৰ বাৰাণ্ডাখনতে বহি কথা পাতিলে তায়ো বহি লয়,কথাৰো ভাগ লয়। মই কথা কৈ থাকিলে মাজে মাজে স্বপ্নাই মোক ভেঙুচালি কৰে। তেতিয়াই বুজি পাওঁ মোৰ কথা তাই অকনো বিশ্বাস কৰা নাই।

হয়তো আজিৰ কাহিনীও তাই বিশ্বাস নকৰিব।

বিশ্বাস নকৰিলেওঁ মোৰ কোনো ক্ষতি নাই। মই কথা কৈ থকাৰ সময়ত তাই মোলৈকে চাই থাকিব লাগিব। মোৰ বাবে সেইয়াই সান্ত্বনা হ'ব।

মানুহ দুটা ইতিমধ্যে টিলাটোৰ শীর্ষ পাইছিল। ময়ো জোপোহা এডৰাৰ

আঁৰলৈ টিলাটোৰ ওচৰ চাপি গৈছিলো। হঠাতে কিবা এটা চুচুৰি অহাৰ শব্দ শুনি উচপ খাই উঠিলো। মানুহ এটাৰ হাতত থকা কাগজৰ টোপোলাটো পিছলি পৰি চুচুৰি আহি মোৰ পৰা কিছু আঁতৰত ৰৈ গৈছিল।

'বোধন! কাগজৰ টোপোলাটো তললৈ পৰি গ'ল।'ওপৰৰ পৰা কোনোবা এটাৰ মাত শুনিলো।

এটা মুহূৰ্ত নীৰৱে গ'ল। তাৰপিছত পুনৰাই বোধন বোলাটোৰ প্ৰত্যুত্তৰ মোৰ কাণত পৰিল'এতিয়া কাগজৰ টোপালাটো কেনেকৈ আনিবি?'

'টোপালাটো আনিবলৈ হ'লে আকৌ তললৈ নামি যাব লাগিব।'

'তললৈ নামি যাবলৈ অতি সহজ , কিন্তু আকৌ ওপৰলৈ উঠি আহোতেহে অযথা কষ্ট হ'ব।'

'কষ্ট হ'লেও এতিয়া আৰু উপায় নাই। কিয় জাননে? সেইটোৰ মূল্য হেনো আমাতকৈয়ো বেছি।'

'ব'ল তেন্তে।'

টিলাটোৰ ওপৰত থকা মানুহ দুজনৰ কথা বতৰাই মোক চিন্তাত পেলালে। দৰাচলতে কৌতূহল বেছিকৈ হ'ল। কি আছে কাগজৰ টোপোলাটোত ? হয়তো কাৰোবাৰ গোপন নথীপত্ৰ! হয়তো কোনোবা গোপন ৰত্ন ভাণ্ডাৰৰ ৰহস্য!! হঠাতে কি মন গ'ল জানো বগুৰা বাই মাটিত থকা কাগজৰ টোপোলাটো তুলি ল'লো। বেছ গধূৰ টোপোলাটো,এসোপা কাগজেৰে মেৰুৱা টোপোলাটো লৈ খন্তেক তাতে ৰৈ দিলো। ঠিক কৰিব নোৱাৰিলো টোপোলাটো লৈ এতিয়া মই কি কৰিম। মই তেনেকৈ ৰৈ থকা দেখা পালে টিলাৰ ওপৰত ৰৈ থকা মানুহ এজনে। মানুহজন বেছ ওখ আৰু হটঙা। তেৱেঁ এইবাৰ চিঞৰি দিয়া শুনা পালো'প্ৰকাশ! ক'ৰবাৰ ল'ৰা এটাই টোপালাটো তুলি লৈছে।'

টোপালাটো লৈ হয়তো মই আত্মবিভোৰ হৈ পৰিছিলো,সেয়েহে টিলাটোৰ ওপৰত ঠিয় হৈ থকা বোধন বোলাটোৰ কথাখিনিয়ে মোক চক খোৱাই দিলে। কি কৰিম নকৰিম ভাবি একো উৱাদিহ নাপাই শেষত দৌৰিবলৈ আৰম্ভ কৰিলো। আগফাল পিছফাল ক'লৈকো নাচায় যেনি পায় তেনি দৌৰিব ধৰা দেখি মই

পথলৈ যোৱাৰ সলনি বিপৰীত দিশলৈহে গ'লো। যেতিয়া বুজি পালো যে মই দিশ ভুল কৰি পেলালো তেতিয়াই হতাশাই মোক আবৰি ধৰিলে। মোৰ চাৰিওফালে তেতিয়া ডাঠ হাবি এখন। আইতাই সাধুত কোৱা অটব্য অৰণ্যৰ নিচিনা। নিজঞ্জাল হৈ আছে হাবিখন। জিলিৰ মাতৰ বাহিৰে প্ৰকৃতি এতিয়া নিজম,শান্ত।

ব্যতিক্ৰম মাথো মোৰ অন্তৰাত্মা।

এটুকুৰা সমান ঠাইত মাটিৰ ঢিপ এটা দেখা পালো। সেই ঢিপটোৰ আঁৰ লৈ মই মাটিতে বহি ল'লো। প্ৰচণ্ড ভাগৰত মই ফোপাব ধৰিলো। কি কৰিম মই এতিয়া ভাবি গুনি একো উৱাদিহ নাপালো। এই গহন অৰণ্যৰ পৰা ওলাই দূৰৈৰ আলিবাটলৈ যোৱাটো সহজ কথা নহ'ব। নিজৰ ওপৰতে খঙো উঠিছিল। কিয় যে নিজৰাৰ পানী খাবলৈ পথৰ পৰা নামি আহিছিলো তাকে ভাবি এতিয়া মনটো বিক্ষিপ্ত হৈ পৰিল। হঠাতে কি মন গ'ল জানো  হাতত থকা টোপালাটো খুলি পেলালো। আওপুৰণি কাগজ কিছুমান জাপ খুৱাই থোৱা আছে। প্ৰত্যেক খিলা কাগজত অসংখ্য ভাঁজ। কাগজবোৰ অসম্ভৱ ডাঠ। দুখিলা সাঁচিপাতো দেখা পালো।

কাগজবোৰ মই এফালৰ পৰা লুটিয়াই গ'লো।

কাগজবোৰত একো লিখা নাই। মাথো কিছুমান দুৰ্ভেদ্য আঁক বাক। মাজে মাজে প্ৰত্যেক খনতে একোটা ৰঙা চিন।

হঠাতে কাগজ এখিলাত চকু থিৰ হৈ ৰৈ গ'ল।

কাগজখিলাত কোনো আঁক বাক নাছিল। পৰিস্কাৰ অসমীয়াত কাগজখিলাৰ মধ্যাংশত লিখা আছিল দুটা শব্দ। ৰক্তিম ৰত্ন।

তাৰ ঠিক তলতে লিখা আছিল এষাৰি বাক্য ঃপূবৰ পৰা  দহ খোজ আঁতৰত আৰু পশ্চিমৰ পৰা তেৰ খোজ আঁতৰত।

কাগজখিলা লুটিয়াই সিপিঠিত চকু ফুৰালো। লগে লগে বিস্ময়ে মোৰ দুচকু ছানি ধৰিলে। কাগজখিলাত সৰু সৰুকৈ লিখা আছিল,১৮২০ চন। সনাতন ফুকনৰ মৃত্যু। মৃত্যুৰ আগেয়ে  তেওঁ পুটি থ'লে ৰক্তিম ৰত্ন। ৰঙিলী  নিজৰাৰ

পাৰৰ টিলাত। এইখিনিৰ বাহিৰে কাগজখিলাত আৰু একো লিখা নাছিল। মই কাগজ খিলা লুটিয়াই এইবাৰ অইন কাগজ কেইখিলাত চকু ফুৰালো। প্ৰত্যেক খিলা কাগজত আকৌ বুজিব নোৱৰা আঁক বাকবোৰ দেখি কাগজবোৰ সামৰি টোপোলাটো সামৰি থ'লো। এতিয়াহে মই বুজি পালো এই নিজান অৰণ্যৰ বুকুত বোধন আৰু প্ৰকাশ বোলা মানুহ দুজনে কি বিছাৰিব ধৰিছে!! সিহঁতে গোপনে থকা ৰক্তিম ৰত্ন নামৰ ৰত্ন এডোখৰ বিছাৰিবলৈ আহিছে এই ঠাইলৈ। কিন্তু কোন এই সনাতন ফুকন? কিয়বা তেওঁ পুতি থ'লে ৰত্নডোখৰ সেইটোও বুজি নাপালো। মই বিবুধিত পৰিলো। কি ক'ৰা যায় এতিয়া ভাবি চিন্তি ঠিৰাং কৰিব নোৱাৰিলো।

'সেইয়া!!'

হঠাতে পিছফালৰ পৰা অহা প্ৰচণ্ড চিঞৰ এটাই মোৰ তন্ময়তা ভাঙি দিলে। মই উচপ খাই উঠিলো। পিছফাললৈ ঘূৰি চাওঁতে দেখা পালো মানুহ দুটা মোৰ ওচৰলৈ দৌৰী আহিব ধৰিছে। মই বুজি পালো বিপদ মোৰ সন্নিকট। আগপিছ নাভাবি মই ওচৰতে পৰি থকা শিলগুটি এটা সিহঁত দুটালৈ দলি মাৰি আকৌ এবাৰ দৌৰিব আৰম্ভ কৰিলো। জোপোহাবোৰৰ আঁৰে আঁৰে মই বেছ কিছু দূৰ আগুৱাই আহিলো। এবাৰ পিছলৈ ঘূৰি চাওঁতে দেখা পালো মানুহ দুটা তেতিয়াও পিছে পিছে দৌৰি আহি থকা, অৰ্থাৎ মই সিহঁতৰ চকুৰ আঁৰ হ'ব পৰা নাই।

আঁতৰত আকৌ নিজৰাখন মোৰ চকুত পৰিল।

মোৰ ভাব হ'ল নিজৰাখনৰ পাৰে পাৰে যাব পাৰিলে হয়তো আলিবাট পাব পাৰো। মই এইবাৰ গাৰ সমস্ত শক্তিৰে দৌৰি নিজৰাখনৰ ওচৰ চাপি আহিলো। কিন্তু তেনেতেই কোনোবা এটা মোৰ গাৰ ওপৰত জপিয়াই পৰিল। মানুহটোৰ দেহৰ ওজনৰ সৈতে তাল ৰাখিব নোৱাৰি মই চিৎ হৈ নিজৰাৰ পাৰতে পৰি গ'লো। মানুহটোও মোৰ পৰা দুহাত আঁতৰত চিটিকি পৰি যোৱা মোৰ চকুত পৰিল।

মই অনুমান কৰিলো অইন মানুহটোও হয়তো মোৰ ওচৰ চাপি আহিছে। এতিয়া মোৰ সন্মুখত এটাই পথ খোলা আছে। নিজৰালৈ জাপ মাৰি পলোৱাৰ

বাহিৰে মোৰ বাচিবৰ আৰু অইন কোনো উপায় নাই। মই পৰাৰ পৰা উঠি একেলৰে নিজৰাখনলৈ বুলি জাপ এটা মাৰি দিলো। ঠিক তেতিয়াই হাতৰ পৰা কাগজৰ টোপোলাটো নিজৰাৰ পানীত পৰি চকুৰ পচাৰতে তীব্ৰ সোঁতত উটি যোৱা দেখা পালো।

পিছ মুহূৰ্ততে নিজৰাৰ পানীত বিৰাট শব্দ কৰি কিবা এটা গধূৰ বস্তু পৰাৰ শব্দ শুনা পালো।

'বোধন! ল'ৰাটোক ধৰি ল আৰু সোনকালে পানীৰ পৰা তাক উঠাই লৈ আহ।'

বোধন বোলাটোৱে সচাঁকৈয়ে মোক অৱলীলা ক্ৰমে পানীৰ পৰা তুলি আনি নিজৰাৰ পাৰলৈ উঠাই আনিলে। মোৰ দুচকুৰ পতা জাপ খাই আহিছিল,হয়তো ভাগৰত ....হয়তো....

'টোপালাটো চা এতিয়া। সেইটো পোৱাহে আচল কথা।' প্ৰকাশ বোলাটোৰে কোৱা মোৰ কাণত পৰিল।

বোধন বোলাটোৱে মোৰ গাটো খেপিয়াব ধৰিলে।

'পালিনে?'প্ৰকাশ বোলাটোৱে পুনৰ সুধিলে।

'ওহো,নাপালো।'

'বোধকৰো নিজৰাৰ পানীৰে উটি গ'ল।'

'যাব পাৰে।'

'যদিহে নিজৰাৰ পানীত পৰিছে তেতিয়া হ'লে টোপোলাটো পাম বুলি আশা কৰাটো অবান্তৰ হ'ব।' প্ৰকাশ বোলাটোৱে কিছুপৰ তলকা মাৰি ৰৈ সুধিলে'এটা কথা মন কৰিছনে?'

'কি?'

মোৰ কৌতূহল বাঢ়িল প্ৰকাশ বোলাটোৱে কি কয় শুনিবলৈ।

'ল'ৰাটোৱে যেতিয়া আমাক দেখিছিল সেই সময়তে সি কিবা এটা আমালৈ দলি মাৰি দি পলাইছিল। তেতিয়া মই সেইটো শিলগুটি বুলি ভাবিছিলো। তয়ো সেই বুলিয়ে ভাবিছিলি কিজানি। এতিয়া যেন মোৰ মনটোৱে কৈছে সেইটো

শিলগুটি নাছিল। সেইটোৱে আছিল আমাৰ টোপোলাটো।'

'তই ঠিকেই কৈছ যেন লাগিছে। মোৰো এতিয়া তেনেকুৱা যেন লাগিছে।'

'তেন্তে ব'ল এতিয়া।'

'কিন্তু এই ল'ৰাটো? ইয়াক কি কৰিবি এতিয়া? মৰা নাই। ভয়তে জ্ঞান হেৰুৱাই পেলাইছে। ইয়াক এনেকৈ পেলাই থোৱাতকৈ সোমন গগৈ চাৰৰ ওচৰলৈকে লৈ যোৱা উচিত হ'ব।'

'তই ঠিকেই কৈছ। কিন্তু তাৰ আগেয়ে টোপোলাটো বিছাৰি উলিয়াব লাগিব।'

'ব'ল তেন্তে।'

মানুহ দুটাৰ কথা আৰু নুশুনা হওঁতে মোৰ ভাব হ'ল সিহঁত কিজানি আঁতৰিল। এতিয়া চকু মেলা যুক্তি সংগত হ'ব। মই লাহে লাহে চকু মেলি চাৰিওফালে চালো। মানুহ দুটা বেছ কিছুদূৰ আঁতৰি গৈছে। মই তথাপিও আৰু কিছুপৰ তেনেকৈয়ে পৰি ৰ'লো। মানুহ দুটা চকুৰ আঁৰ হোৱাৰ লগে লগে ময়ো মাটিৰ পৰা উঠি ল'লো।

তেনেতে.....

(২)

মই চাৰিওফালে চাওঁতে দেখিলো নিজৰাখন কিছু দূৰ গৈ আঁতৰত এটা ভাঁজ লৈছে। নিজৰাখনৰ পাৰে পাৰে দুই এজোপা গছো আছে। গছ কেইজোপাৰ আৰঁলৈ পলাই যাবলৈ সুবিধা ওলাব। আনপিনে নিজৰাখনৰ সেই ভাঁজটোৰ পোনে পোনে ঠাইখিনি কিছু ওপৰলৈ উঠি গৈছে। মোৰ গাড়ীখন ৰখাই থোৱা পথটোও সেইখিনিতেই আছে।

ইতিমধ্যে বোধন আৰু প্ৰকাশ বোলা মানুহ দুটা বহু আঁতৰ পাইছে। মোৰ মনে ক'লে পলাবলৈ এইটোৱেই সুবৰ্ণ সুযোগ হ'ব। মই আৰু পলম নকৰি প্ৰাণপনে দৌৰিবলৈ আৰম্ভ কৰিলো। প্ৰথমে মই পিছফাললৈ ঘূৰি চাইছিলো। মানুহ দুটাৰ পিছফালটো ৰিণিকি ৰিণিকি চকুত পৰিছিল। পিছলৈ আৰু ঘূৰি চাবলৈ এৰি দৌৰিব ধৰিলো।

মোৰ ভাগৰ লাগিছিল। পথটোত ভৰি থৈ ভাগৰত ফোঁপাব ধৰোতে মোৰ

কাণত পৰিল ট্ৰাক এখন আহি থকাৰ শব্দ। মই মূৰ তুলি চাওঁতে দূৰৈত সচাঁকৈয়ে এখন ট্ৰাক আহি থকা দেখা পালো। বোধহয় ওচৰৰে কোনোবা বাগানৰ গাড়ী,মই অনুমান কৰিলো। ট্ৰাকখন ওচৰ চাপি আহোতে মই পথটোৰ মাজতে ঠিয় হৈ হাতখন জোকাৰি চিঞৰিব ধৰিলো'অলপমান সময়ৰ কাৰণে ৰখাওঁকছোন।'

ট্ৰাকখন মাজপথতে ৰখাই ড্ৰাইভাৰটোৱে মূৰটো বাহিৰলৈ উলিয়াই সুধিলে'কি হ'ল ভাইটী?'

মই কিছু আঁতৰত ৰৈ থকা মোৰ গাড়ীখন দেখুৱাই দি ক'লো'গাড়ীখন নচলে,ষ্টাৰ্ট নহয়।'

'তুমি অকলে নেকি?' অকলশৰীয়া চালকজনে সুধিলে।

'অ।'

চালকজন এইবাৰ কিছু সদয় হ'ল। ট্ৰাকখনৰ পৰা নামি আহি পথত ভৰি দি সুধিলে 'গাড়ীত পেট্ৰল আছে নে নাই?'

মই মূৰ জোকাৰি উত্তৰ দিলো 'নাজানো। আচলতে মই গাড়ী চলাবলৈ শিকিছোহে,ইঞ্জিনৰ কথা একো নাজানো।'

চালকজনে নিজে এইবাৰ মোৰ গাড়ীখনত বহি ল'লে। দুবাৰমান চেষ্টা কৰিও অসফল হৈ এইবাৰ গাড়ীৰ বনেটখন খুলি ল'লে। তেওঁ পেট্ৰল সোমোৱা পাইপডাল মুখেৰে টানি এসোপা পেট্ৰল উলিয়াই দি ক'লে 'এইবাৰ হ'ব লাগে। তুমি চেষ্টা কৰি চোৱাচোন।'

মই ভিতৰি ভিতৰি বেছ ভয় খালো। এইবাৰো যদি ষ্টাৰ্ট নহয় মোৰ কি গতি হ'ব?

প্ৰথমবাৰ এইবাৰো অসফল হ'লো। কিন্তু দ্বিতীয় বাৰত গাড়ীখন সশব্দে সাৰ পাই উঠিল ,যেন ৰাতিপুৱাৰ টোপনিৰ পৰাহে সাৰ পাইছে।

'ঘৰ কিমানদূৰ?' চালকজনে গাড়ীৰ বনেটখন জপাই সুধিলে।

'এইখিনিৰ পৰা পোন্ধৰ মিনিটৰ বাট।'

'পেট্ৰল কম আছে। বাটত ভৰাই ল'বা।'

'হ'ব বাৰু।'

মই গাড়ীখন ঘূৰাই লৈ যাব ওলাওঁতে তেওঁ মাত দিলে 'এইবাৰৰ পৰা ইয়ালৈ গাড়ী শিকিবলৈ নাহিবা। টাউনৰ চৌকিডিঙিৰ ফিল্ডখনতে ৰাতিপুৱা শিকিবা।'

মই মিছাকৈয়ে সহাঁৰি এটা দি আঁতৰি আহিলো। তেওঁক আৰু মই কেনেকৈ কওঁ যে মা দেউতাৰ অলক্ষিতেই মই গাড়ী চলাবলৈ শিকি আছো। তেনেস্থলত ঘৰৰ সন্মুখৰ ফিল্ডখনত মই গাড়ী চলাব শিকো কেনেকৈ?

ঘূৰি আহোতে আৰু কোনো বিপদ নঘটিল।

ঘৰৰ নিচেই ওচৰ চাপোতে দেখিলো হৰেন গেটৰ সুন্মুখতে ঠিয় হৈ পথলৈ অধীৰ হৈ মোলৈ বাট চাই থকা। মই আহি পোৱা দেখি সি যেন যথেষ্ট সকাহ পালে। অইন দিনাও হৰেন গেটৰ সন্মুখতে ৰৈ থাকে। মই আহি পালে দুয়ো গাড়ীখন ঠেলি ঠেলি গেৰেজলৈ লৈ আনো। আজিও মই গাড়ীৰ ষ্টাট বন্ধ কৰিব ওলাওঁতে হৰেনে ক'লে'চাৰহতঁ নাই। গাড়ীখন গেৰেজলৈকে চলাই নিব পাৰিবা।'

গাড়ীখন গেৰেজত থৈ আহি মই সুধিলো'মাহঁত এই ৰাতিপুৱাতে ক'লৈনো গ'ল?'

'মহন্ত উকীল নিশাতে ঢুকালে বোলে। ৰাতিপুৱাতে খবৰটো পায়ে চাৰ আৰু বাইদেউ খবৰ ল'বলৈ গ'ল।'

'গাড়ীখনৰ কথা সুধিছিল নেকি?'মই উৎকণ্ঠাৰে সুধিলো।

'সুধিছিলতো। মইহে ড্ৰাইভাৰে গাড়ীখন ধুবৰ বাবে নদীঘাটলৈ নিয়া বুলি মিছা মাতিলো। নহ'লে........ কিন্তু তোমাৰ ইমান পৰ কিয় হ'ল? আগেয়েতো আধাঘন্টাতে আহি পোৱা।'

'ক'ম। বহুত কথা আছে ক'বলৈ।'

হৰেনে মোৰ কথাত ৰহস্যৰ গোন্ধ পালে। মই খোৱা টেবুলত বহি চাহ খাই থাকোতে হৰেনক চমুকৈ ঘটনাটো কৈ পেলালো। হৰেনে গোটেই ঘটনাটো শুনি সুধিলে 'তুমি এতিয়া টোপোলাটো কি কৰিলা?'

'টোপোলাটো পানীয়েদি উটি গৈ শিল এটাৰ ফাঁকত ৰৈ গৈছিল। মই

আহোতে টোপালাটোও তুলি আনিছিলো।'

'তাৰমানে সেই টোপোলাটো এতিয়া তোমাৰ হাতত আছে।'

'অ। মই গেঞ্জীৰ ভিতৰতে সোমাই লৈছিলো। এতিয়াও আছে।'মই কথাষাৰ কৈ গেঞ্জীৰ ভিতৰৰ পৰা সেই ৰহস্যময় টোপোলাটো উলিয়াই টেবুলৰ ওপৰতে থ'লো। হৰেনে এবাৰ লিৰিকি বিদাৰি চালে, সিয়ো বোধহয় মোৰ দৰেই ইয়াৰ একো উৱাদিহ নাপালে।

'কি কৰো এতিয়া? মই একোকে উৱাদিহ পোৱা নাই।'

হৰেন কিছুসময় মনে মনে ৰ'ল। অৱশেষত সি মাত দিলে'মই এটা বুদ্ধি দিওঁ শুনা।'

'সোনকালে ক।'

'তুমি থানাখন দেখিছা নহয়,তালৈকে যোৱা। থানাৰ দাৰোগাজনক সকলো কথা কৈ দিবা। কিন্তু এনেকৈ ক'বা যাতে টোপোলাটোৰ প্ৰসংগ নোলায়েই। দাৰোগাজনে তেতিয়া গুণ্ডা দুটাক ধৰিব পাৰিব।'এপলক তভক মাৰি থাকি হৰেনে আকৌ সুধিলে'বাৰু সিহঁত দুটাৰ নাম কি বুলি ক'লা?'

'এটাৰ নাম বোধন,আনটোৰ নাম প্ৰকাশ।'

'তেনেকুৱা নামৰ দুটা মানুহ নদীৰ পাৰতে থাকে বুলি শুনা মনত পৰে। তুমি বৰং স্বপনহঁতকে সুধিবা। সিহঁত সেইফালেই থাকে যেতিয়া নিশ্চয় জানিব পাৰে।'

হৰেন এইবাৰ পাকঘৰলৈ যাব ওলোৱা দেখি মই সুধিলো'টোপোলাটো লৈ মই এতিয়া কি কৰো?'

হৰেন ৰৈ গ'ল। সি টেবুলৰ ওপৰত থকা টোপোলাটো আকৌ এবাৰ লিৰিকি বিদাৰি চাই ক'লে'ধৰিব পৰা নাই টোপোলটোত কি আছে। আঁক বাকবোৰ চাই একো ধৰিব নোৱাৰি। জনা শুনা মানুহে ক'ব পাৰিব। তথাপিও টোপোলাটো তুমি এতিয়া ভালদৰে থৈ দিয়া। পিছে পৰে দেখা যাব।'

হৰেন গুছি যোৱাৰ পিছতো মই বহুপৰলৈ তাতেই বহি থাকিলো। কি কৰাটো উচিত হ'ব ভাবি একো উৱাদিহ নাপালো।

আজি দেওবাৰ। অহাকালি স্কুল খুলিব। যি কৰিব লাগে মই আজিয়েই কৰিব লাগিব।

মই বহাৰ পৰা উঠিলো। অলপপিছতে মা দেউতাহতঁ আহি ওলাব। তাৰ আগেয়েই কামখিনি কৰিব লাগিব।

(৩)

কেতিয়াওঁ মই থানাৰ ভিতৰলৈ অহা নাছিলো। বাটেৰে যাওঁতে থানাৰ চৌহদখন চকুত পৰে,ৰঙা টুপীৰ পুলিচবোৰ দেখি মনত ভয়হে ওপজে। আজিও থানাৰ ভিতৰলৈ সোমাই আহি মনতো প্ৰথমে ভয়তে বিতত হৈ পৰিব ওলাইছিল। কিন্তু আদহীয়া মহিলা পুলিচ এগৰাকীয়ে মোক দেখি মৰম সনা মাতেৰে সুধিলে 'কাক বিচাৰিছা ভাইটী?'

এপলক তভক মাৰি ৰৈ মই অৱশেষত মাত দিলো'থানাৰ দাৰোগাক লগ পাবলৈ আহিছো।'

'তাৰমানে অ চি চাৰক লাগে? কিন্তু কিয়?'

'দুজন গুণ্ডাই মোক মাৰিব ওলাইছিল।'মই উত্তৰ দিলো।

'তোমাক মাৰিব ওলাইছিল? ক'ত? কোনে?'

মই কি ক'ম ভাবি ওৰ নাপালো। মোৰ অৱস্থা দেখি তেওঁৰ পুতৌ উপজিল। তেওঁ মোক এইবাৰ আৰু কোনো প্ৰশ্ন নুসুধি ভিতৰলৈ লৈ গ'ল। ভিতৰৰ এটা কোঠাত অকলে মানুহ এজন বহি আছিল। পিন্ধনত খাকী পোছাক এযোৰ। মানুহজন শকত আৱত,চাপৰো বোধহয় । মোক লৈ অহা মহিলা পুলিচ গৰাকীয়ে মোক আগবঢ়াই দি ক'লে'চাৰ! এই ল'ৰাজনক দুজনমান গুণ্ডাই বোলে মাৰিব ওলাইছিল। এতিয়া আপোনাৰ ওচৰলৈ আহিছে।'

দাৰোগাজনে মোলৈ চাই সুধিলে'কি নাম তোমাৰ?'

'চিন্ময়।'

'উপাধি? ঘৰ ক'ত ?'

'উপাধি দত্ত। চৌকিডিঙি ফিল্ডৰ সিপাৰে থাকো।'

'ওচৰতে থাকা দেখোন! কাৰ ঘৰৰ ল'ৰা তুমি?'

'দেউতাৰ নাম কেশৱ দত্ত।'

'উকীল নেকি?'

মই মুৰ দপিয়ালো। দাৰোগাজনৰ মনতো এইবাৰ যেন কিছু কুমলিল। তেওঁ মোক সুন্মুখৰ চকীখনত বহিব দিলে। মহিলা পুলিচ গৰাকী ইতিমধ্যে ওলাই গৈছিল। কোঠাটোৰ থমথমীয় পৰিবেশটোৰ কাৰণেই হবলা মই অস্বস্তি বোধ কৰিছিলো। কেনেকৈ আৰু কি ক'ম ভাবি চিন্তি উপায় নাপাই অৱশেষত মই আৰম্ভ কৰিলো 'মই আজি ৰাতিপুৱা গাড়ী চলাবলৈ ওলাই গৈছিলো। মেইন ৰাস্তাৰে পোনে পোনে গৈ বাগানলৈ যোৱা পথেৰে গাড়ী চলাই গৈ আছিলো।'

'তাৰপিছত?'

'তাৰপিছত...'বুলি ক'বলৈ আৰম্ভ কৰিও ৰৈ গ'লো। কেনেকৈ ঘটনাটো কওঁ ভাবি ঠিক কৰিব নোৱাৰি অৱশেষত ক'লো'ইয়াৰ আগেয়ে মই দুদিনো সেইফালেই গাড়ী চলাইছিলো। কিন্তু আজি ৰাতিপুৱা সেইফালেদি যাওঁতে গাড়ীখন হঠাতে বেয়া হ'ল। মই নিজে গাড়ীৰ কাম কাজ নাজানো কাৰণে ভয়ো লাগিল। মই য'ত গাড়ীখন ৰখাই থৈছিলো তাৰ ওচৰতে সৰু টিলা এটাৰ কাষেৰে নিজৰা এখন বৈ যোৱা দেখা পাই ভাবিলো পানীকে খাওঁ। কিন্তু তেতিয়াই.....'

'ৰ'লা কিয়,কৈ যোৱা।'

'তেতিয়াই পিছফালৰ পৰা মোক দুটা মানুহে জপটিয়াই ধৰিলে। কিন্তু মোৰেই ভাগ্য ভাল আছিল হ'বলা। মই কোনোমতেহে পলাই আহিব পাৰিলো।'

মই ৰৈ যোৱা দেখি দাৰোগাজনে এইবাৰ সুধিলে'কেনেকুৱা দেখাত মানুহ দুজন? চিনাকী নেকি?'

'চিনাকী নহয় ।নাম দুটাহে গম পাইছিলো। এটাৰ নাম বোধন আৰু আনটোৰ নাম প্ৰকাশ। চৌকিডিঙীৰে যেন লাগিছিল। কিয়নো দুয়োটাই নিজৰ মাজতে হোৱা কথা বতৰাত এবাৰ চৌকিডিঙীৰ সোমন গগৈৰ নাম লোৱা শুনিছিলো।'

'সোমন গগৈ !!'

'অ। তেওঁৰ নাম এবাৰ লৈছিল।'

'ঠিকেই শুনিছিলাতো? ভালদৰে মনত পেলোৱা।'দাৰোগাজনে পুনৰাই সুধিলে। এইবাৰ তেওঁৰ কণ্ঠস্বৰ কিছু কৰ্কশ যেন মোৰ ভাব হ'ল।

'অ। মোৰ ভালদৰে মনত আছে তেওঁৰ নামটো।'

'সোমন গগৈ? হ'বই নোৱাৰে। তেওঁ এজন সন্মানীয় ব্যক্তি। সমাজত তেওঁৰ নাম আছে। তেনেস্থলত চহৰৰ দুজন গুণ্ডাই তেওঁৰ নাম লোৱা বুলি ক'লে কোনে বিশ্বাস কৰিব? আৰু দুজন গুণ্ডাই অকাৰনতে এজন পোন্ধৰ বছৰীয়া ল'ৰাক মাৰিব ওলাব কিয়?'

'তেওঁলোকে মোক সচাঁকৈয়ে মাৰিব ওলাইছিল। মোক বিশ্বাস কৰক চাৰ।'মই কিছু সাহস গোটাই লৈ মাত দিলো।

'হয়তো তুমিয়েই সিহঁতক আগধৰি জোকাইছিলা,ভেঙুচালি কৰিছিলা কিজানি। তুমি সিহঁতৰ কামত বাধা দিছিলা কিজানি।'

'বিশ্বাস কৰক চাৰ। মই একোৱেই কৰা নাছিলো।'

অলপ সময় ৰৈ বিষয়াজনে ক'লে'তোমাৰ কথাও দলিয়াই দিব নোৱাৰি। তাতে তুমি এজন নামকৰা উকীলৰে ল'ৰা।' তেওঁ এইবাৰ বহাৰ পৰা উঠি লৈ ক'লে 'শুনা ভাইটী! সেই ঠাইখিনি অইল কোম্পানীয়ে চাৰ্ভে কৰা ঠায়ো হ'ব পাৰে। অইন কোনোবায়ো জৰীপ কৰিব পাৰে। মই বাৰু পুলিচ পঠিয়াই বিচাৰ খোচাৰ কৰিম। কিবা সম্ভেদ পালে ব্যৱস্থা ল'ম। তেতিয়া কিন্তু এখন এজাহাৰ লাগিব।'

'কি এজাহাৰ?'মই সুধিলো।

'তুমি নবুজিবা। এজাহাৰ দিব লগা হ'লে মই খবৰ দিম। তেতিয়া তুমি দেউতাৰাৰ লগত আহিব লাগিব। এতিয়া তুমি যোৱাগৈ।'দাৰোগাজনে মোৰ আৰু কোনো কথা ক'ব নিদি প্ৰথমেই লগ পোৱা তিৰোতা পুলিচ গৰাকীক মাতি আনিলে। ইংগিতেৰে মোলৈ দেখুৱাই দি ক'লে 'ল'ৰাজনক ঘৰলৈ থৈ আহা।'

ময়ো বহাৰ পৰা উঠি ক'লো'মই নিজে যাব পাৰিম।'

'সাৱধানে যাবা।'

মই যাব ওলায়ো আকৌ বৈ যাব লগা হ'ল। দাৰোগাজনে এইবাৰ সুধিলে'তোমাৰ দেউতাৰাই এইবোৰ কথা গম পাইছেনে নে নাই?'

মই খন্তেকপৰ বৈ উত্তৰ দিলো'দেউতাক কোৱাই নাই।'

'দেউতাৰাক ক'বা। তেখেত উকীল মানুহ। এনেকুৱা ধৰনৰ কেচেই তেওঁ চোৱা চিতা কৰে। ঘটনাটো গম পালে তেওঁ এজাহাৰো দি দিব কিজানি।'

মই সহাঁৰি জনাই ওলাই আহিলো। মোৰ পিছে পিছে মহিলা পুলিচ গৰাকীও কোঠাৰ পৰা ওলাই আহিল। মই এইবাৰ সুধিলো'দাৰোগাজনৰ নামটো কি বাইদেউ?'

মই বাইদেউ বুলি মতা শুনি তেখেতে যেন বেছ ভাল পালে। মোৰ লগে লগে আহি থাকোতে ক'লে'তেখেতৰ নাম ধৰনী হাজৰীকা। আমাৰ থানাৰ তেওঁ অ চি।'

'মানুহজন ভালনে?'

ততালিকে একো উত্তৰ নিদিলে তেওঁ। থানাৰ জপনামুখলৈ আগবঢ়াই থৈ তেওঁ কিছু অনুচ্চ কণ্ঠেৰে ক'লে 'অ চি চাৰ বৰ কাঢ়া। কিন্তু বৰ লুভীয়া মানুহ। টকা পইচাৰ বাবে যিকোনো কাম কৰিব পাৰে। তোমাক আক্ৰমণ কৰা গুণ্ডা দুজনক তেওঁ বিছাৰি উলিয়াবই, কিন্তু টকা পইচা লৈ এৰি দিব।'

'কিন্তু তেওঁযে কিবা এজাহাৰৰ কথা ক'লে সেইটোহে মই নুবুজিলো।'

'তুমি নুবুজিবা ভাইটী।' এইবাৰ আৰু সৰুকৈ তেওঁ ক'লে'এজাহাৰ দিলেহে তেওঁ আইনৰ ধাৰা জাপি দিব পাৰিব। আৰু তেতিয়াহে আৰু বেছিকৈ পইচা সৰকাব পাৰিব। বুজিলানে কিবা?'

মই একো বুজি নাপালো। তথাপিও মূৰ দুপিয়াই উভতি খোজ ল'ব ওলাওঁতে তেওঁ পুনৰাই মাত দিলে 'সাৱধানে যাবা ভাইটী।'

'আপুনি অকনো চিন্তা নকৰিব বাইদেউ।'

মই খৰকৈ খোজ দি ওলাই আহিলো। মোৰ নিজৰহে চিন্তা নকমিল। দিনটো কেনেকৈ পাৰ হ'ল খেয়ালেই নাথাকিল। মনটো যথেষ্ঠ অশান্ত হৈ পৰিছিল। ৰাতিৰ ভাতসাজ কেনেকৈ খালো সেইয়াও মোৰ খেয়াল নহ'ল। ভাতখোৱাৰ

পিছতে টোপনি ধৰিছে বুলি নিজৰ কোঠাটোলৈ গুছি আহিলো। মই ভাবিছিলো বিছনাখনত পৰাৰ লগে লগে মোৰ টোপনি আহিব। কিন্তু টোপনি অহাতকৈ আকৌ কিছুমান বিক্ষিপ্ত চিন্তাইহে মোক আগুৰি ধৰিলে। মই বিছনাৰ পৰা উঠি আহি মোৰ পঢ়াৰ টেবুলত বহি ল'লো। টেবুল লেম্পটো জ্বলিয়েই আছিল। টেবুলৰ ড্ৰয়াৰতে ৰাতিপুৱাৰ কাগজৰ টোপালাটো আছিল। টোপালাটো মই আকৌ এবাৰ মেলি ল'লো। টোপালাটোৰ কাগজবোৰ তেতিয়াও শুকোৱা নাছিল। কাগজবোৰ এখন এখনকৈ মেলি কোঠাটোৰ মজিয়াতে পাৰি দিলো । ৰাতিপুৱালৈ হয়তো শুকাই যাব।

এইবাৰ মই আকৌ বিছনাখনলৈ আহিলো। কোঠাৰ লাইট আৰু টেবুল লেম্পৰ লাইট নুমুৱাই দিয়াৰ পিছত কোঠাতো অন্ধকাৰ হৈ পৰিল। মোৰ কোঠাটো আমাৰ ঘৰটোৰ সন্মুখৰ এটা কোণত,আগফালটো খিৰিকীৰ খোলা ফাঁকেৰে দেখা পায় । মোৰ এইবাৰো টোপনি নহা দেখি খিৰিকীৰ ফাঁকেৰে বাহিৰখনত চকু ফুৰালো। আকাশত দুই এটা তৰা জিলিকিছে। তৰালীৰ চিক মিকনিৰ তালে তালে কেতিয়াযে মোৰ দুচকুৰ পতা ধীৰে ধীৰে জাপ খাই আহিব ধৰিলে মোৰ খেয়ালেই নহ'ল। এটা যেন মিঠা মাদকতা। কিন্তু...

'চিন্ময় ভাইটী ....!!'

শত সহস্ৰ যোজন দূৰৈৰ পৰা ৰিণিকি ৰিণিকি ভাঁহি হঠাতে মোৰ কাণত পৰিলহি এটা অচিনাকী কণ্ঠস্বৰ। মই খপ জপাই সাৰ পাই সৰুকৈ সহাঁৰি দিলো'কোন?'

উত্তৰ দিবলৈ কোনো নাই। এবাৰ খিৰিকীখনৰ কাষলৈ উঠি গৈয়ো বাহিৰৰ পৃথিৱীখনলৈ চকু ফুৰালো। আগফালৰ চোতালতো কোনো নাই। কিন্তু স্পষ্টকৈ শুনা পাইছিলো কাৰোবাৰ মাতষাৰ। শত সহস্ৰ যোজন দূৰৈৰ পৰা যেন ৰিণিকি ৰিণিকি ভাঁহি আহি কাণত পৰিছিলহি কণ্ঠস্বৰটি মোৰ এনে ভাব উপজিল। বৰ চিনাকী আৰু আপোন যেন লাগিছিল কণ্ঠস্বৰটি।

মই আকৌ শুবলৈ চেষ্টা কৰিলো। চিলমিলকৈ টোপনিও আহিল। তেনেতে আকৌ এবাৰ কাণত পৰিল সেই একে কণ্ঠস্বৰ, কোনোবাই মোক যেন বহু

দূৰৈৰ পৰা মাতিব ধৰিছে। এইবাৰো খপজপাই উঠি চাৰিওফালে চালো যদিও কাকো নেদেখিলো। মোৰ এইবাৰ মনত এটা অহেতুক ভয়ৰ ভাব উপজিল। মোৰ আৰু টোপনি নাহিল। ৰাতিপুৱা হৰেনক কওঁতে সি প্ৰথমে মনে মনে থাকিল যদিও অৱশেষত মাত দিলে 'তুমি সপোনতে তোমাক মতা শুনিছিলা কিজানি। এই ৰাতিখন তোমাক কোনে মাতিব?'

'ভূত নহয়তো?'

'ধেৎ! এই নগৰৰ মাজ মজিয়াত ক'ত ভূত থাকিব? তুমি চিন্তা কৰি নাথাকিবা।'হৰেনে মোক অভয় দি তাৰ কামত ওলাই গ'ল।

মোৰ দুশ্চিন্তা নকমিল।

কিন্তু স্কুললৈ যাওঁতে সকলো দুঃশ্চিন্তা কৰ্পূৰৰ দৰে উৰি গ'ল। টিফিনৰ সময়ত আমি সকলো কেইটা গোট খাওঁতে মই এবাৰ মাত দিলো'যোৱা কালি মোৰ এটা সাংঘাটিক অভিজ্ঞতা হৈছিল।'

পৰাগহতেঁ নিজৰ ভিতৰতে কথা পাতি আছিল। মোৰ কথা শুনি সিহঁতে কথা বন্ধ কৰিলে। পৰাগে সুধিলে 'সোনকালে ক। ক্লাছ আৰম্ভ হ'বৰ হৈছে।'

'যোৱা নিশা মোক মাতিছিল।'

'নিশা তোক কোনে মাতিব?'

'ভূতে মাতিছিল। মই টোপনি গৈছিলো। তেনেতে এবাৰ মোক মতা শুনিলো। মইতো অকলেই থাকো তহঁতেতো জানই। মই পিছে ভয় খোৱা নাছিলো। তিনি চাৰিবাৰমান মোক মাতিছিল। মোৰ নাম ধৰি ধৰি মাতিছিল।'

'সচাঁ জানো?'

'সচাঁতো। মই জানো কেতিয়াবা মিছা কথা কওঁ?'

'নকৰ পিছে।'স্বপনে তাৰ গধূৰ পেটতো নচুৱাই নচুৱাই ক'লে।

অতনুৱে সেই সময়তে মাত দিলে'চিন্ময়! ভূতৰ কথা বাদ দে। এতিয়া কছোন তোৰ গাড়ী চলোৱা শিকা হ'লনে?'

'হ'ল। আৰু কি জান? যোৱা কালি গাড়ী চলাব শিকোতে আৰু এটা সাংঘাটিক ঘটনা ঘটিছিল।' মোৰ কথা কোৱাৰ সুৰত সিহঁত আটাইকেইটা যথেষ্ট

উদ্বিগ্ন হ'ল।

'কি কাণ্ড ঘটিছিল? সোনকালে ক।'

'এতিয়া নকওঁ। আৰু ইয়াত ক'বও নোৱাৰি। ক'লে ভীষণ বিপদৰ সৃষ্টি হ'ব পাৰে।'

'কি ক'লি?' অলপ ধতুৰা স্বপনে চিৎকাৰ কৰি উঠিল।

'অ। আবেলি তহঁত কেইটা স্বপনহতঁৰ ঘৰলৈ আহিবি। ময়ো যাম। তাতেই সকলো কথা ক'ব পাৰিম।'

'সঁচাকৈয়ে কবিতো?'পৰাগে সুধিলে। সি হয়তো বিশ্বাস কৰিবলৈ টান পালে।

'ক'মতো। কিন্তু চৰ্ত এটা আছে।'

'কি চৰ্ত?'

'চৰ্তটো হ'ল কথাতো অত্যন্ত গোপনীয়। তহঁতে মই যি ক'ম সেই কথা কাৰো আগত ক'ব নোৱাৰিবি। ক'লে বিপদ। ময়ো কাৰো আগত একো কথা কোৱা নাই। অৱশ্যে....'

'স্বপ্নাক ক'লে একো বিপদ নহ'ব কিজানি।'অভিজিতে মাত লগালে।

মই ধৰিব পাৰিছিলো অভিজিতৰ ইংগিতটো। মই কিন্তু একো নক'লো। ইতিমধ্যেই স্কুল আৰম্ভ হৈছিল। স্কুলৰ সময়খিনিত আজৰি পালেই পৰাগহতেঁ মোক লগে লগে আবৰি ধৰে। সিহঁত উত্ৰাৱল হৈ উঠিছিল। মোৰ এটাই কথা স্কুল ছুটীৰ পিছতহে মই স্বপনহতঁৰ ঘৰত সকলো ক'ম। ভিতৰি ভিতৰি মোৰ দুঃশ্চিন্তাও ওপজিছিল। মই বিপদত নপৰোতো!!

স্কুল ছুটীৰ পিছত ঘৰ পায়েই কাপোৰ সলাব ওলোৱা দেখি মায়ে সুধিলে'কলৈ যাব এতিয়া?'

'স্বপনহতঁৰ ঘৰলৈ।' মোৰ চমু উত্তৰ।

'দেৰী নকৰিবি ,সোনকালে আহিবি। পৰীক্ষা কিন্তু ওচৰ চাপিছে।'

'সোনকালেই আহিম। তুমি চিন্তা নকৰিবা।'কথাষাৰ কৈয়ে মই দৌৰী ওলাই আহিলো। অইনদিনা খোজ কাঢ়ি আহিলে স্বপনহতঁৰ ঘৰ পাবলৈ পোন্ধৰ মিনিট মান লাগে। আজি কিন্তু যথেষ্ট কম সময় ল'লে। মই চিন্তাত বিভোৰ হৈ

পৰিছিলো। অন্তৰত তেতিয়া একেলগে বহুকেইটা চিন্তাই তোলপাৰ লগাইছিল। কি কৰিম মই এতিয়া? স্বপনহঁতক ঘটনাটো ক'লে কি লাভ হ'ব সেইটো ভাবি পাৰাপাৰ নাপালো। সিহঁতে কিজানি বিশ্বাসো নকৰিব। আৰু স্বপাই?

স্বপনহঁতৰ ঘৰ পাবলৈ নাতিদীৰ্ঘ দূৰত্ব থাকোতেই দেখিলো আগফালৰ বহল বাৰাণ্ডাখনত গোটেই কেইটা বহি আছে। সিহঁতে গেটৰ সমুখেৰে যোৱা পথটোলৈকে চাই আছিল। দূৰৈত মোক দেখিয়ে স্বপনে ৰিং এটা মাৰি চিঞৰি ক'লে'সোনকালে আহ।'

আধা মিনিটৰ ভিতৰতে মই সেইখিনি পালো। স্বপনে আগবঢ়াই দিয়া মূঢ়াটোত বহি লৈ সিহঁতলৈ চালো। স্বপন,পৰাগ, অতনু,অৰূপ আৰু অভিজিত একান্ত নিবিষ্টমনে বহি আছে। সিহঁতৰ কৌতূহলী চাৱনি মোৰ মুখখনতে স্থিৰ হৈ আছে। সিহঁতে অধীৰ আগ্ৰহেৰে সীমাহীন উৎকণ্ঠা চেপি ধৰি বৈ আছে মোৰ ওঠ দুখন কঁপি উঠাৰ চৰম মুহূৰ্তটোলৈ। কোনখিনিৰ পৰা ক'বলৈ আৰম্ভ কৰিম এইলৈ খন্তেক সময় গুনাগঠা কৰোতে হঠাতে ভাব হ'ল কোনোবা এটা যেন সন্তৰ্পনে আহি মোৰ পিছফালে বহি লৈছে। মূৰটো নুঘুৰোৱাকৈয়ে অনুমানতে ধৰি ল'লো স্বপ্না আহি বহিছে বুলি। আগতেও তাই মনে মনে আহি তেনেকৈয়ে কেতিয়াবা বহি পৰেহি ।

'ও, তেন্তে আমাৰ লীডাৰ আহিল।'সেইয়া স্বপ্নাৰ মাত। চিৰাচৰিত নিয়মমতে আজিও স্বপ্নাৰ কণ্ঠত উপলুঙাৰ সুৰ এটা।

স্বপ্নাই আৰু কিবা ক'ব ওলাইছিল,কিন্তু ক'ব নোৱাৰিলে। সেই মূহুৰ্ততে স্বপনে খঙেৰে কৈ উঠিল 'আহিল এইজনী পেক পেকাবলৈ।'

'মই হবলা পেক পেকাবলৈ আহিছো?'স্বপ্নাই ফেপেৰী পাতি ধৰিলে।

'তেন্তে কিহৰ কাৰণেনো?'স্বপনে সুধিলে।

'আমাৰ কালীদাসৰ একেবাৰে লেটেষ্ট কাব্যখনৰ কথা শুনিবলৈহে।'

কথাখিনি শুনি টিঙিচকৈ খঙ উঠি আহিল। মূঢ়াটো স্বপ্নাৰ ফালে ঘূৰাই তাইক এজাউৰি গালি দিবলৈ লওঁতে চকুহাল পিৰিকিয়াই স্বপ্নাই ক'লে'ও,আৰম্ভ কৰা চিন্ময়! আমিযে তোমাৰ কথা শুনিবলৈকে ইমান দেৰী বৈ আছো।'

'অ। চিন্ময়! আৰম্ভ কৰ।'অতনুৱে ক'লে।

মনৰ উঠি অহা খণ্ডটো মনতে মাৰ নিয়ালো। মই আদোপান্ত সকলো ধীৰে ধীৰে কৈ গ'লো। মোৰ কথা শুনি সিহঁত তন্ময় হৈ পৰিছিল। স্বপ্নাই মোৰ কথা শুনি আজি এবাৰো সিয়াঁৰি দিয়া নাছিল। তাইৰ দুচকুৰ চেলাউৰী যৎকিঞ্চিত উঠি গৈ কপালত থুপ খাইছিল। মোৰ কাহিনী কোৱা শেষ হোৱাত তাই বহি থকা মূঢ়াটো মোৰ আৰু অলপ ওচৰ চপাই লৈ সুধিলে 'এতিয়া তুমি কি কৰিবা?'

'নাজানো কি কৰিম।'

'বোধন আৰু প্ৰকাশ নামৰ গুণ্ডা দুটাক কি কৰিবা?'

'সিহঁতে মোক একো অনিষ্ট কৰিব নোৱাৰে।'

'কিয় ?'স্বপ্নাই সুধিলে ।

'পুলিচৰ আগত সিহঁতৰ কথা কৈ দিছো।'

লগে লগে অতুনুৱে চিঞৰি উঠিল'তই ৰক্তিম ৰত্নৰ কথাও ক'লি নেকি?'

'নাই কোৱা। আচল কথা ক'বলৈ মই বুৰ্ব্বক নেকি?'

'নাইকোৱা যদি ভালেই কৰিছ। আমি এতিয়া ৰত্নটো বিছাৰি উলিয়াবলৈ চেষ্টা কৰিম। নাপালেও অৱশ্যে একো কথা নাই। আমাৰ সময়খিনি বঢ়িয়াকৈ পাৰ হ'ব। আৰু এইটো এটা নতুন ধৰনৰ এডভেঞ্চাৰ হ'ব।' অতনুৱে ক'লে।

'কিন্তু ৰত্নটো বিছাৰি উলিয়াবা কেনেকৈ?'স্বপ্নাই সুধিলে।

মই উত্তৰ দিব নোৱাৰিলো। ময়ো তেতিয়ালৈ অকনমানো চিন্তা কৰা নাছিলো ৰত্নটো কেনেকৈ বিছাৰি উলিয়াম। মাজে মাজে মনটোত সন্দেহ এটাই উক দি উঠে। সচাঁকৈয়ে জানো ৰক্তিম ৰত্নৰ অস্তিত্ব আছে! আৰু থাকিলেও জানো সেই ঠাই টুকুৰাত বিলুপ্ত হৈ থকা ৰত্নটো কোনোবাই বিছাৰি উলিয়াব পাৰিব?

নিশ্চয় বিছাৰি উলিয়াব পৰা যাব। নহ'লে দুজন মানুহ অনাহকতে নিজান বননিত ঘূৰি ফুৰি নাথাকে। কিন্তু সেই মানুহ দুজন প্ৰকৃততে কোন? আৰু তেওঁলোকৰ লগত সোমন গগৈৰ সম্পৰ্ক কি? প্ৰশ্নটোৱে মোক বিপাঙত পেলালে। এই প্ৰশ্নটোৰ উত্তৰ মোৰ ওচৰত নাই। আমাৰ চহৰৰ আটাইতকৈ ধনী মানুহজনেই হ'ল সোমন গগৈ। সকলোৱে তেওঁক চিনি পায়। তেনেস্থলত

কোনে উত্তৰ দিব মোক ? একোবাৰ মনত ভাব হৈছিল আমাৰ বুৰঞ্জীৰ কাকতী চাৰকে সকলো কথা কওঁ নেকি!! পিছমূহুৰ্ততে মোৰ নিজৰে হাঁহি উঠিল। বেলেগক ক'লে আচল ৰহস্যটোৱেই মুকলি হৈ পৰিব। তেন্তে.....হয়তো আমিয়েই বিচাৰি উলিয়াব লাগিব ৰক্তিম ৰত্নটো।

'এই চিন্ময়! কি হ'ল তোৰ?'পৰাগৰ মাতত মই সম্বিত ঘূৰাই পালো।

'একো হোৱা নাই।'মই এইবাৰ ক'বলৈ আৰম্ভ কৰিলো'শুন! মই ঠিৰাং কৰিলো আমি নিজেই ৰক্তিম ৰত্নটো বিচাৰি উলিয়াম। মাত্ৰ অলপ সাহস লাগিব। সাৱধানো হ'ব লাগিব। প্ৰতিটো পদক্ষেপেই সাৱধানে ল'ব লাগিব। সকলো কথাই গোপনে ৰাখিব লাগিব। অন্যথ্যা....'

'বুজিছো আমি। এই কথা অইন কাৰো আগত নকওঁ।'

'অকল নক'লেই হ'ব জানো?'

'মানে?'

'আমাৰ এতিয়া বহুত কাম। আমাৰ প্ৰথম কাম হ'ব সেই বোধন আৰু প্ৰকাশ নামৰ মানুহ দুটাৰ প্ৰকৃত পৰিচয় উলিওৱা। সিহঁত ক'ত থাকে কি কৰে এইবোৰ কথা আমি গম পাব লাগিব। এই কামটো কৰিব লাগিব অভিজিত আৰু অৰূপে।'

'আমি?'অৰূপ আৰু অভিজিতে প্ৰায় একেলগেই সমস্বৰে ক'লে।

'অ। তহঁতেই বোধনহতঁৰ শুংসুত্ৰ উলিয়াব লাগিব। নোৱাৰিবি জানো?'

'পাৰিম।'

মই এইবাৰ উৎসাহিত হৈ ক'লো'অতনু আৰু পৰাগে সোমন গগৈৰ ওপৰত চকু ৰাখিবি। স্বপন আৰু অতনুৱে তহঁতক সহায় কৰিব। আনপিনে মই সকলোৰে লগত যোগাযোগ ৰাখিম।'

'ঠিক আছে। এয়ে ভাল হ'ব। গধূলিও হৈ আহিল। আমাৰো যাবৰ সময় হ'ল।' পৰাগে কথাষাৰ কৈয়ে বহাৰ পৰা উঠিল। সি উঠা দেখি আমি সকলো কেইটা বহাৰ পৰা উঠিলো। তেনেতে স্বপ্নাই সুধিলে'আৰু মই কি কৰিম ?'

'তুমি আকৌ কি কৰিবা? ভয়তে ছাগে কৰবাত লুকাই ফুৰিবা।'বিদ্ৰূপ কৰিবলৈ পোৱা সুবৰ্ণ সুযোগটো অথলে যাব নিদিলো মই। কিন্তু স্বপ্নাই মোৰ

কথা শুনি খঙ নকৰিলে। সিএগ্ৰাৰিও নিদিলে। তাই এইবাৰ কিছু অনুচ্চ কণ্ঠে ক'লে'মোক ভয়াতুৰ বুলি ভাবিছা নেকি?'

'নাই ভবা। কিন্তু তুমি যে ছোৱালী।'

'হলেও তোমাক সহায় কৰিব নোৱাৰিম নেকি?'

'পাৰিবা কিজানি।'

'অ,স্বপ্নাই পাৰিব।'অভিজিতে কাৰো ফালে নোচোৱাকৈ গহীনাই মাত দিলে।

'বাৰু চিন্ময়! ইয়াৰ পিছত আমি কি কৰিম?'

ময়ো বিমোৰত পৰিলো । ইয়াৰ পিছত আমি কি কৰিম সেইয়া ময়ো চিন্তা কৰা নাই। এতিয়া সেইবোৰ চিন্তা কৰিবলৈ আমাৰ সময়ো হোৱা নাই। এইখিনি কাম কৰিলেই হয়তো আমি গম পাই যাম ভৱিষ্যতে কি কৰিলে ভাল হ'ব।

'তই চিন্তা চৰ্চা কৰি লোৱা ভাল হ'ব।'পৰাগে সমিধান দিলে।

অতনুহতঁ ইতিমধ্যে বাৰাণ্ডাখনৰ পৰা নামি আগফালৰ চোতালত ভৰি দিছিল। মই বাৰাণ্ডাখনৰ পৰা নামিব গৈয়ো ৰৈ গ'লো। খন্তেকপৰ ৰৈ থাকি মই অৱশেষত মাত দিলো 'ইয়াৰ পিছত আমি কি কৰিম এতিয়াই কৈ দিব নোৱাৰিম। এইখিনি কাম কৰিলেই অনুমান কৰি ল'ব পাৰিম আমাৰ ভৱিষ্যতৰ কাৰ্য্যপন্থা। আমি যদি গম পাওঁ সিহঁতে ৰক্তিম ৰত্নৰ গুপ্ত অৱস্থান গম পাইছে অথবা ইতিমধ্যেই ৰত্নটো হস্তগত কৰিছে তেতিয়া সকলো কথা পুলিচক কৈ দিম।'

'কি লাভ হ'ব তেতিয়া?'অতনুৱে সুধিলে।

'নাজানো কি লাভ হ'ব বা নহ'ব। কিন্তু....'

'কিন্তু কি চিন্ময়?'অতনুৱে আকৌ সুধিলে। সি অধৈৰ্য্য হৈছিল।

'আমাৰ ফটো খবৰ কাগজত ওলাব। সিয়ে আমাৰ লাভ হ'ব।'

'তোৰ কথা মই হ'লে একো বুজি পোৱা নাই।'

মই একো নক'লো। ক'বলৈ একোৱে নাছিল।

'চিন্ময়! গধূলি হ'ল। ঘৰ গৈ নাপালে মাহঁতে চিন্তা কৰি থাকিব।'

অভিজিতে সোঁৱৰাই দিয়াৰ লগে লগে মূহুৰ্ততে শান্ত পৰিবেশতো সৰৱ হৈ উঠিল। সিহঁত হুলস্থুল কৰি যাব ওলাল। অভিজিত বাৰাণ্ডাখনৰ পৰা নামি

বাহিৰৰ ঘাইঁনি খনত ঠিয় হৈ অস্ফুট স্বৰেৰে গান এটা গুনগুনাব ধৰিলে। পৰাগহতেঁও হুঁহুৰি বজাই বজাই ঘাইঁনি দৰালৈ নামি গ'ল। অতনু আৰু অৰূপ স্বপনৰ পিছে ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

ময়ো এইবাৰ যাবলৈ ওলালো।

বাহিৰখন গধূলিৰ পাতল অন্ধকাৰজাকে আবৰি ধৰিছিল।

বাৰাণ্ডাখনত তেতিয়া অন্ধকাৰ আৰু গাঢ় হৈছিল। লাইটৰ বাল্ব নজ্বলোৱাৰ বাবেই হয়তো তেনে হৈছিল। তেতিয়াই অস্পষ্ট ভাবে মোৰ কাণত পৰিল'এই!
,

মই পিছলৈ ঘূৰি চালো। স্বপ্না মোৰ ঠিক পিছতে ঠিয় হৈছে।

'কোৱা।'

'তুমি কিন্তু খুব সাহসী দেই।'

'তুমিও সাহসী।' মই ক'লো।

'কিন্তু তোমাতকৈ কম।'কথাখিনিকৈ স্বপ্নাই মূৰটো মোৰ ওচৰলৈ চপাই নিলে।

মই মাত লগালো'স্বপ্না!'

'কি?'সৰুকৈ সহাঁৰি দিলে স্বপ্নাই।

'আজি তুমি মোক জোকোৱা নাছিলা কিয়?'

'তোমাৰ কথাবোৰ আজি বিশ্বাস হৈছিল সেইকাৰণে।'অলপপৰ বৈ স্বপ্নাই সুধিলে 'এতিয়া তুমি জোকোৱাৰ কথা কিয় উলিয়ালা? তাৰমানে তোমাক জোকাই থাকিলেহে তুমি ভালপোৱা নেকি?'

'নহয়।'

'তেনেহ'লে কি ভালপোৱা?'

কি ভালপাওঁ মই নাজানো। ইমানদিনে স্বপ্নাৰ লগত কাজিয়া পেচাল,র্তকা র্তকি কৰিয়েই ইমান ডাঙৰ হ'লো। স্বপ্নাৰ শান্ত শিষ্ট ৰূপটো কেতিয়াও দেখা নাছিলো। সদায় ঠাট্টা মস্কৰা কৰি থকা স্বপ্নাজনী নে আজি মোৰ লগত বহি একান্ত নিবিষ্টমনে কথা শুনি থকা স্বপ্নাকহে ভাল লাগে মই বুজি নাপালো।

মই স্বপ্নাৰ ধুনীয়া মুখখনলৈ চাই সেই কথাকে ভাবি কিছু পৰিমানে অন্যমনস্ক হৈ পৰিছিলো। সেয়েহে হঠাতে ভিতৰৰ পৰা স্বপনহতঁৰ মাতকথা কাণত পৰাত উচপ খাই উঠিলো। স্বপ্নাই কিছু আমোদ পাই সুধিলে'কি হ'ল তোমাৰ?'

'মোৰ একো হোৱা নাই।'মই বাৰাণ্ডাৰ পৰা নামিব ওলাওঁতে এইবাৰ কিছু নৰম সুৰত ক'লো'কিবা হ'লেও তুমি কেনেকৈ গম পাবা?'

মই বাৰাণ্ডাৰ চিৰি কেইটা জাপমাৰি একেকোবে গেটৰ মুখত থকা অভিজিতৰ ওচৰ চাপিলো। অভিজিতে মোক দেখি সুধিলে'এই চিন্ময়! কেনেকুৱা লাগিল?'

'মানে?'মই অভিজিতৰ ইংগিতটো বুজা নাছিলো।

'বুজা নাই ?'ওঠত ৰহস্যময় হাঁহিৰে সি সুধিলে।

'মই একো বুজি পোৱা নাই তই কি কথা কৈছ।'

'মই ক'লে তই কেনেকৈ বুজি পাবি। মইতো স্বপ্না নহয়।'

মই অভিজিতৰ ইংগিতটো বুজি পালো।

'স্বপ্নাৰ কথা কোৱা শুনিয়ে তই দেখোন ভয় খাই গলি। নাৰ্ভাচো হৈছ দেখোন। চিন্তা নকৰিবি। কোনেও তোক আৰু স্বপ্নাক মন কৰি থকা নাই যা।'

মই আশ্বস্ত হ'লো। অভিজিতে এইবাৰ মোৰ গাত চিকুট এটা মাৰি দিলে।

(৪)

কোঠাটোত আমি তিনিটা।

স্বপন ,মই আৰু স্বপ্না।

মোৰ কোঠাটোৰ খোলা খিৰিকী খনৰ ফাঁকেৰে আবেলিৰ অস্তমিত বেলিৰ পোহৰ আহি আমাৰ চকুৰে মুখে পৰিছিল।

আজি দেওবাৰ। স্কুল বন্ধ বাবে ঘৰতে আছিলো। আবেলি স্বপনহতঁৰ ঘৰলৈকে যাম বুলি ভাবিছিলো। কিন্তু মোক অবাক কৰি স্বপনহতঁ নিজেই আহি ওলাল। স্বপনহতঁৰ মাহীয়েকৰ ঘৰ আমাৰ ঘৰৰ পৰা অলপ আঁতৰত। সেইদেখি স্বপনহতঁ প্ৰায়ে আমাৰ ঘৰলৈ আহে। সেইকাৰণেই স্বপন আৰু ভনীয়েক স্বপ্নাৰ লগত মোৰ বন্ধুত্ব সোনকালেই গাঢ় হৈছিল। স্বপনটো শকত,আৱত আৰু মনটো তাৰ খোলা প্ৰকৃতিৰ। কিন্তু ভনীয়েক স্বপ্না ওলোটা। তাই জেদী,ৰ্তক কৰি ভাল

পায়। কোনো কথাতে তাইক বলাব নোৱাৰি। স্বপনৰ লগত মোৰ কেতিয়াও কাজিয়া লগা নাই। কিন্তু স্বপ্নাৰ লগত প্ৰায়ে কাজিয়া লাগে।

আৰু প্ৰতিবাৰেই মই র্তকত হাৰো। কেতিয়াও কোনো কথাতে তাইক সৈমান কৰিব পৰা নাই।

আজি কিন্তু পৰিবেশ ওলোটা।

'আজি মই তহঁতৰ ঘৰলৈকে যাম বুলি ভাবিছিলো।'সিহঁত দুয়োটাকে দেখি মই মাত দিছিলো।

'মই তোৰ সেই পুৰণি কাগজৰ টোপোলাটো চাবলৈ আহিছো। স্বপ্নাইয়ো জেদ ধৰিলে তায়ো হেনো চাব। আমি মাহীৰ ঘৰলৈ বুলি আহিও এতিয়া পোনে পোনে তহঁতৰ ঘৰলৈকে আহিলো।' স্বপনে একে উশাহে কথাখিনি কৈ এইবাৰ সুধিলে'ক'ত আছে তোৰ সেই টোপোলাটো?'

'মোৰ কোঠালৈকে আহ। তাতে দেখুৱাম।'

মই ক'বলৈহে পালো,স্বপন নিজেই দৌৰি মোৰ কোঠালৈ আগবাঢ়িল।

'তুমি ড্ৰইং ৰুমতে বহিবা নে মোৰ কোঠালৈ যাবা?'স্বপ্না কিছু ইতঃস্তত কৰা দেখি মই সুধিলো। স্বপ্নাই একো নামাতিলো। তাই নীৰৱে মোৰ কোঠালৈ বুলি আগবঢ়া দেখি মোৰ কিয় জানো ভাল লাগি গ'ল।

মনটো মোৰ হঠাতে কিয় জানো চঞ্চল হ'ল। বাৰে পতি চকুহালৰ দৃষ্টি খোলা খিৰীকিখনৰ পৰা আঁতৰি আহি অইন ক'ৰবাত বৈ যাব বিছাৰে। তেতিয়াই মোৰ অস্বস্তি লাগে,মনটো আৰু বেছি চঞ্চল হৈ পৰে।

স্বপ্নাই হয়তো মোৰ মনৰ দুৰ্ব্বলতা ধৰিব পাৰছিল। তাই ৰেকৰ পৰা বহী এখন উলিয়াই লৈ কিবা কিবি এসোপা আকিব ধৰিছিল। মই অনুমান কৰিছিলো তাই যেন মিচিকিয়াই হাঁহিব ধৰিছে।

মই পিছে ধৰিব নোৱাৰিলো স্বপ্নাৰ হাঁহিৰ ৰহস্য।

তাই মোক আকৌ এবাৰ ভেঙুচালী কৰিব খোজা নাইতো!!

মই এইবাৰ স্বপনলৈ চালো। সি সেই পুৰণি কাগজৰ টোপোলাটোৰ পৰা এখিলা এখিলাকৈ কাগজ উলিয়াই বেছ মনোযোগেৰে চাব ধৰিছে। সি যেন

কিবা এটা আৱিষ্কাৰ কৰিব ওলাইছে!

এই কেইদিন আমি ভীষণ উত্তেজনাৰে পাৰ কৰিলো।

আৰম্ভনী ঘটিছিল প্ৰথম দিনাখনেই।

স্কুলৰ পৰা আমাৰ ঘৰলৈ এছোৱা বাট মই অকলে আহিব লাগে। এটা কেঁকুৰী পাৰ হ'লেই আমাৰ ঘৰলৈ পোন বাটছোৱা পোৱা যায়। মই সেই বাটটোৰেই আহি থাকোতে হঠাতে পিছফালৰ পৰা মোক কোনোবাই নাম ধৰি মতা শুনি ৰৈ গ'লো। পিছলৈ ঘূৰি চাওঁতে আদহীয়া মহিলা এগৰাকী খোজ কাঢ়ি মোৰ ওচৰলৈকে বেগাই আহি থকা দেখা পালো। মই তভক মাৰি ৰৈ গ'লো। চিনাকী যেনো লাগিছে অথচ মই ধৰিব পৰা নাই। মানুহ গৰাকীয়ে ওচৰ চাপি আহি মোক সুধিলে'মোক চিনি পোৱা নাই নেকি?'

মই সেমেনা সেমেনা কৰিব ধৰা দেখি তেওঁ এইবাৰ নিজেই চিনাকী দিলে'মোক দেখোন তুমি থানাত লগ পাইছিলা। এতিয়া পাহৰিলা নেকি? অৱশ্যে ইউনির্ফমত নাথাকিলে চিনি পাবলৈ দিগদাৰী হয়েই।'

'এতিয়া মই ধৰিব পাৰিছো।'

'তুমি স্কুলৰ পৰা অকলেই অহা যোৱা কৰা নেকি ?'তেওঁ সুধিলে।

'অকল এইখিনি বাটহে মই অকলে আহিব লাগে।'

'সাৱধানে থাকিবা। সেই গুণ্ডা দুটাই তোমাক বিছাৰি ফুৰিব।' মানুহ গৰাকীয়ে ক'লে'দিনৰ ভাগত মোৰ থানাত পাবাই। দূৰ্গা বাইদেউ বুলিয়ে মোক সকলোৱে চিনি পায়। বিপদ আপদ হ'লেই মোক খবৰ দিবা। আচ্চা! তুমি এইকন বাট অকলেই যাব পাৰিবানে?'

'মই সদায়ে এইছোৱা বাট অকলেই অহা যোৱা কৰো।'

দূৰ্গা বাইদেউ বোলা পুলিচ গৰাকী আকৌ উভতি গ'ল। তেওঁ উভতি যোৱাৰ পিছতেই মোৰ মনলৈ হঠাতে ভয়ৰ ভাব আহিল। বাকীছোৱা বাট মই দৌৰী আহিছিলো।

পিছদিনা স্কুলত দূৰ্গা বাইদেউক লগ পোৱাৰ কথা কওঁতে অৰূপে ক'লে'আজি মই আৰু অভিজিতে বোধন আৰু প্ৰকাশক বিছাৰি উলিয়ামেই।'

'এদিনতে নহ'লেও দুদিনমানৰ ভিতৰতে আমি দুয়োটাই সিহঁতৰ শুংসূত্ৰ পামেই।'এইবাৰ অভিজিতে সঁহাৰি দিলে।

অৰূপহতেঁ এদিনতে বোধন আৰু প্ৰকাশৰ শুংসূত্ৰ পালে। দুয়োটা নদীৰ পাৰতে থাকে। একেলগেই দুয়োটা এটা জুপুৰীতে থাকে। সিহঁত দুয়োটা নদীৰ সিপাৰে একে গাওঁৰে। এসময়ত সিহঁত জাহাজ কোম্পানী এটাত কাম কৰিছিল, পিছত কাণীৰ বেপাৰত ধৰিছিল। এবাৰ ধৰা পৰি জেলো খাটিছিল। কিন্তু এতিয়া কি কৰে কোনেও নাজানে।

'সিহঁত দুটাই কিজানি ৰক্তিম ৰত্নৰ উদ্ধাৰতে লাগি আছে।'স্বপনে কৈছিল।

'তেতিয়া হ'লে সিহঁত দুটা সোমন গগৈৰ ঘৰলৈ নিশ্চয় যাব।'মই কৈছিলো। মোৰ কথাৰ মাজতে পৰাগে কৈছিল'আজি মই আৰু পৰাগে অংকৰ টিউচন কৰি আহোতে সোমন গগৈৰ ঘৰৰ আগেদি আহিম। আধা ঘন্টামান সেইখিনিতে বৈ চাম কিবা দেখা পাওঁ নেকি!!'

'তহঁতৰ টিউচন কৰি ঘূৰি আহোতে গধূলিয়ে হ'ব।'

'সেইকাৰণেই চিন্তা কৰিব লগীয়া নাই। আন্ধাৰত আমাক কোনে চিনি পাব?'

'হয় পিছে।'

পৰাগ আৰু অতনুৱে টিউচন সামৰিয়ে এইবাৰ অভিযানত নামি পৰিছিল। সোমন গগৈক সকলোৱে চিনি পায়। আমাৰ চহৰৰ আটাইতকৈ ধনী মানুহ। ঘৰটো এটা বিৰাট অট্টালিকা। প্ৰাসাদোপম ঘৰটোৰ কিছু আঁতৰতে এখন সৰু দোকান আছিল। পৰাগ আৰু অতনুৱে সেই দোকানখনতে কিছুপৰ ৰওঁতে দেখা পালে সোমন গগৈৰ ঘৰৰ গেট খুলি দুজন যুৱক ওলাই অহা।

'সেইয়াই কিজানি বোধন আৰু প্ৰকাশ!' পৰাগে ফুচফুচাই কৈছিল।

'কিজানি নহয় ,সেইয়াই বোধন আৰু প্ৰকাশ।'

'কি কৰিবি এতিয়া? পিছে পিছে যাবি নেকি?'

'ব'ল। সিহঁত ক'লৈ যায় চোৱা যাওঁক এবাৰ।'

দুয়ো আগবাঢ়িছিল। পৰাগৰ উত্তেজনা তেতিয়া চৰম পৰ্য্যায় পাইছিল। পা ফু চিৰিজৰ কিতাপ পঢ়াৰ সাৰ্থকতা আজিহে যেন সি হাতৰ মুঠিত পালে।

'আন্ধাৰ বেছি হ'লেই কিন্তু আমি উভতিম।'অতনুৱে এবাৰ কৈছিল।

পৰাগৰ কিন্তু সেইবোৰলৈ কানসাৰ নাই। সি মন কৰিছিল বোধন আৰু প্ৰকাশে ভীষণ উত্তেজিত হৈ কথা পাতি গৈ আছিল। কিন্তু কি কথা পাতিছিল সেইয়া পৰাগৰ কাণত নপৰিল। পৰাগে আৰু ওচৰ চাপি যাব খুজিছিল,কিন্তু অতনুৱে বাধা দিলে। সি ফুচফুচাই ক'লে'আৰু ওচৰ চাপি গ'লেই সিহঁতে সন্দেহ কৰিব। আমাক মাৰি পেলাবও পাৰে।'

পৰাগেও অতনুৰ কথাষাৰ ভাবি চালে। অতনুৱে হয়তো ঠিকেই কৈছে। এনেকুৱা ধৰনৰ মানুহৰ কোনো বিশ্বাস নাই। কিন্তু ভাবি ওৰ নাপালে ক'লৈ যাব ধৰিছে মানুহ দুটা। এই পথটো আঁতৰত দুটা ভাঁজ লৈছে। এটাৰে চহৰৰ বাহিৰলৈ যাব পাৰি। আনটো পথ চহৰৰ ভিতৰলৈ সোমাই গৈছে। সিহঁত যাব ক'লৈ ভাবি ওৰ নাপালে পৰাগে।

তেনেতেই আচম্বিতে ঘটি গ'ল কাণ্ডটো।

পৰাগ আৰু অতনু সমূলি সাজু নাছিল তেনে এটা ঘটনালৈ।

সিহঁতৰ সন্মুখৰ দিশৰ পৰা গাড়ী এখন অহাৰ উমান দুয়োটাই পাইছিল। গাড়ীখনৰ হেডলাইটৰ পোহৰ দেখিছিল প্ৰথমে। অলপ পিছতে সিহঁতৰ কাষেদিয়েই পাৰ হৈ গ'ল গাড়ীখন। এম্বেচাডৰ গাড়ী এখন। অতি ধীৰ গতিৰে পাৰ হৈ গৈছিল গাড়ীখন। সিহঁতক অতিক্ৰম কৰিয়েই গাড়ীখন হঠাতে বৈ গ'ল। গাড়ীখন এইবাৰ পিছুৱাই আহিল। এইবাৰ যেন ইয়াৰ দুৰ্ব্বাৰ গতি। পৰাগহতঁক অতিক্ৰম কৰি গাড়ীখন মানুহ দুজনৰ ওচৰতে বৈ গ'ল। পৰাগে এইবাৰ অঘটন এটা ঘটিব ধৰাৰ উমান পালে। সি দেখিলে গাড়ীখন বৈ যোৱাৰ লগে লগে মানুহ দুটাও তীব্ৰ গতিৰে কাষৰ গলী এটাৰে ভিৰাই লৰ দিছে। সেই ৰহস্যময় গাড়ীখনো ততালিকে সেই অন্ধকাৰ গলীটোৰে সোমাই গ'ল।

ইমান কম সময়ৰ ভিতৰতে ঘটনাটো ঘটি গ'ল যে পৰাগ আৰু অতনু বিবুধিত পৰিল। অতনুৱে বেছ ভয় খালে। সি পৰাগক এখন হাতেৰে টান মাৰি ধৰি ক'লে'পৰাগ! পলা। সেই গাড়ীখন উভতি আহিলে প্ৰথমে আমাকেই ধৰিব।'

সিহঁত দুটা সেই গধুলিয়েই আমাৰ ঘৰ পাইছিল।

এই ফুট গধূলিতে হঠাতে সিহঁতক আমাৰ ঘৰত দেখি মই বিচুৰ্ত্তি খালো। অকল অতনুৱেই নহয়,পৰাগেও তেতিয়া ফোঁপাই আছিল। ঘৰত তেতিয়া মা আৰু দেউতা কোনো নাছিল। গতিকে সিহঁতে নির্ভয়ে মোক আদ্যোপান্ত বিবৰি কৈছিল।

মই সকলো শুনি মাত দিলো 'এতিয়া তহঁত দুটা সাৱধান হবি।'

'তয়ো সাৱধানে থাকিবি।'

'মোৰ কাৰণে চিন্তা নকৰিবি। কিন্তু তহঁত দুটাই এতিয়া অকলে ঘৰলৈ যাব পাৰিবি জানো?'

অতনুৱে দীঘলকৈ উশাহ এটা লৈ মোলৈ চালে।

মই বুজিলো সি সচাঁকৈয়ে ভয় খাইছে।

'চিন্তা নকৰিবি। মই হৰেনক মাতি আনো। সি তঁহত দুয়োতাকে ঘৰত থৈ আহিব।'

মই হৰেনক মাতিবলৈ যাব লগা নহ'ল। ঠিক তেতিয়াই হৰেন এহাতত ধূনাৰ মলাটো লৈ মোৰ কোঠালৈ সোমাই আহিছিল। অসময়ত অতনু আৰু পৰাগ দুয়োটাকে দেখি হৰেন যেন বেছ আচৰিত হ'ল। মই হৰেনক চাই ক'লো 'হৰেন! ইহঁতক ঘৰত থৈ আহিব লাগিব। এই গধূলিখন অকলে যাবলৈ ভয় খাইছে।'

'নহয়...ঠিক ভয় নহয়....মানে....'

'হ'ব দিয়া। চিন্তা নকৰিবা। মই বাৰু তোমালোকক থৈ আহিম।'এইবাৰ ধূনাৰ মলাটো মোৰ পঢ়াৰ টেবুলৰ তলত থৈ হৰেনে ক'লে'বলা তেন্তে।'

অতনু আৰু পৰাগে মোক মাত লগাই ওলাই গ'ল। হৰেন সিহঁতৰ পিছে পিছে ওলাই গ'ল যদিও আকৌ উভতি আহি মোক ফুচ ফুচাই সুধিলে 'কিবা কাণ্ড ঘটিছে নেকি?'

'ঘটিছে। পিছত ক'ম।'

নিশা মোৰ পৰা বৰ্ণনাটো শুনি হৰেনে ক'লে'তেনেহ'লে তৃতীয় পক্ষৰো আর্বিভাৱ ঘটিছে।'

'তৃতীয় পক্ষ?'

'শুনা।'হৰেনে আৰম্ভ কৰিলে'প্ৰথমে নাম ল'ব লাগিব সোমন গগৈ আৰু তেওঁৰ সেই পোহনীয়া গুণ্ডা দুটা যিয়ে গোপনে ৰক্তিম ৰত্নৰ সন্ধানত নামিছিল। তেওঁলোক হ'ল প্ৰথম পক্ষ। আমিও ৰক্তিম ৰত্নৰ পিছত লাগিছো,গতিকে আমি হ'লো দ্বিতীয় পক্ষ। সেই এম্বেচাডৰ খনত অহা মানুহ কেইজন বোধনহতঁৰ পিছত লাগিছে যেতিয়া তেওঁলোক হ'ল তৃতীয় পক্ষ। বুজিলানে?'

মই সেইদিনা মূৰ দুপিয়ালো যদিও একোকে বুজি পোৱা নাছিলো। মই সচাঁকৈয়ে বিপাঙত পৰিছিলো। একো উৱাদিহ পোৱা নাছিলো। সকু ঘটনা এটায়ে যে এতিয়া ডাঙৰ হৈ আহিব ধৰিছে সেইয়া অৱশ্যে অনুভৱ কৰিব পাৰিলো। একোবাৰ মনলৈ দুঃশ্চিন্তা কিছুমানে ভুমুকি মাৰে। আমাৰ একো বিপদ নঘটেতো!! এই দুঃশ্চিন্তাই মোৰ মনটো উতপ্ত কৰি তুলিছিল। আৰু সেই দেখিয়ে হবলা স্বপ্নাক ইমান ওচৰতে লগ পায়ো মোৰ মনটো আজি উত্ৰাৱল হৈ পৰা নাছিল।

'সচাঁকৈয়ে এনেকুৱা জীৱনহে মোৰ খুব ভাল লাগে।'স্বপ্নাই বহীখন ৰেকডালত থৈ লেনিয়াই কৈ মোৰ ফালে চাই হঠাতে মাত দিলে। স্বপ্নাৰ কথাতহে কোঠাটোৰ পৰিবেশ আকৌ যেন জীৱন্ত হৈ উঠিল। স্বপনে কথাখিনি শুনি ভনীয়েকলৈ চাই ভেকাহী এটা মাৰি কিবা এযাৰ ক'বলৈ ওলাইয়ো আধা কোৱাকৈ ৰৈ গ'ল।

'কি হ'ল তোৰ?' মই সুধিলো।

'এটা কথা মন কৰিছনে?'স্বপনে গহীনাই সুধিলে।

'কি কথা?' স্বপনৰ কথাৰ সুৰত মই ৰহস্যৰ গোন্ধ পালো।

স্বপনে দীঘলকৈ উশাহ এটা লৈ চকীখনত আঁউজি বহিল। এইবাৰ সি টোপোলাটোৰ পৰা কাগজ এখিলা উলিয়াই লৈ মেজখনত মেলি দিলে। মোলৈ চাই সি ক'বলৈ আৰম্ভ কৰিলে' এই কাগজখিলা ভালদৰে এবাৰ চাই ল। অকোৱা পকোৱা ৰেখা এডাল দেখিছনে? মোৰ মনত ভাৱ হৈছে এই ৰেখা ডালেই হ'ল তই দেখা পোৱা সেই নিজৰাখন। তই অলপ ভালদৰে চালে দেখিবি ৰেখাডালৰ গুৰিতে অকনমান নীলাৰঙ খুউব অস্পষ্টকৈ বিৰিঙি আছে, আমাৰ

ভূগোলৰ মেপ এখনত যেনেকৈ থাকে ঠিক তেনেদৰে। তই চাছোন এবাৰ।'

মই কাগজখিলা এবাৰ চালো। স্বপ্নায়ো দুবাৰমান জুমি চালে।

'হয়নে?'

'নীলা ৰঙ অকনমান আছে অৱশ্যে। কিন্তু...'

'ইয়াত কোনো কিন্তু ফিন্তু নাই। সেই নিজৰাখনৰ পাকবোৰৰ লগত এই ৰেখাডালৰ পাকবোৰ যদি হুবহু মিলি যায় ....'

'মিলিব জানো?'

'সেইয়া আকৌ মই কেনেকৈ জানিম?'

'জনাৰ পথ এটা আছে।'

'কি?'স্বপন আৰু স্বপ্নাই দুয়োটাই প্ৰায় একেলগে সুধিলে।

'আমি সেই ঠাই টুকুৰালৈ যাব লাগিব। লগত এই মেপখন নিব লাগিব। নিজৰাখনৰ পাকবোৰৰ লগত মেপৰ ৰেখাডাল মিলাই চাব লাগিব। কষ্ট হ'ব আমাৰ। কিয়নো পাহাৰ টিলা এই সকলো বগাব লাগিব।'

মোৰ কথা শুনি দুয়ো খন্তেকপৰ নিমাতে ৰ'ল। সেই মৌনতা ভংগ কৰি স্বপ্নায়ে প্ৰথমে সুধিলে'কেতিয়া যাবা?'

'ক'ব নোৱাৰো কেতিয়া যাব পাৰিম।'

'কিয়?'

'শুনা। এতিয়া পটভূমিত অকল আমি দুটা পক্ষই নহয়,আৰু এটা অজান তৃতীয় পক্ষ সোমাইছে। কোন সেই তৃতীয় পক্ষ আমি নাজানো। আমাকো চিনি পায় নে নেপায় তাকো নাজানো। এটা কথাই গম পাইছো সেই তৃতীয় পক্ষই বোধন আৰু প্ৰকাশক বিছাৰি ফুৰিছে। অলক্ষিতে সিহঁতে আমাক এটা উপকাৰো কৰি পেলাইছে।'

স্বপন আৰু স্বপ্না দুয়োটা নীৰৱে মোৰ কথা শুনি গ'ল। সিহঁতে মোক প্ৰশ্ন সুধিবলৈকো যেন পাহৰি গ'ল। ময়ো হয়তো ক'বলৈ আৰম্ভ কৰিলো হেঁতেন আমি কেনেকৈ বিছাৰি উলিয়াম সেই অমূল্য ৰক্তিম ৰত্নটি....

আৰু তেতিয়াই মা কোঠালৈ সোমাই আহিছিল। মায়ে হয়তো কল্পনাও

কৰিব পৰা নাছিল স্বপ্নাহতঁক মোৰ কোঠাত দেখা পাব বুলি। মা হঠাতে সোমাই অহা দেখি আমি অপ্ৰস্তুত হৈছিলো।

'মই চিন্ময় অকলেই আছে বুলিহে ভাবিছিলো। তোমালোক কেতিয়া আহিলা? মই গমেই পোৱা নাই। হৰেনে চাহ জলপান দিছে নে?'

'অ। হৰেনে অলপ আগেয়ে গাখীৰ দি গৈছিল।'স্বপ্নাই তপৰাই মাত দিলে। তেনেতেই মাৰ টেবুলত পৰি থকা কাগজ কেইখিলালৈ চকু গ'ল। স্বপ্নাই হয়তো অনুমান কৰি থৈছিল মায়ে সেই আঁও পুৰণি কাগজ কেইখিলাৰ কথা সুধিব বুলি। সেয়েহে তাই ততালিকে অন্য এটা প্ৰসংগ উলিয়ালে। মায়ে স্বপ্নাৰ লগত কিছুসময় কথা পাতি ক'লে'গধুলিয়েই হ'ল। তোমালোক এতিয়া যোৱাগৈ। নহ'লে মাৰাই খণ্ড কৰিব। এই চিন্ময় ! তই আগবঢ়াই থৈ আহিবি। চাবি কিন্তু বেছি দূৰলৈ নাযাবি। চাৰিআলিৰ মুখৰ পৰা উভতি আহিবি।'

কথাখিনি কৈ মা গুছি গ'ল।

মই কিন্তু চাৰিআলিৰ মুখৰ পৰা নহয়, স্বপনহতঁৰ ঘৰলৈকে সিহঁতক থৈ আহিলো। স্বপনহতঁৰ ঘৰটো আমাৰ ঘৰৰ পৰা প্ৰায় পোন্ধৰ মিনিটৰ বাট। আজি যে কেতিয়া সেই পোন্ধৰ মিনিট পাৰ হৈ গ'ল মোৰ খেয়ালেই নাথাকিল। স্বপনহতঁৰ ঘৰৰ কাঠৰ গেটখনৰ মুখতে ৰৈ মই ক'লো'মই চাৰিআলিৰ মুখলৈকেহে আগবঢ়াই থোৱাৰ কথা আছিল। কিন্তু এতিয়া তহঁতৰ ঘৰৰ মুখেই পালোহি।'

'তই যাগৈ এতিয়া।'স্বপনে ক'লে।

স্বপন ভিতৰলৈ সোমাই গ'ল। সি সোমাই যোৱাৰ পিছত মই স্বপ্নালৈ চালো। গেটখনৰ কাঠছটাত ধৰি স্বপ্নাই অনুচ্চ কণ্ঠেৰে সুধিলে'অহাকালি আহিবানে?'

'আহিম। স্কুল ছুটীৰ পিছতেই আহিম।'

স্বপ্না ভিতৰলৈ ভিতৰলৈ সোমাই যোৱাৰ পিছত ময়ো উভতি খোজ ল'লো। গধূলি হৈ আহিছে এতিয়া। আকাশত জোনটোও ওলাইছে। ডাৱৰ থকা কাৰণেই হয়তো জোনৰ জোনাক দেখা পোৱা নাই। পথৰ টিউব লাইট কেইটা জ্বলি উঠাৰ কাৰণে অন্ধকাৰ আঁতৰি গৈছে। পথত এতিয়া কোনো ভিৰ নাই। দুই এখনহে গাড়ী অহা যোৱা কৰিছে। চাৰিআলিটো পাৰহৈ পোনে পোনে আগবাঢ়ি

গ'লে আমাৰ ঘৰলৈ বেছি পৰ নালাগে। কিন্তু সোহাঁতে ঘূৰি কিছু দূৰ গ'লে সোমন গগৈৰ ঘৰটো পোৱা যায় বুলি অৰূপে কৈছিল। এতিয়া আহি থাকোতে হঠাতে সোমন গগৈৰ কথা মনলৈ অহাৰ লগে লগে কিয় জানো মোৰ মনটো অস্থিৰ হৈ পৰিল। ময়ো এবাৰ সোমন গগৈৰ ঘৰটো চোৱা উচিত হ'ব। হয়তো আৰু আধা ঘন্টামান দেৰী হ'ব পাৰে। এই আধা ঘন্টা দেৰী হ'লে মা হয়তো চিন্তিত নহ'ব!

চাবি আলিটো পাই মই সোঁহাতে ঘূৰিলো। এই খিনি পথত লাইট নাই। সেয়েহে পথটো অন্ধকাৰ। তথাপিও সোমন গগৈৰ ঘৰ ওলাওঁতে মোৰ অসুবিধা নহ'ল। সচাঁকৈয়ে সোমন গগৈৰ ঘৰটো এটা ৰাজ অট্টালিকা। চৌহদটোও বেছ ডাঙৰ। সমগ্ৰ চৌহদটো এতিয়া অন্ধকাৰত ডুব খাই আছে। ব্যতিক্ৰম হিচাপে মাথো ওপৰ মহলাৰ কেইটামান কোঠাতহে লাইট জ্বলি আছে।

মই সোমন গগৈৰ ঘৰৰ পাৰ হৈ কিছু দূৰৈত ৰৈ গ'লো। আঁতৰত সৰু দোকান এখন। অৰূপহতেঁ এইখন দোকানৰ কথাকে হয়তো কৈছিল। মই দোকানখনৰ ওচৰ চাপি যাওঁতে মন কৰিলো দোকানখনৰ পৰা দহফুটমান আঁতৰত লাইট পোষ্ট এটাৰ আঁৰত মানুহ এজন ৰৈ সোমন গগৈৰ ঘৰটোলৈ যেন চাই আছে। মানুহজন বেছি ওখ নহয়,চাপৰ। পাচঁফুটমান ওখ হ'ব কিজানি। যৎকিঞ্চিত আৰু ওখও হ'ব পাৰে। মানুহজনে দোকানখনক পিঠি দি ঘৰটোলৈ মুখ কৰি আছে। অন্ধকাৰ কাৰণে মানুহজনক চিনি নাপালো। এই অৱস্থাত তেওঁ মোকো দেখা নাই পোৱা নাই হবলা। কিন্তু মই দুখোজমান আগুৱাই অহাৰ সময়ত তেওঁ এবাৰ মূৰটো ঘূৰাওঁতে মোক দেখা পালে। মানুহজনে মোক ধীৰ গতিত আগুৱাই অহা দেখি নিজেও দুখোজ আগুৱাই আহিল।

'কোন?' মোক সুধিলে তেওঁ।

মানুহজনৰ কণ্ঠস্বৰ শুনি ভাব হ'ল এইয়া এজন প্ৰাপ্তবয়স্কৰ মাত হ'ব নোৱাৰে। এনেকুৱা মিহি মাত মোৰ কাণসমনীয়া কাৰোবাৰহে হ'ব পাৰে। দুধোৰ মূধোৰত পৰি ময়ো দুখোজ আগুৱাই গ'লো।

মানুহজনলৈ চালো। হয়, মই ঠিকেই অনুমান কৰিছিলো। তেঁৱো এজন

কিশোৰ। বয়স হয়তো পোন্ধৰ বছৰমানেই হ'ব।

'কোন তুমি?' আকৌ সুধিলে ল'ৰাজনে।

'মই?'

'অ। তোমাৰ কথাকে সুধিছো।' এইবাৰ বেছ গহীনাই সুধিলে।

'মোৰ নাম চিন্ময়। চিন্ময় দত্ত। আৰু তুমি?'

'মই মনজিৎ ফুকন। গৱৰ্ণমেন্ট হাইস্কুলত পঢ়ো।'

কেইটামান মূহূৰ্ত নীৰৱে গ'ল। ইয়াৰ পিছত কেনেকৈ যে সম্পূৰ্ণ অচিনাকী ল'ৰাজনৰ লগত মই বহুদিনৰ চিনাকীৰ দৰে কথা বতৰা ক'বলৈ আৰম্ভ কৰিলো নিজেই ক'ব নোৱাৰিলো। এখন্তেকৰ চিনাকীতে মনজিৎৰ লগত কথা পাতি মোৰ ভালেই লাগিল। সিয়ো দশম শ্ৰেণীতে পঢ়ে কাৰণেই হ'বলা আমাৰ মাজত বন্ধুত্ব বেছ জমী উঠিল। কথাৰ মাজতে মনজিতে সুধি পেলালে 'তুমি ক'লৈ আহিছিলা ?'

মই বিপাঙত পৰিলো। মনজিতক মই এতিয়া কেনেকৈ কওঁ মই ক'লৈ আহিছিলো,কিয় আহিছিলো। মই আঁৰ চকুৰে মনজিতলৈ চালো। মনজিতৰ মুখৰ নিষ্পাপ অভিব্যক্তি দেখি ফাঁকি দিবলৈ সত নগ'ল। মই উত্তৰ দিলো 'মই এই সন্মুখৰ ঘৰটোলৈ আহিছিলো।'

'এই প্ৰকাণ্ড ঘৰটোলৈ?' মনজিতৰ যেন বিশ্বাস নহ'ল।

'অ।'

'কাৰ ঘৰ জানানে?'

'অ। ঘৰৰ মালিক জন হ'ল সোমন গগৈ।'

'কিমান ধনী মানুহ জানানে?'

'অ। আমাৰ চহৰৰ আটাইতকৈ ধনী মানুহ।'এইবাৰ মই সুধিলো 'তুমি কিন্তু ক'লৈ আহিছিলা এতিয়াওঁ কোৱা নাই। আৰু চোৰৰ দৰে কিয় তেনেকৈ ঠিয় হৈ আছিলা সেইয়াওঁ কোৱা নাই।'

মনজিৎ থতমত খালে। সি হয়তো মোৰ প্ৰশ্নটোলৈ প্ৰস্তুত নাছিল।

'মই চোৰ নহয়। চুৰ কৰিবলৈ হ'লে অকলে তেনেকৈ বৈ থাকিলো হেঁতেন

নেকি?'কিছুবেলিৰ মূৰকত মনজিতে ক'লে।

মনজিতৰ কথাৰ সুৰত মই ৰহস্যৰ গোন্ধ পালো। মই সুধিলো'তেতিয়া হ'লে কিয় তেনেকৈ বৈ আছিলা ?'

'কাৰণ অৱশ্যে আছে।'

'কি কাৰণ?'

'কাৰণটো ঘৰুৱা। তোমাক ক'লে তুমি হয়তো বিশ্বাসেই নকৰিবা।'

'এই দহমিনিটৰ চিনাকীতে তোমাক মিছা কথা কোৱা লোক যেন লগা নাই।'

'তেন্তে শুনা।'মনজিতে আগতকৈ আৰু অনুচ্চ কণ্ঠেৰে ক'লে'এই সোমন গগৈ আমাৰ চিনাকী। অকল চিনাকীয়ে নহয়, তেওঁ আমাৰ আত্মীয়। সমন্ধত আমাৰ মোমাইদেউ হয়। তেওঁ এজন ধনী মানুহ হ'লে কি হ'ব ,আচলতে তেওঁ এজন গভাইত চোৰ।'

'কিয় তেনেকৈ ক'লা? তেওঁ তোমাৰ কি বস্তু চুৰ কৰিছিল?'

'মোৰ বস্তু নহয়। আমাৰ ঘৰৰ।'

মই বিপাঙত পৰিলো। সোমন গগৈ অকল আমাৰ এই চহৰখনৰেই নহয়,অসমৰেই এজন লেখত লবলগীয় ধনী লোক। তেনে মানুহ এজনে কিহৰ কাৰণে চুৰ কৰিব যাব! মনজিতৰ কথা মোৰ বিশ্বাস নহ'ল।

'সোমন গগৈয়ে আমাৰ ঘৰৰ এটা অমূল্য বস্তু চুৰ কৰিছিল। ইয়াৰ কিমান মূল্য হ'ব মই নাজানো। আনকি আমাৰ কল্পনাৰো অগোচৰ।'

মনজিতৰ কথাত মই সম্মোহিত হ'লো। মোৰ মনটোৱে ক'লে মনজিত যেন আমাৰ এটা হেৰুৱা যোগসুত্ৰ। ভগৱানেই যেন সদয় হৈ মনজিতক মোৰ সন্মুখত ঠিয় কৰাইছে।

'মই একো বুজি পোৱা নাই মনজিত।'

'তুমি নবুজিবা। ময়ো বুজি পোৱা নাছিলো পোনপ্ৰথম বাৰ মাৰ মুখ কাহিনীটো শুনি।'

'কি কাহিনী?'

'এইয়া এক গোপন কাহিনী। অবিশ্বাস্য যেন লাগিব, কিন্তু সচাঁ কাহিনী। চমুকৈ ক'বলৈ গ'লে আমাৰ পৰিয়ালৰ এক পৰম মূল্যবান ৰত্ন এই সোমন গগৈয়ে ছলে বলে হস্তগত কৰিছিল।' মনজিতে বেছ লাহে লাহে আবেগিক হৈ কথাখিনি কৈ থাকি হঠাতে ৰৈ গ'ল। ঠিক সেই সময়তে এস্কোচাডৰ গাড়ী এখন সোমন গগৈৰ ঘৰৰ গেটখনৰ ওচৰত ৰৈ গ'ল। মনজিতে এইবাৰ নিঃশ্চুপ হৈ মৌলৈ চালে। গাড়ীখন ৰৈ যোৱাৰ দৃশ্যটো মোৰো চকুত পৰিছিল । কিন্তু ইয়াৰ পিছৰ দৃশ্যটোৱেহে মোক বিবুধিত পেলালে। গাড়ীখনৰ পৰা চাৰিজন মানুহ নামিছিল। গাড়ীৰ হেডলাইট তেতিয়াওঁ জ্বলি থকাৰ কাৰণে মানুহ কেইজনৰ অৱয়ব মোৰ চকুত ধৰা পৰিছিল। কিন্তু এজনৰ অৱয়বটো ভালদৰে চাব পৰাৰ আগতেই গাড়ীৰ হেডলাইট দুটা নুমাই থাকিল। তেওঁৰ পিছফালটো ছয়াময়াকৈ হে মোৰ চকুত পৰিল। কিন্তু.....

মানুহজনৰ চেহেৰাটো মোৰ চিনাকী যেন লাগিল। ক'ৰবাত যেন তেওঁক মই দেখিছিলো! ক'ত কেতিয়া দেখিছিলো মনত পেলাব নোৱাৰিলো। মই অন্যমনস্ক হৈ থকাৰ কাৰণেই হবলা মানুহকেইজন কেতিয়া গেট খুলি ভিতৰলৈ সোমাই গ'ল মোৰ খেয়ালেই নহ'ল। তেওঁলোকৰ পিছে পিছে গাড়ীখনো ভিতৰলৈ সোমাই যাওঁতেহে মই সম্বিত ঘূৰাই পালো।

'চিন্ময় !'

'হু !'

'তুমি হঠাতে বেছ চিন্তিত হৈ পৰা যেন ভাব হৈছে।'

'মই .....মানে ...এনেয়ে....'

'এনেয়ে বুলি মই বিশ্বাস নকৰো। কাৰণ নিশ্চয় কিবা এটা আছে। আৰু কাৰণ এটা থকাৰ কাৰণেই এই গধূলিখন এই খিনি ঠাইলৈ আহিছা।'

মোৰ এবাৰ ভাব হ'ল মনজিতক মই কিহৰ কাৰণে ইয়ালৈ আহিছো কোৱাটো উচিত হ'ব। আচল কাৰণটো ক'লে মনজিতে বিশ্বাস নকৰাৰ সম্ভৱনাই বেছি । কিন্তু মনজিত নিজে ইয়ালৈ কিয় আহিছে সেইটো নজনাকৈ মই একো নোকোৱাই উচিত হ'ব বুলি ঠিক কৰিলো। মনত মোৰ দুঃশ্চিন্তাও নোপোজা নহয়। সোমন

গগৈৰ দৰে ধনী মানুহ এজনে মনজিতহঁতৰ অমূল্য বস্তু হলেও কিয় চুৰ কৰিব যাব!!

অৱশেষত মই সুধিলো'মনজিত! সচাঁকৈ কোৱাছোন সোমন গগৈয়ে তোমালোকৰ কি বস্তু চুৰ কৰিছিল?'

মনজিতে গভীৰ হুমুনিয়াহ এটা পেলাই অন্ধকাৰত ডুব খাই থকা প্ৰাসাদোপম ঘৰতোলৈ চাই আকৌ মোৰ মুখলৈ চালে। কিছুসময় নীৰৱে ৰৈ কিবা ভাবি আপোন মনেৰে কৈ গ'ল'কিছু সময় আগলৈকে তুমি মোৰ অচিনাকী আছিলা। ময়ো তোমাৰ চিনাকী নাছিলো। আমাৰ চিনাকী মাথো দহ মিনিটৰ। এই কম সময়তে মোৰ ভাব হৈছে তুমি যেন মোৰ বহুদিনৰ চিনাকী বন্ধু। অকল বন্ধুৱে নহয় তোমাক মোৰ এজন প্ৰকৃত বন্ধু বুলি ভাব হৈছে। তোমাক আমাৰ পৰিয়ালৰ গোপন ৰহস্যৰ কথা ক'ম। তোমাৰ বিশ্বাস নহ'লেও মোৰ উপায় নাই। এতিয়া শুনা! সোমন গগৈয়ে আমাৰ ঘৰৰ পৰা মহা মুল্যৱান হীৰা এডোখৰ চুৰ কৰিছিল।'

'হীৰা?'মই এইবাৰ অবাক হ'লো । মনজিতে এইয়া কি ক'ব ওলাইছে?

'অ। আচৰিত নহ'বা। এডোখৰ মহা মূল্যবান হীৰা আছিল। দৈৱক্ৰমে আমাৰ উপৰি পুৰুষ এজনাৰ হাতত পৰিছিল সেই হীৰাডোখৰ। কেতিয়া আৰু কেনেকৈ সেই হীৰাডোখৰ আমাৰ পৰিয়ালৰ সম্পতি হ'ল কোনেও নাজানে। কিন্তু এটা কথা জানি থোৱা সেই অমূল্য ৰত্নডোখৰৰ ৰঙটো আছিল গাঢ় ৰঙা। আৰু সেই কাৰণে ইয়াৰ নাম কি দিয়া হৈছিল জানানে?'

'কি নাম ?'মোৰ উত্তেজনা তেতিয়া চৰম সীমাত।

'ৰক্তিম ৰত্ন।'

'কিন্তু.....মই জনাত.....'

'তুমি আকৌ আমাৰ ঘৰৰ ৰত্নডোখৰৰ কথা কেনেকৈ জানিবা?'

'মই জানো।'মোৰ চুটী উত্তৰ।

মনজিতে অবাক হৈ সুধিলে'তুমি কি জানা?'

'মই ৰক্তিম ৰত্ন নামৰ ৰত্ন এডোখৰৰ কথা জানো। আৰু এইটোও জানো যে সেই হীৰাডোখৰ এতিয়াও বিলুপ্ত হৈ আছে।'

মনজিত কিছুসময়লৈ বিস্ময়ত বিভোৰ হৈ ৰ'ল। উৎকণ্ঠা ভৰা কণ্ঠেৰে মনজিতে সুধিলে 'তুমি কেনেকৈ জানিলা?'

মই দুধোৰ মুধোৰত পৰিলো। অশেষ ভাবি চিন্তি অৱশেষত চমুকৈ ক'লো কেনেকৈ গাড়ী চলাবলৈ শিকোতে দুৰ্ঘটনা ঘটিল আৰু তেতিয়াই পুৰণি কাগজ কিছুমান পাই গম পালো ৰক্তিম ৰত্ন নামৰ এডোখৰ হীৰা ক'ৰবাত বিলুপ্ত হৈ আছে। সেই হীৰা ডোখৰ সোমন গগৈয়ে ছলে বলে উদ্ধাৰ কৰিবলৈ চেষ্টা কৰি আছে। সহায় লৈছে দুটা পোহনীয়া গুণ্ডাৰ।

মোৰ কথা শুনি মনজিতে আবেগতে মোক সাৱটি ধৰিলে।

'কি হ'ল মনজিত?'মনজিতৰ ভাৱান্তৰে মোক কৌতূহলী কৰিলে।

'তোমাৰ কাহিনী শুনি মোৰ মায়ে বৰ ভাল পাব।'

'কিয়?' মই সুধিলো।

মনজিতে হুমুনিয়াহ এটা পেলাই ক'লে'মায়ে মনত বেজাৰ পালে প্ৰায়ে দেউতাৰ কথা কয়।'

'তাৰমানে তোমাৰ দেউতা........'

'দেউতা মই সৰু থাকোতেই ঢুকাইছিল।'

'অহ!'

মনজিতে আকৌ ক'বলৈ আৰম্ভ কৰিলে'দেউতাৰ কথা ওলালেই মায়ে ৰক্তিম ৰত্নৰ কথা ক'বলৈ আৰম্ভ কৰে। কেতিয়াবা উপৰি পুৰুষ এজনাৰ কথাও কয়। শেষত কয় সোমন গগৈয়ে হীৰা ডোখৰ চুৰ কৰাৰ কথা।'

'কিন্তু হীৰাডোখৰটো মাটিৰ তলতে বিলুপ্ত হৈ আছে। তেনেস্থলত....'

'মোৰ মায়ে আমাক সৰু কালিৰে পৰা সেইবুলিয়েই কৈ আহিছে। মাৰ কথা শুনি শুনি মোৰ ভাব হৈছিল সোমন গগৈৰ হাতৰ পৰা সেই হীৰা ডোখৰ আনি মাৰ হাতত তুলি দিব পাৰিলেই যেন আমাৰ দুখৰ দিনবোৰ আঁতৰি যাব আৰু পুনৰ সুখৰ দিন আহিব।'

আবেগৰ প্ৰছন্নতাই মনজিতক বিহ্বল কৰি পেলালে।

মই নীৰব হৈ ৰ'লো।

হঠাতে সোমন গগৈৰ ঘৰটোলৈ চকু পৰাত চমকি উঠিলো। ওপৰ তলাৰ উত্তৰ কোণটোত থকা কোঠা এটাত লাইট এটা জ্বলি উঠিছে। কোঠাটোৰ খিৰিকীৰ পৰ্দাত তিনিজনমান মানুহৰ ছাঁ অস্থিৰ ভাবে লৰি চৰি থকা দেখা গৈছে। হয়টো কোঠাটোত তেওঁলোকে দ্রুতবেগে পায়চাৰী কৰি আছে।

কিছু সময়ৰ পিছতে লাইটকেইটা নুমাই থাকিল। আকৌ অন্ধকাৰে চৌদিশ নিমিষতে ছানি ধৰিলে,যেন এক প্ৰেতপুৰীহে।

'কি কৰিবা এতিয়া ?'

'এবাৰ ভিতৰলৈ যোৱাটোহে উচিত হ'ব। কিন্তু ঘৰটোৰ ভিতৰখনত ক'ত কি আছে মই একো নাজানো।'

'মই জানো।'

'তুমি ?'মই অবাক হ'লো।

'অ। ঘৰটোৰ ক'ত কি আছে মই সকলো জানো। তুমি অকনো চিন্তা নকৰিবা।'

'ব'লা তেন্তে।'

মনজিত দেৱালখনলৈ আগবাঢ়ি গ'ল। গত্যন্তৰ নেদেখি ময়ো পিছ ল'লো। দেৱালখনৰ উত্তৰ অংশত পথৰ লগতে গছ এডাল আছিল। গছ ডালেদি উঠি দেৱালখন পাৰ হৈ দুয়ো অন্ধকাৰ চৌহদত ভৰি দিলো। মনজিতে মোক এইবাৰ ঘৰটোৰ এচুকলৈ লৈ গ'ল। বেৰত থকা পানীৰ পাইপ এডাল দেখুৱাই মনজিতে সুধিলে'পাৰিবা উঠি যাব ?'

'পাৰিম।'

মই অতি সাৱধানেৰে পাইপ ডালেদি উঠি গৈ ঘৰটোৰ ওপৰ মহলাৰ অন্ধকাৰ বাৰাণ্ডা এখনত ভৰি দিলো। কিছু সময়ৰ পিছতে মনজিতো উঠি আহিল।

মনজিতে চাৰিওফালে চাই মোক সোঁফালে আঙুলিয়াই দেখালে।

এটা দীঘল অন্ধকাৰাছন্ন কৰিডৰ মোৰ চকুত ধৰা পৰিল। কৰিডৰটোৰ সিটো মূৰ এটা কোঠাত শেষ হৈছে। কোঠাৰ দুৱাৰখন কিছু ফাঁক হৈ আছে। এটা কম পোহৰৰ লাইট জ্বলি আছে কোঠাটোত। সেই কোঠাটোৰ পৰায়ে কাৰোবাৰ কণ্ঠস্বৰ ভাঁহি আহিছে। মনজিত আৰু মই চাৰিওফালে সৰ্তক দৃষ্টি বুলাই

কেইখোজমান দি বৈ গ'লো। এইবাৰ কাৰোবাৰ গলগলীয়া কণ্ঠস্বৰ মোৰ কাণত পৰিল'আপুনি কি বিছাৰিছে?'

কোনোবাই উচ্চস্বৰত হাঁহিলে। প্ৰত্যুত্তৰত পিছে একো নক'লে।

প্ৰথম কণ্ঠস্বৰটো এইবাৰ আকৌ মোৰ কাণত পৰিল'শুনক! মোক ভয় দেখুৱাই একো লাভ নাই। মই ভয়াতুৰ নহয়।'

'এইয়া সোমন গগৈৰ মাত।'মনজিতে কাণে কাণে ক'লে।

তেনেতে মোৰ কাণত পৰিল কোনোবাই লঘু স্বৰেৰে কৈছে'কোনে কৈছে আপোনাক ভয় দেখুৱা বুলি। মই মাত্ৰ কথাবোৰহে জানিব খুজিছো।'

মোৰ ভাব হ'ল এই কণ্ঠস্বৰ যেন মোৰ চিনাকী। কিন্তু কাৰ কণ্ঠস্বৰ?

'চাওঁক গগৈ! আপুনি বোধন আৰু প্ৰকাশক কি কামত গোপনে লগাইছে মই জানো। মই বহু কথাই জানো । কি কথা জানো ক'ব লাগিব নেকি?'

'কি?'সেইয়া গগৈৰ কণ্ঠস্বৰ।

'বোধন আৰু প্ৰকাশে যোৱা সপ্তাহত এজন স্কুলীয়া ল'ৰাক বেয়া ধৰনে আঘাট কৰিলে। ল'ৰাজন সেই আঘাটতে মৰিল। মই কেচটো কৰ্টত তুলিম বুলি ভাবিছো। জানেইতো তেতিয়া আপোনাৰ নামটো প্ৰকাশ পাব। মাৰ্ডাৰ কেচ যেতিয়া এৰেষ্ট কৰিবই লাগিব। জামিন পোৱাৰ সম্ভৱনাও নাথাকিব। গতিকে...'

বুজিলো মানুহজনে মোৰ কথাকে কৈছে। মোৰ কথা কেনেকৈ গম পালে। কৰ্টত উকীলেহে কেচ তুলে। মানুহজন দেউতাৰ কোনোবা চিনাকী বন্ধু নহয়তো! সেই দেখিয়ে হয়তো মাতটো মোৰ চিনাকী যেন ভাব হৈছে!!

'আপুনি মোক ব্লেকমেইল কৰিছে।'গগৈৰ ক্ৰুদ্ধ কণ্ঠস্বৰ মোৰ কাণত পৰিল।

'সেই বুলিয়েই ক'ব পাৰে। আৰু এটা কথা। এই ভয়ংকৰ বিপদটোৰ পৰা বচাৰ উপায় এটাও আছে।'

'কি?'

'মই জানো আপোনাৰ হাতত ৰক্তিম ৰত্ন বিলুপ্ত হৈ থকা ঠাইখনৰ সঠিক মেপখন আছে। মই বোধনহতঁৰ মুখতে শুনিছো। এতিয়া সেইখন আপোনাৰ

হাতত থাকিলেও একো লাভ নাই। আপুনি গোপনে সেই মেপখনৰ সহায়ত ৰক্তিম ৰত্নৰ উদ্ধাৰৰ অলীক সপোন দেখি আৰু কোনো লাভ নাই। সেইকাৰণেই কৈছো মেপখন মোক দি দিয়ক।'

'নিদিওঁ,কোনোপধ্যেই নিদিওঁ।'

'তেতিয়া হ'লে মোৰ হাতত অইন কোনো উপায় নাথাকিব। মই অহাকালিয়েই কেচটো মই কৰ্টত তুলিম ।'

'যি কৰে কৰকগৈ। মইতো আপোনাক বাধা দিব যোৱা নাই। আৰু শুনক! মোৰ কামতো কোনেও বাধা দিব নোৱাৰে। সিমানখিনি শক্তি কাৰোৰে নাই।'

'মোৰ আছে।'

সোমন গগৈয়ে কি ক'লে মোৰ কাণত নপৰিল। অলপ পিছতে পুনৰ গলগলীয়া মাতটো মোৰ কাণত পৰিল'তেতিয়া হ'লে আপোনাৰ কথা মই চৰকাৰক জনাই দিম।'কিছুসময় নীৰৱে থকাৰ পিছত সেই ৰহস্যময় কণ্ঠস্বৰ আকৌ শুনিলো'চাওঁক গগৈ! এইবোৰ গাইগুটীয়াকৈ কৰা কাম নহয়। কৰিলেও অতি গোপনে কৰিব লাগে। আপোনাৰ পদক্ষেপ ভুল হ'ল। আজি মই গম পালো। অহাকালি অইন এজনে গম পাব। তেতিয়া কি হ'ব জানে? কিবা প্ৰকাৰে ৰক্তিম ৰত্নটো উদ্ধাৰ কৰিব পাৰিলেও আপুনি ৰাখিব নোৱাৰিব।'

'কিয়?'

'চৰকাৰে লৈ ল'ব ৰক্তিম ৰত্ন। সেইকাৰণেই কৈছো আমি দুয়ো একেলগে আগবাঢ়ো। আপোনাৰো মংগল,লগতে মোৰো লাভ।'

আকৌ অলপ সময়ৰ কাৰণে নীৰৱতা।

'কি ভাবিছে গগৈ?'

'আপোনাৰ কথাকে ভাবিছো।'

'কি ঠিক কৰিলে?'

গগৈয়ে কি ক'লে মই নুশুনিলো।

'তেন্তে সদ্যহতে মোক মেপখন দিয়ক।'

'মেপ?'

'অ। সেই বিৰাট অটব্য অৰণ্যখনৰ প্ৰতি ইঞ্চি মাটি খান্দি হীৰা বিছাৰিব লাগিলে যুগ যুগান্তৰ লাগি যাব।'

'মোৰ হাততটো মেপখন নাই। মই বোধনহতঁক মেপখন দি দিছিলো। কিন্তু সিহঁতে হেৰুৱাই পেলালে। সিহঁতে এবাৰ কয় মেপৰ টোপোলাটো ল'ৰাটোৱে ক'ৰবাত পেলাই দিলে। আৰু একোবাৰ কয় টোপোলাটো নিজৰাৰ পানীত উটি গ'ল।'

'মোক সিহঁতে আপোনাৰ হাততে সকলো থকা বুলিহে কৈছে।'

'সিহঁতে ফাঁকী দিছে।'

'যদি সিহঁতৰ কথা সচাঁ হয় তেন্তে আমি পাত পাতকৈ সেই গোটেই অঞ্চলটো বিছাৰি টোপোলাটো উলিয়াব লাগিব। তাৰপিছতহে.....'

মোৰ সৰ্ব্বাংগ কঁপি উঠিল।

তাৰমানে মই এখন অমূল্য মেপৰ মালিক যিখনৰ আঁক বাকবোৰৰ আঁৰত আছে এক ৰহস্যময় স্থানৰ সম্ভেদ। সেই ঠাই টুকুৰাৰ এচিকুটমানৰ সম্ভেদ পালেই মই ৰক্তিম ৰত্নটো উদ্ধাৰ কৰিব পাৰিম। কিন্তু কেনেকৈ পাম সেই প্ৰশ্নটোৰ উত্তৰ মোৰ হাতত নাই।

'চিন্ময় !'

'কোৱা।'

'আমাৰ উভতিবৰ হ'ল।'

'ব'লা।' কথাষাৰ কৈ মই নৰ'লো। আকৌ পানীৰ পাইপ ডালেদি নামি আহি অন্ধকাৰ চৌহদখনত ভৰি দিলো। তেনেতে ওপৰ মহলাৰ কোনোবাই চিঞৰা শুনিলো'চাৰ! বাৰাণ্ডাত ল'ৰা এজন ঠিয় হৈ আছে।'

মোৰ সৰ্ব্বাংগ অজান আশংকাত কঁপি উঠিল। মই নিৰুপায় হ'লো। কি কৰিম এতিয়া! মনজিতৰ কাৰণে এতিয়া এই ঠাই টুকুৰাত ৰৈ থাকিলে মুৰ্খামী কৰা হ'ব। ময়ো ধৰা পৰি যাম যিকোনো মূহুৰ্তত।

'আৰে...... মনজিত তই !!'ওপৰ মহলাৰ বাৰাণ্ডাৰ পৰা সোমন গগৈৰ বিস্ময় সনা কণ্ঠস্বৰ মোৰ কাণত পৰিল।

'মানে...মই..এনেয়ে আহিলো....বহুদিন অহা নাছিলো..... 'মনজিতৰ কম্পিত কণ্ঠস্বৰ মোৰ কাণত পৰিল।

'ভালেই কৰিলি আহি.......'এখন্তেক পিছতে আকৌ শুনিলো'কিন্তু এই ৰাতিখন তই অকলে কিয় আহিলি? বাইদেউহতঁৰ ভালতো?'

মনজিতে কি উত্তৰ দিলে মই নুশুনিলো।

দুডালমান জোপোহা গছৰ আঁৰলৈ মই দেৱালৰ ওচৰ চাপি এবাৰ পিছ ফাললৈ ঘূৰি চালো। ওপৰ মহলাৰ বাৰাণ্ডাত তেতিয়া লাইট জ্বলি আছিল। বাৰাণ্ডাত কেইবা জনমান মানুহ চকুত পৰিল।

তাৰমাজত মনজিত আছে নে নাই লক্ষ্য কৰিবলৈ নৰ'লো।

(৫)

নিশা গভীৰ হৈ আহিছে। চৌদিশে নিঃস্তব্ধ পৰিবেশ এটা। মাজে মাজে ক'ৰবাৰ পৰা জিলীৰ মাত এটা কাণত পৰে। আকাশখন আজি ফৰকাল হৈ আছে। জোনৰ পোহৰ খোলা খিৰিকীৰ ফাঁকেৰে আহি মোৰ কোঠাত পৰিছেহি।

মোৰ টোপনি অহা নাই।

চিন্তা কিছুমানে মোৰ মনটো জুমুৰি ধৰিছে। সেইদিনা মই গাড়ী চলাবলৈ নিশিকা হ'লেই ভাল আছিল। শান্তিৰে থাকিব পাৰিলোহেতেঁন। দুঃশ্চিন্তাৰ কাৰণে মনটো অস্থিৰ হৈ পৰিছে। মনজিতৰ কথা মনত পৰিলে মোৰ মনটো আৰু বেছি অশান্ত হৈ পৰে। সি বাৰু কুশলে ঘৰ গৈ পালেনে এই প্ৰশ্নটোৱে মোক খুলি খুলি খাব ধৰিলে। মনজিতক সোমন গগৈয়ে বন্ধী কৰি থোৱা নাইতো!!

এটা সময়ত বেৰখনৰ ফালে গাটো সিকাতি কৰোতে হঠাতে কাণৰ কাষতে কোনোবাই মতা শুনিলো'চিন্ময় ভাইটি!'

ধৰফৰাই উঠি বিচনাখনতে বহি ল'লো। কোঠাটোত কোনো নাই। মই বিছনাখনৰ পৰা উঠি খিৰিকীৰ কাষলৈ গ'লো। আমাৰ ঘৰৰ চৌহদটো নিজম হৈ আছে। জোনাকৰ পোহৰত চৌহদটো স্পষ্টকৈ মোৰ চকুত পৰিছে,কিন্তু ক'তো কোনো নাই। তেন্তে কোনে মাতিলে মোক?

মোৰ কোঠাৰ খিৰিকীত লোহা নাই। মোৰ কোঠাৰ পোনে পোনে আঁতৰত হৰেনৰ কোঠাতো। মই খিৰিকীৰে জাপ মাৰি পাৰ হৈ হৰেনৰ কোঠা পালোগৈ। দুবাৰমান মতাৰ পিছতেই সি সাৰ পালে। দৰ্জাখন খুলিয়েই মোক দেখি হৰেন চক খাই উঠিল।

'কি হ'ল ভাইটী?' হৰেনে সুধিলে।

'আজিও কোনোবাই মোক মতা শুনিছো।'

'কেতিয়া?'

'অলপ আগতে।'

'টোপনিতে শুনিছিলা হ'বলা। সপোনেই হ'ব কিজানি!'

'মই বিছনাত এনেয়েই পৰি আছিলো। টোপনি অহাই নাছিল। সাৰে থাকোতে সপোন দেখিম কেনেকৈ?'

হৰেনে এইবাৰ এপলক ভাবি সুধিলে'তোমাৰ ৰূমৰ খিৰিকীখন খোলা আছিল নেকি?'

মই মূৰ দপিয়ালো।

'তেন্তে..কোনোবাই খিৰিকীখনৰ ওচৰৰ পৰা মাত দি আঁতৰি গ'ল আৰু তুমি দেখাই নাপালা!'

'হ'বই নোৱাৰে। চৌহদত মই কাকো দেখা নাই। তদুপৰি মাতটো মোৰ ঠিক কাণৰ কাষতে শুনা যেন লাগিছিল।'

হৰেনে এখন্তেক নীৰৱে বৈ হঠাতে সুধিলে'সেই কাগজৰ টোপোলাটো তুমি ক'ত থৈছিলা?'

মই উচপ খাই উঠিলো। এই মাজ নিশা হৰেনে সেই পুৰণি কাগজৰ টোপোলাটোৰ প্ৰসংগ আকৌ কিয় উলিয়ালে তাৰ উৰাদিহ নাপালো।

'কাগজৰ টোপোলাটো মোৰ গাৰুৰ তলতে থৈছো। এতিয়াওঁ আছে।'

'তেন্তে মই ঠিকেই অনুমান কৰিছিলো।'

'কি অনুমান কৰিছা?'মই সুধিলো।

হৰেনে পোনছাটে মোক উত্তৰ নিদি ক'লে'যাওঁক বাৰু সেইবোৰ। তোমাৰ

বাৰু ভয় লাগিছে নেকি?'

মই একো নক'লো। মই ক'ব নোৱাৰিলো সেইয়া মোৰ ভয় নে কৌতূহল। মোৰ কৌতূহল এইবাৰ আৰু বাঢ়িল। হৰেনে বাৰু কি অনুমান কৰিছে !! সেই আওঁপুৰণি অথচ অতীৱ পুৰণি কাগজৰ টোপোলাটোৰ অপদেৱতাই মোক লম্ভিছে নে অইন কিবা সি অনুমান কৰিছে?

'ব'লা ভাইটী! আজি মই তোমাৰ ৰুমতে শুম।'

মই আপত্তি নকৰিলো। নীৰৱে মোৰ কোঠা পালোগৈ। হৰেনে এইবাৰ মোক শুব দি নিজে মজিয়াৰ কাৰ্পেটখনতে বেডকভাৰখন পাৰি শুলে। হৰেনে কোঠাৰ লাইট ইতিমধ্যে নুমাই দিছিল। কোঠাটো অন্ধকাৰ হৈ পৰিল। মই টোপনি যাবলৈ উপক্ৰম কৰোতেই হৰেনে মাত দিলে'চিন্ময় ভাইটী।'

মই অনুচ্চ কণ্ঠেৰে সহাঁৰি দিলো।

হৰেনে এইবাৰ লঘু স্বৰেৰে সুধিলে'টোপনি অহা নাই?'

'নাই অহা।'

'আজি নিশা আঠ বজালৈ তুমি ক'ত আছিলা? আইদেৱে বৰ চিন্তা কৰি আছিল। মোকো স্বপনহতঁৰ ঘৰলৈকে পঠাব ওলাইছিলেই,তুমি সেইসময়তে আহি পোৱাতহে যোৱা নহ'ল।'

'মই স্বপনহতঁক সিহঁতৰ ঘৰলৈকে থৈ আহিছিলো।'

'তাৰপিছত কি হ'ল?'

'ঘূৰি আহোতে মই সোমন গগৈৰ ঘৰলৈকে গ'লো। তাতে.....'

'সোমন গগৈ! বোধনহতঁৰ কোৱা সোমন গগৈ?'

'অ।'

'তেওঁৰ ঘৰত কি হ'ল?'হৰেনে উত্ৰাৱল হৈ সুধিলে।

হৰেনক গধূলিৰ ঘটনাতো চমুকৈ বৰ্ণাই ক'লো। সি নীৰৱে শুনি গ'ল। মোৰ মুখত ঘটনাটো শুনি হৰেনে সুধিলে'গাড়ীখনৰ নম্বৰটো মনত আছেনে?'

'আছে।'মই নম্বৰটো আওঁৰালো।

'জাল নম্বৰ নহয়টো?'

'ক'ব নোৱাৰো। নহয় যেন লাগিছে।'

'যদি জাল নম্বৰ নহয় তেন্তে বিচাৰ খোচাৰ কৰিলে গাড়ীখনৰ শুংসূত্ৰ পাই যাব পাৰো। কিন্তু তাৰ আগেয়ে তুমি এটা কাম কৰিব লাগিব।'

'কি কাম?'মই সুধিলো।

'ল'ৰাজনৰ নামটো কি বুলি কৈছিলা?'

'মনজিত ফুকন।'

'ল'ৰাজনে ঘৰৰ ঠিকনা দিছিল নেকি?'

'কানৈ কলেজৰ ওচৰত থাকে বুলি মোক এবাৰ কৈছিল।'

'সেইখিনিতে ঘৰটো উলিয়াবলৈ বৰ বেছি অসুবিধা নাপাবা। অহাকালি স্কুল ছুটীৰ পিছতে মনজিতৰ ঘৰলৈ যাবা। প্ৰথমবাৰ যাওঁতে লগ সংগ নিনিবা,অকলেই যাবা। মোৰ মনে ধৰিছে সি বহুকথাই জানে। তুমি কোৱা মতে চাব গ'লে সোমন গগৈয়ে ল'ৰাজনক বৰ ভালদৰে চিনি পায়। অকল যে চিনি পায় সেইয়াই নহয়,সোমন গগৈ মনজিতৰ আত্মীয়। মনজিতে কৈছে সেই হীৰাডোখৰ সোমন গগৈয়ে সিহঁতৰ ঘৰৰ পৰা চুৰ কৰিছে। কিন্তু আমি জানো যে সেই হীৰাডোখৰ ক'ৰবাত বিলুপ্ত হৈ আছে। এই গণ্ডগুলীয়া কথাটো অকল মনজিতেহে সমাধা কৰিব পাৰিব।'

'সেইটো বাৰু বুজিলো।'মই শুই থাকিয়েই সুধিলো'কিন্তু সেই গাড়ীখনত অহা মানুহকেইজন!! তেওঁলোকৰ সম্ভেদ উলিয়াম কেনেকৈ?'

'এৰা!'হৰেন যেন হঠাতে দমি গ'ল। কিছুপৰৰ পিছতহে হৰেনে লাহেকৈ মাত দিলে'সেই মানুহকেইজনৰ কথাই বৰ চিন্তাত পেলাইছে।'

'কিজানি তেওঁলোকেই তুমি কোৱা তৃতীয় পক্ষ।'

'কিজানি নহয়,তেওঁলোকেই হ'ল তৃতীয় পক্ষ। আচ্চা! মুখ কেইখন ধৰিব পাৰিছিলা নেকি?'

'এজনৰো নোৱাৰিলো। আমি কিছু দূৰৈত আছিলো।'খন্তেক ৰৈ মই ক'লো'এজনৰ মাতটোহে মোৰ চিনাকী লাগিল। কিন্তু ধৰিব নোৱাৰিলো কাৰ মাত।'

'মনত পেলোৱাছোন।'

'চেষ্টা কৰিছো। কিন্তু মনত পৰা নাই।'

'চাৰৰ উকীল বন্ধু কেইজনৰ কথা মনত পেলোৱা। শৰ্ম্মা উকীল.....কাকতী উকীল....'

'ওহো, তেওঁলোক এজনো নহয়।'

'পিছে পৰে আকৌ ভাবিবা। হঠাতে মনত পৰি যাব পাৰে।'

'ভাবি চিন্তি একো ওৰ পোৱা নাই । আমি বাৰু এইয়া নলগা জেঙত লাগি ফুৰা নাইতো?'

'এতিয়া সেই বুলিয়ে ক'ব পাৰা।' হৰেনে কিছুপৰৰ মূৰকত মাত লগালে'কিন্তু এবাৰ ভাবি ছোৱাছোন সেই ৰক্তিম ৰত্নটো কোনে পোৱা উচিত হ'ব! তোমালোকে নে সোমন গগৈহতেঁ? নিশ্চয় তোমোলেকে পোৱাটোহে উচিত হ'ব। কিয় জানানে? কাৰণ তোমালোকৰ কোনো স্বাৰ্থ নাই। আনপিনে.....'

'কি হ'ল বৈ গলি যে?'

'ৰক্তিম ৰত্নটো উদ্ধাৰ কৰিব পাৰিলে সকলোৱে তোমালোকক শলাগিব। আনকি....'

'আকৌ বৈ গলিযে?'

'আনকি স্বপ্নায়ো তোমাক শলাগিব।'

হৰেনৰ মুখত স্বপ্নাৰ নাম শুনি মই লাজ পাই সুধিলো'তই কি ক'ব ওলাইছ মই হ'লে ধৰিব পৰা নাই।'

'মই বহুদিনৰ আগৰে পৰা লক্ষ্য কৰিছো যে তুমি....'

'হ'ব দে এতিয়া। মনে মনে থাক। মোৰ টোপনি ধৰিছে।'

মোৰ কৃত্ৰিম ধমকিত হৰেনে সেও মানিলে। সি মনে মনে ৰ'ল।

মই টোপনি যোৱাৰ ভাও ধৰিলো। মোৰ মনে কৈছে হৰেনে সকলো কথাই গম পাইছে। এটা কথাই মোক আকৌ চিন্তাত পেলালে। এই হৰেনটোৱে সকলো কথাই ইমান কম সময়তে গম পাই যায় কেনেকৈ? মই জানো এই দুঃশ্চিন্তাৰ সমুচিত উত্তৰ এতিয়া মোৰ হাতত নাই। সেই দুঃশ্চিন্তাৰ মাজতো কেতিয়া যে

চকুৰ পটা দুখন জাপ খাই আহিল মোৰ খেয়ালেই নাথাকিল। ৰাতিপুৱা মায়ে গাত হেচুকী দিয়াতহে খপজপাই সাৰ পালো।

'ৰাতিপুৱা ছয় বাজিলেই। মুখ হাত ধুই গাখীৰ একাপ খায়ে পঢ়া শুনাত ধৰ। নহ'লে স্কুল যাবৰ হ'বই।' মই বিছনাৰ পৰা উঠি বাথৰূমলৈ যাব ওলাওঁতে মায়ে আকৌ মাত দিলে'তোক এই কেইদিন বৰ খীনোৱা যেন লাগিছে। বেছি ঘূৰা পকা নকৰিবি। খেলাধূলাও কমকৈ কৰিবি।'

মই শলাগি বাথৰূমলৈ গ'লো।

মোৰ এতিয়া পঢ়া শুনাত সমূলি মন নাই। টেবুলত বহি কিতাপ পত্ৰ মেলি ললেওঁ মোৰ মনটো তেতিয়া অন্য এখন পৃথিৱীত। এইখন পৃথিৱীত অংক,ভূগোল,বুৰঞ্জীৰ স্থান নাই। ইয়াত আছে ৰক্তিম ৰত্নৰ আচহুৱা ৰঙীণ পৃথিৱী।

স্কুললৈ যাওঁতে দেৰী হৈছিল। স্কুল আৰম্ভ হ'বলৈ মাত্ৰ দুমিনিটমান আগতেহে মই গৈ পাইছিলো। মোৰ বেঞ্চখন শেষৰ ফালে। মোৰ কাষত বহে পৰাগ। সি মই বহাৰ লগে লগে মাত দিলে'চিন্ময়!'

এতিয়া অংকৰ শ্ৰেণী, শৰ্মা চাৰো শ্ৰেণীত ইতিমধ্যে সোমাই আহিছিলেই। মই মোৰ আগৰ বেঞ্চত বহা স্বপনৰ বহল গাটোৰ আঁৰ লৈ পৰাগলৈ চালো।

পৰাগে আকৌ ফুচফুচাই ক'লে'এটা নতুন খবৰ আছে।'

'কি?'মই উদগ্ৰীৱ হ'লো।

'এইকেইদিন বোধনহতঁক সদায়ে নদীঘাটলৈ যোৱা দেখিছো। তাৰপৰা সৰু নাওঁ এখনৰে ভটীয়াই যায়গৈ। সিহঁত আজিও যাব। যোৱাকালি কথা পাতোতে আমি শুনা পাইছিলো।'

'সচাঁতো?'

'সচাঁ। মই নিজ কাণেৰে শুনিছিলো।'

'কেইটা বজাত?'মই সুধিলো।

'তিনিটা বজাৰ পিছত।'

'তেনেহ'লে তহঁত স্কুল ছুটীৰ পিছত নদীঘাটলৈ যাবি।'

'আৰু তই?'পৰাগে সুধিলে।

'মই তহঁতক গধূলি স্কুল ছুটীৰ পিছত স্বপনহঁতঁৰ ঘৰত লগ ধৰিম। মই লগত ল'ৰা এজনকো লৈ যাম।'

'ক'ৰ ল'ৰা?'পৰাগে উচপ খাই সুধিলে। স্বপনে কৌতূহল দমাব নোৱাৰি উত্তৰটো শুনিবলৈ মূৰটো পিছফাললৈ ঘূৰাই দিলে।

তেতিয়াই শৰ্মা চাৰে স্বপনক দেখা পালে। স্বপনক তেওঁৰ ফালে পিঠিদি থকাৰ কাৰণে শৰ্মা চাৰৰ প্ৰচণ্ড খঙ উঠি গ'ল। হাতত থকা বেতডাল লৈ তেওঁ শেণটোৰ দৰে স্বপনৰ ওচৰলৈ আহিল।

'মই পঢ়োৱাৰ সময়ত তই পিছ ফাললৈ মূৰ ঘূৰাই কি চাই আছিলি?'

স্বপনে একো উত্তৰ দিব নোৱাৰিলে। সি শৰ্মা চাৰৰ খঙৰ ভমক দেখি বেঙে মুতা গৰুৰ দৰে কঁপিব ধৰিলে। চাৰৰ বেতডালৰ পৰা হাতত তলুৱাত দুটাকৈ চুমা খোৱাৰ পিছতো বহুসময়লৈ কঁপিয়েই ৰ'ল।

শৰ্মা চাৰৰ ক্লাছ শেষ হোৱাৰ পিছত পৰাগহঁতে মোক আগুৰি ধৰিলে। সিহঁতক চমুকৈ যোৱা নিশাৰ ঘটনাটো বৰ্ণাই ক'লোঁ'সেই ল'ৰাটোকে তহঁতৰ ওচৰলৈ নিম। তহঁতৰ লগতো চিনাকী কৰাই দিম। আমাৰ শক্তি বাঢ়িব।'

'যদি হিতে বিপৰীত হয়,তেতিয়া কি হ'ব?'

'চিন্তা নকৰিবি। মনজিতৰ প্ৰতি মোৰ বিশ্বাস উপজিছে। তদুপৰি সিয়ো ক্লাছ টেনৰে ল'ৰা। আমাৰ সমনীয়া। সি আমাৰ কি অন্যায় কৰিব?'

সিহঁতৰ বিশ্বাস হ'ল নে নাই নাজানো। কিন্তু মোৰ কথাত কোনেও আৰু দুনাই প্ৰশ্ন নকৰিলে। পিছৰ সময়খিনি কেনেকৈ পাৰ হৈ গ'ল মোৰ আজি খেয়াল নাথাকিল। মই ভিতৰি ভিতৰি যথেষ্ট উত্তেজিত হৈ পৰিছিলো।

স্কুল ছুটীৰ পিছত ঘৰ পায়ে ভাতপানী খায়ে আকৌ যাবলৈ ওলোৱা দেখি মায়ে সুধিলে'ইমান খৰধৰকৈ ক'লৈনো যাৱ?'

'বন্ধু এজনৰ ঘৰলৈ।'

'কোন....স্বপন?'

'নহয়। নতুন বন্ধু এজন। তুমি চিনি নাপাবা।'

'যা বাৰু। সোনকালে আহিবি। গধূলিৰ আগেয়ে ঘৰ সোমাবি।'

মই মাক সঁহাৰি এটা দি ঘৰৰ পৰা ওলাই আহিলো। গেটৰ মুখ পাওঁতে পিছ ফালৰ পৰা হৰেনে মতা শুনি ঘূৰি চালো। হৰেন একপ্ৰকাৰ দৌৰি অহা দি আহি সুধিলে'তুমি মনজিতৰ ঘৰলৈ যোৱা নেকি?'

'অ।'মই মূৰ দপিয়াই সহাঁৰি দিলো।

'যোৱা বাৰু। কিন্তু চাবা আজি যাতে গধূলিৰ আগেয়ে ঘৰ আহি পোৱাহি। বাটে পথে অচিনাকী কাৰোবে লগত কথা বতৰা নাপাতিবা।'

'কিন্তু কিয়?'

'এতিয়া নকওঁ। পিছত ক'ম।'

হৰেন গ'লগৈ।

ময়ো আৰু পলন নকৰিলো। ৰিকচ্‌া এখনত উঠি কানৈ কলেজৰ ওচৰত নামিলো। মনজিতে কোৱা মতেই চাহৰ দোকান এখনৰ ওচৰত ৰঙা টিনৰ আছাম টাইপৰ ঘৰ এটা দেখি গেটখন খুলি ভিতৰলৈ সোমাই গ'লো। বন্ধ হৈ থকা দৰ্জাখনত দুবাৰমান টুকুৰিয়াই দিয়াৰ পিছত দৰ্জাখন খোল খালে।

এগৰাকী বিশ - পশ্চিশ বছৰীয়া যুৱতী ওলাই আহিল।

মোক দেখি কিছু যেন আচৰিত হ'ল যুৱতী গৰাকী।

মই অনুমান কৰিলো যুৱতী গৰাকী নিশ্চয় মনজিতৰ বায়েক হ'ব।

'মনজিত আছেনে?'ময়ে প্ৰথমে সুধিলো।

'মনজিত আছে। কিন্তু তুমি?'

'মই মনজিতৰ বন্ধু।'

মনজিতৰ বায়েকে একেথিৰে মোলৈ কিছুপৰ চাই সুধিলে'তোমাৰ নাম চিন্ময় নেকি?'

মই শলাগিলো।

ভিতৰি ভিতৰি মই অপ্ৰস্তুত হ'লো। মোৰ নামটো গম পালে কেনেকৈ?

'তাৰমানে যোৱাকালি মনজিতে চিনাকী হোৱা নতুন বন্ধুজন তুমিয়েই! আহা ..আহা..ভিতৰলৈ সোমাই আহা।'

মুখত এমুখ হাঁহি লৈ মনজিতৰ বায়েকে মোক ভিতৰৰ কোঠা এটাত বহুৱালে।

মনজিতক মই তাতেই লগ পালো। মোক দেখি মনজিত চমকি উঠিল। সি হয়তো মই আজিতেই আহি ওলাম বুলি আশা কৰা নাছিল। মনজিতৰ বায়েক কোঠাটোৰ পৰা ওলাই যোৱাৰ পিছত মই পোনছাটেই সুধিলো'তুমি বাৰু বাইদেউক সকলো কথা কৈ দিছা নেকি?'

'নাই কোৱা। মাত্র ঘৰ আহি পাওঁতে দেৰী হোৱা দেখি তোমাৰ কথা কৈছিলো। নতুন বন্ধুজন পোৱা কাৰণেই দেৰী হ'ল বুলি কওঁতে বাইদেৱে তোমাৰ নামটো সুধিছিল। বছ ইমানেই।'

'ঠিকেই কৰিছা। চাবা অইন কথাবোৰ যাতে ভুলতো নোলায়।'

'তুমি নিশ্চিন্ত থাকিব পাৰা।'

'তোমাক বাৰু সোমন গগৈয়ে কি সুধিলে?'মই সুধিলো।

'কি সুধিব আৰু.....ইমান দিনে কিয় অহা নাছিলো,ঘৰৰ সকলোৰে ভালনে...মোৰ পঢ়া শুনা কেনেদৰে চলিছে....এনেকুৱা ধৰনৰ কিছুমান ঘৰুৱা প্ৰশ্ন। পিছত ভাত খাই আহিবলৈ জোৰ কৰিছিল। মই সেইখন ঘৰত ভাত খামনে? মাঁহতে দেৰী হ'লে চিন্তা কৰিব বুলি কৈ গুছি আহিলো।'

'আৰু অইন মানুহকেইজন?'

'অইন কেইজনৰ ভিতৰত এজন আদ বয়সীয়া। তেওঁ মোক টচ মাৰি চাইছিল। তেওঁ মোক প্ৰশ্ন কৰিব ওলাইছিল। সোমন গগৈয়ে তেওঁৰ ভাগিন বুলি চিনাকী দিওঁতেহে একো প্ৰশ্ন নকৰা হ'ল।'

'তেওঁৰ পৰিচয়?'

'একো গম নাপালো।'

'তেওঁৰ নাম,উপাধি,ক'ত থাকে....এইবোৰ একো গম নাপালা নেকি?'

'ওহো। তেওঁলোক তাৰপিছতেই গুছি গৈছিল। মাত্র যাওঁতে কৈ গৈছিল অচিৰেই আকৌ দেখা হ'ব বুলি।'

'বছ ইমানেই?'

'অ।'

'তেওঁক আকৌ দেখিলে চিনি পাবানে?'মই অধীৰ আগ্ৰহেৰে সুধিলো।

মনজিতৰ এই প্ৰশ্নটোৰ উত্তৰে আমাৰ বহু সমস্যাৰ সমাধান কৰিব।

মনজিতে খন্তেক পৰ তলকা মাৰি ৰৈ ক'লে'ওহো, কিছু দিগদাৰি হ'ব। মানুহজনৰ মুখখন মই ভালদৰে চাবই পৰা নাছিলো। যোৱাৰ সময়তহে খোজ কাঢ়ি যাওঁতে গম পাইছিলো তেওঁ আগফাললৈ হালি খোজ কাঢ়ে।'

মই চিন্তাত পৰিলো।

শত চেষ্টা কৰিও মনত পেলাব নোৱাৰিলো কোনোবা চিনাকী ব্যক্তিয়ে মনজিতে কোৱা মতে আগফালে হালি খোজ কাঢ়ে নেকি!!

'আৰু এটা কথা।'মনজিতে আকৌ মাত দিলে।

'কি?'

'সেই মানুহজনৰ বাহিৰে অইন কোনো এজনে কথা কোৱা নাছিল। দুজনৰ চুলিবোৰ বৰ ছুটীকৈ কটা আছিল। তাৰে এজনক লাইটৰ পোহৰত বৰ ভালকৈ দেখা পাইছিলো। সেই মানুহজনক দেখিলে মই লগে লগে চিনি পাম।'

'দেখিবলৈ কেনেকুৱা তেওঁ?'

'চাপৰ মানুহজন। শকত আৱত। মূৰত চুলিও দুই এডালহে আছে। গোফঁ কোছা তেওঁৰ বেছ ডাঙৰ। বৰণটো বেছ ক'লা।'

মই নীৰৱে ৰ'লো।

'চিন্ময়!'

'আমি জানো বক্তিম ৰত্নটো পাম?'

'পাম কিজানি।'

'মোৰ কিন্তু সন্দেহ উপজিছে।'

'কিয়?'

'কাৰণতো ক'বলৈ গ'লে আমাৰ দেউতাৰ কথা ক'ব লাগিব।'

মই মনজিৰ আৰু ওচৰ চাপি গ'লো। মোৰ অন্তৰখন দুৰু দুৰুকৈ কঁপিছে। মনজিতে কি ক'ব ওলাইছে ভাবি ওৰ নাপালো।

'শুনা।'মনজিতে দীঘলকৈ উশাহ টানি ক'লে'তুমিতো গম পাইছাই আমাৰ দেউতা ঢুকুৱা বহু বছৰেই হ'ল। দেউতাৰ এজমা আছিল। চিকিৎসা কৰিও কোনো

সুফল পোৱা নাছিল। দিনক দিনে অৱস্থা বেয়াৰ ফাললৈ ঢাল লৈছিল। মৃত্যুৰ কেইদিনমান আগেয়ে দুখিলামান সাঁচিপাত থকা এসোপা কাগজৰ এটা আওঁপুৰণি টোপোলা মাৰ হাতত গুজি দিছিল। এজমাৰ প্ৰকোপত বেছি কথা ক'ব পৰা নাছিল দেউতাই। দেউতাই মাক মাথো সেই টোপোলাটো সযতনে থবলৈ কৈছিল। মায়েও বিশেষ একো সোধা নাছিল। বেমাৰৰ কথাৰ বাহিৰে অইন কথা সোধাৰ তেতিয়া কোনো অৱকাশ আৰু পৰিবেশ এটাও নাছিল।'

মই চমকি উঠি সুধিলো'এতিয়াওঁ আছেনে তোমাৰ দেউতাই মাক দিয়া সেই কাগজৰ টোপোলাটো?

'এতিয়া আমাৰ ঘৰত নাই। মোমাইদেৰে নিলে। মোমাইদেউ কোন সেইয়া তুমিতো গম পাইছাই।'

'সেই কাগজৰ টোপোলাটোত কি লিখা আছিলনো?'

'মই বা বাইদেৱে বুজি পোৱাৰ আগেয়ে টোপোলাটো মোমাইদেউৰ হাত পাইছিলগৈ। মায়ে দেউতা ঢুকুৱাৰ পিছত দুবাৰমান পঢ়িছিল,কিন্তু একো বুজি নাপালে। কেইটামান কথা অৱশ্যে গম পালে। সেইয়া হ'ল টোপোলাটোত থকা সাঁচিপাত কেইখিলা আমাৰ বংশৰ উপৰিপুৰুষ এজনাই লিখিছিল। তেওঁৰ নাম আছিল সনাতন ফুকন।'

'কি ক'লা?'

'অ। সনাতন ফুকন।'মনজিতে আকৌ ক'বলৈ আৰম্ভ কৰিলে'তুমি বিশ্বাস নকৰিব পাৰা,কিন্তু আমাৰ পৰিয়ালৰ অৱস্থা খুব ভাল আছিল। দিনকাল ভালদৰেই চলিছিল। কিন্তু ১৮২০ চনত সনাতন ফুকন ভয়ংকৰ বিপদ এটাৰ সন্মুখীন হৈছিল। কি বিপদ এতিয়া ক'ব নোৱাৰো। তেওঁৰ বিস্তৰ সা - সম্পতিৰ ওপৰত বহুতৰে চকু পৰিছিল। সেইদেখি সা - সম্পতি নিৰাপদে ৰাখিবলৈ সেইবোৰ কোনোবা এঠাইত লুকুৱাই থৈছিল। সা-সম্পতিৰ ভিতৰত আটাইতকৈ মূল্যবান সম্পদটো আছিল এডোখৰ বৰ ডাঙৰ হীৰা। বৰনটো ৰঙা আছিল কাৰণেই সেই হীৰা ডোখৰৰ নাম আছিল ৰক্তিম ৰত্ন। এইবোৰ কথা সেই সাঁচিপাত কেই খিলাতে লিখা আছিল নে নাজানো। কিন্তু মায়ে সেইবোৰ আমাৰ পৰিয়ালৰ

দুই এজনৰ মুখত শুনিছিলি।'

'তাৰপিছত?'

'সনাতন ফুকনে য'ত সা-সম্পতিখিনি লুকুৱাই থৈছিল সেই ঠাইৰ বিতং বিৱৰন সেই কাগজ কেইখিলাত লিখি ৰাখিছিল। কিন্তু সনাতন ফুকন হঠাতে ঢুকাই থাকিল। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ পুতেক কেইজনে চেষ্টা কৰিছিল,তেওঁলোকৰ পিছত তেওঁলোকৰ নাতি পুতিবোৰেও চেষ্টা কৰি চাইছিল। সকলো পিছে ফুটুকাৰ ফেন হ'ল। কোনেও উদ্ধাৰ কৰিব নোৱাৰিলে ৰক্তিম ৰত্ন।'

'তোমাৰ দেউতাই চেষ্টা চলাইছিল নে?'

'দেউতাই নিশ্চয় কৰিছিল।'

'আৰু এতিয়া তুমিও চেষ্টা কৰিব বিছাৰিছা,হয়নে?'

'মোৰো মন গৈছে হেৰুৱা সম্পতি উদ্ধাৰ কৰিবলৈ। কিন্তু মন গ'লেই কি হ'ব? সেই কাকতৰ টোপোলাটোৱেই এতিয়া আমাৰ হাতত নাই।'

'কিন্তু তোমালোকৰ মোমাইদেৱে সেই কাকতৰ টোপোলাটো নিলে কেনেকৈ?'

'দেউতাৰ অকাল মৃত্যুৰ পিছত আমাৰ অৱস্থা শোচনীয় হৈছিল। তেতিয়া সোমন গগৈ মানে আমাৰ মোমাইদেউ ঠিকা ঠুকলি কৰি যথেষ্ট ধনী হৈছিল। আমাকো বিশেষ সহায় কৰিছিল। মায়ে বিশ্বাসতে ভায়েকক সেই টোপোলাটোৰ কথা কৈছিল। মোমাইদেৱে এবাৰ পঢ়ি চাম বুলি লৈ গৈছিল। সেই যি নিলে আৰু উভোতাই নিদিলে। দুবাৰমান মায়ে কৈ চাইছিল। একো ফল নধৰিল।'

মনজিতে নীৰৱ হৈ পৰা দেখি মই মাত দিলো'মনজিত!'

মনজিতে মোলৈ চালে।

'তুমি চিন্তা নকৰিবা। সেই কাকতবোৰ ক'ৰবাত হ'লেও নিৰাপদে আছে।'

'কেনেকৈ নিৰাপদে আছে বুলি ক'বা? সেইদিনা সোমন গগৈয়ে নিজ মুখে সেই ৰহস্যময় মানুহজনক কি কৈছিল মনত নাইনে তোমাৰ?'

'কিন্তু মোৰ মনে কৈছে সেইবোৰ কাকত ক'ৰবাত নিৰাপদেই আছে। কিয়

এই ভাব হৈছে মই নাজানো। মোৰ পিছে দৃঢ় বিশ্বাস হৈছে।'

মনজিত আশ্বস্ত হ'ব নোৱাৰিলে। কিন্তু সি নীৰৱেই ৰ'ল।

মই এইবাৰ ক'লো'মনজিত! মোৰ কেইজনমান বন্ধু আছে। আমি গোটেই কেইটা একে ক্লাছতে পঢ়ো। সিহঁতে তোমাৰ কথা মোৰ মুখত শুনি তোমাৰ লগত চিনাকী হ'ব খুজিছে। মই সিহঁতক কৈ আহিছো তোমাক লৈ যাম বুলি। তুমি যাবানে?'

'আজি? এতিয়া?'

'অ। গধূলিৰ আগেয়ে ঘৰ পাবাহি।'

'আজি থাওঁক। পিছত এদিন যাম।'

মই মনজিতক আৰু দুনাই প্ৰশ্ন নুসুধিলো। সি অন্যমনস্ক হৈ পৰা যেন মোৰ অনুভৱ হ'ল। মই মনজিতক মাত দি যাবলৈ ওলাওঁতেই মনজিতৰ বাইদেৱেকে এখন ট্ৰেত খোৱা বস্তু এসোপা লৈ কোঠাটোলৈ সোমাই আহিল। খাই বই সকলোকে মাত লগাই স্বপনহতঁৰ ঘৰ পাওঁতে কিছু দেৰী হ'ল। পৰাগহতঁ আটাইকেইটা বাৰাণ্ডা খনতে জুম বান্ধি বহি আছিল।

মোক অকলে অহা দেখি সিহঁত কিছু হতাশ হ'ল।

'কি হ'ল? তোৰ নতুন বন্ধুজন নাহিল যে?'

মই স্বপনৰ ওচৰতে বহি লৈ গহীনাই ক'লো'ল'ৰাজন আজি আহিব নুখুজিলে। অইন এদিনাখন আহিব।'

'সচাঁতো?'পৰাগে বিশ্বাস কৰিবলৈ টান পালে।

'সচাঁ।'

'বাৰু চিন্ময়! ল'ৰাজনৰ নাম কি?'

'নাম মনজিৎ,উপাধি হ'ল ফুকন। সিয়ো ক্লাছ টেনতে পঢ়ে। অৱশ্যে তাৰ স্কুলখন বেলেগ।' অলপপৰ বৈ মই আকৌ ক'লো'এটা কথা ক'লে তহঁতে বিশ্বাস কৰিবলৈ টান পাবি।'

'কি কথানো?'

'মনজিতৰ উপৰি পুৰুষ এজনাৰ নামেই হ'ল সনাতন ফুকন।'

'কি?'

'অ। আৰু শুন! সোমন গগৈ হ'ল মনজিতৰেই মোমায়েক।'

মই মন কৰিলো মোৰ কথা শুনি সিহঁত আটাইকেইটা শিল পৰা কপৌৰ দৰে নিশ্চল হৈ পৰি আছে। সিহঁত আগেয়ে স্বপ্ন ৰাজ্যত উটি ভাঁহি আছিল,এতিয়াহে হয়তো দিঠকলৈ উভতি আহিছে।

অকল সিহঁতেই কিয়,মই জানো মোৰো কম বেছি পৰিমানে মোহভংগ ঘটিছে। যোৱা কালিলৈকে মনত যিকণ উৎসাহ আছিল,আজি সেই উৎসাহ নাই। ক্ৰমাৎ জটিল হৈ পৰিছে ঘটনাক্ৰম। এটাৰ পিছত আনটো কল্পনা নকৰা ঘটনাবোৰ ঘটিবলৈ ধৰিছে। মই এতিয়া কৰিম কি? এই প্ৰশ্নটো কাম সুধিম ইয়াৰো কোনো উত্তৰ মোৰ ওচৰত এতিয়া নাই।

চিন্তাবোৰে মোক অন্যমনস্ক কৰি পেলালে।

কোন তলকত যে স্বপ্না ভিতৰৰ পৰা ওলাই আহি মূঢ়া এটা পাৰি মোৰ ওচৰতে বহি ল'লে মই ততকে ধৰিব নোৱাৰিলো।

সেয়েহে হঠাতে ওচৰতে স্বপ্নাক দেখি মই সচকিত হ'লো।

এইবাৰ মনজিতক যোৱাকালি লগ পোৱাৰ পৰা আজিলৈ ঘটি যোৱা কাহিনীবোৰ এটা এটাকৈ বৰ্ণালো। মোৰ কথা শুনি অৰূপে সুধিলে'তই বাৰু মনজিতক আমাৰ সকলো কথা খুলি কৈ দিলি নেকি?'

'এতিয়ালৈকে কোৱা নাই।'

'আৰু নকৰিও।'অৰূপে বিজ্ঞৰ দৰে ক'লে।

'কিয়?'

'ক'লে হয়তো সি ৰক্তিম ৰত্নটো নিজে ল'বলৈহে চেষ্টা কৰিব। আমি পালে সি আমাৰ পৰা ৰক্তিম ৰত্নটো কাঢ়ি লৈ যাবও পাৰে।'

'কিন্তু সেই ৰত্নটো আদিতে মনজিতহতঁৰেই আছিল। সেইয়া অৱশ্যে বহু বছৰ আগৰ কথা। তথাপিও সকলো কথা মনজিতক নক'লে আমাৰ পাপে চুব। তাতে আকৌ ৰক্তিম ৰত্নটো দেও ভূতে লম্ভা বস্তু।'মই ক'লো।

'কি ক'লি?'স্বপনে মৃদুভাবে চীৎকাৰ কৰি উঠিল।

'অ।'

'তদুপৰি সেই ঠাইখিনিও জয়াল।'হঠাতে অভিজিতে গহীনাই মাত দিলে। মই আচৰিত হ'লো।

'তই কেনেকৈ জানিলি?'মই সুধিলো।

অভিজিতে দীঘলকৈ উশাহ এটা লৈ ক'লে'বোধনহতঁ নদীঘাটলৈ সদায়ে যায়। সিহঁতে একেজন নাৱৰীয়াক লৈয়ে সদায় যায়গৈ। ক'লৈ যায় ক'ব নোৱাৰো। এদিন ছেগ বুজি নাৱৰীয়াটোক অকলে লগ পাই আমি সুধি পেলালো। প্ৰথমে আমাক নকলেও পিছত এদিন ক'লে তিনি কিলোমিটাৰমান আঁতৰত সৰু নিজৰা এখন আছে। নিজৰাখনৰ নাম হ'ল ৰঙিলী নিজৰা। তই দেখা সেই নিজৰাখনৰ কথাকে কৈছে হ'বলা। বোধনহতঁ সেই নিজৰা খনেৰেই ভিতৰলৈ সোমাই যায়। প্ৰতিদিনেই ক'ৰবাত নহয় ক'ৰবাত বৈ কাষৰ ঠাইবোৰ চাব ধৰে। আধা ঘন্টামান থাকি গধূলি হোৱাৰ আগেয়ে আকৌ উভতি আহে। সেই বুঢ়া নাৱৰীয়াটোৱেই কৈছিল সেই ঠাইখণ্ড জয়াল বুলি। যোৱাকালি সেই নাৱৰীয়াটোৱে কি ক'লে জাননে?'

'কি ক'লে?'

'যোৱাকালি আমি অকল বোধনকহে নদীঘাটত দেখা পাইছিলো। সেই বুঢ়া নাৱৰীয়াটোৰ লগত কিছুসময় কথা পাতি সি আকৌ উভতি গৈছিল। এইবাৰ নাৱৰীয়াটোক অকলে পাই আমি কথা পতাত লাগি গ'লো। এইকেইদিন আমাৰ লগত কথা বতৰা পাতি নাৱৰীয়াজন আমাৰ লগত বন্ধু হৈ গৈছিল। আমি কিবা এযাৰ কথা সুধিব নাপালোৱেই ,তেৱেঁই প্ৰথমে ক'লে আজি হেনো আৰু কেইজনমান মানুহ লগত লৈ বোধনহতঁ সেই ঠাইলৈ যাব। আজি বোলে জৰীপ কৰিব।'

'তাৰপিছত?'

'কিছুসময়ৰ পিছত বোধন আকৌ আহি ওলাল। নাৱৰীয়াটোৰ লগত মনে মনে কিছুসময় কথা পাতি আকৌ উভতি গ'ল। বোধনৰ লগত এইবাৰ প্ৰকাশো আহিছিল। সিহঁত আহিছিল এখন বগা এম্বেচাডৰ গাড়ীৰে। গাড়ীখনত আৰু

দুজনমান মানুহ বহি আছিল। মানুহকেইজনক আমি কেতিয়াওঁ দেখা পোৱা নাছিলো। কিন্তু....'

'কিন্তু কি?'

'আমি এম্বেচাডৰ গাড়ীখনৰ নম্বৰটো লিখি আনিলো।'অভিজিতে এইবাৰ তাৰ পেন্টৰ পকেটৰ পৰা সৰু কাগজ এখিলা উলিয়াই দেখুৱালে। কাগজখিলাত গাড়ীৰ নম্বৰটো লিখা আছিল। মই নম্বৰটো পঢ়ি চাই চমকি উঠিলো। সেই একেখন গাড়ী!

'আৰু গাড়ীখনত বহি থকা মানুহ দুজন কেনেকুৱা?'এইবাৰ স্বপনে সুধিলে।

'এজনৰ চেহেৰা ভয়ানক। বৰণটো বেছ কলা। শকত আৱত যেন লাগিল। মূৰত এডালো চুলি নাই,কিন্তু গোঁফকোছা বেছ ডাঙৰ ।'

মই নীৰৱে থকা দেখি স্বপনে সুধিলে'কি হ'ল তোৰ?'

'ভাবিছো।'

এপলক নীৰৱে পাৰ হ'ল।

'চিন্ময়!'হঠাতে অতনুৱে মাত লগালে'আমি এবাৰ তালৈ যোৱাটো উচিত হ'ব।'

'কিন্তু তালৈ গৈ কি কৰিবি?'

'ঠাইখিনি চাম।'

'আৰু?'

'আৰু পিকনিক খাম।'এইবাৰ স্বপ্নাই মাত দিলে।

স্বপ্নাৰ কথাষাৰে আশ্চৰ্য্যৰ কাম কৰিলে। মূহূৰ্ততে পৰাগহতঁ উৎফুল্ল হৈ উঠিল। অৰূপে কিৰিলিয়াই দিলে।

মই লাহেকৈ মাত লগালে'কিহেৰে যাবি?'

'গাড়ীৰে আকৌ! তই জানো তহঁতৰ গাড়ীখন ল'ব নোৱাৰিবি?'

'পাৰিম। কিন্তু....'

'কিন্তু কি?'

'আমাৰ লগত মনজিতকো নিম।'

তাৰপিছত গুছি আহিলো। আহোতে দেখিলো স্বপ্নাই মোলৈ চাই হাঁহিব ধৰিছে। মোৰ সুধিবলৈ মন গৈছিল তাই হাঁহি থকাৰ কাৰণটো কি? কিন্তু নুসুধিলো। অৱশ্যে মোৰ মনটো তেতিয়া অইন ক'ৰবাত। আমি যেন লাহে লাহে কুঁহেলিকাৰ ভিতৰলৈ সোমাই যাব ধৰিছো! ক'তো আশাৰ কিৰণ এচপৰা দেখা নাই।

গধূলি হৈ আহিছিল। অন্ধকাৰ গাঢ় হোৱা নাই। তথাপিও ৰাস্তাৰ নিয়ন লাইট কেইটা জ্বলিছে। কেইটামানে চকু টিপিয়াই আছে। জ্বলি থাকিবলৈ কিজানি সিহঁতৰ আজি অকনো মন যোৱা নাই।

মই বাটৰ কাষৰ পদপথেৰে খোজ দিছো। স্বপনহঁতে মোক আগবঢ়াই থৈ আহিব খুজিছিল,মযে বাধা দিলো। এই পোন্ধৰ মিনিটৰ বাটৰ কাৰণে মোৰ অকনো ভয় নাই। তেতিয়া সেইবুলিয়েই কৈ আহিলো যদিও এতিয়া মোৰ মনলৈ অজানিতে ভয়ৰ ভাব এটা আহিবলৈ ধৰিলে। পদপথটোত পোহৰ কেৰেচিয়াকৈ পৰা কাৰণে পদপথটো প্ৰায় অন্ধকাৰ হৈ আছে। মই তথাপিও বেছ খৰকৈ খোজ দিছো। হৰেনে মোক দঢ়াই দঢ়াই কৈছিল গধূলিৰ আগেয়ে ঘৰ সোমাবলৈ।

মোৰ মনটোৱে তেতিয়াই কৈছিল হৰেনে কিহবাৰ ৰহস্যৰ গোন্ধ পাইছে! হৰেনৰ মুখৰ পৰা সেই ৰহস্যৰ উমান পাবলৈ মোৰ তীব্ৰ কৌতূহল হ'ল। সি কিবা নতুন ৰহস্যৰ সন্ধান পাইছে নে মোৰ পৰা কিবা কথা লুকাব বিছাৰিছে এই কথাটোৱে মোক ভিতৰি ভিতৰি উত্তেজিত কৰি তুলিলে। মোৰ খোজৰ গতি সেইকাৰণেই খৰ হৈছিল।

হঠাতে মোৰ অন্তৰখন দুৰু দুৰুকৈ কঁপি উঠিল।

বুকুত হাত নিদিলেও মোৰ ভাব হ'ল মোৰ বুকুখন বৰ খৰকৈ উঠা নমা কৰিব ধৰিছে!

প্ৰায় এমিনিটমান আগেয়ে পথটোৰে এম্বেচাডৰ এখনে মোক অতিক্ৰম কৰি গুছি গৈছিল। কিছুদুৰ গৈয়ে গাড়ীখন ৰৈ যোৱাৰ উমান পালো। মই ঘূৰি চাওঁতে দেখা পালো গাড়ীখন লাইটপষ্ট এটাৰ ওচৰতে ৰৈ গৈছে। লাইটৰ

পোহৰত মোৰ চকুত পৰিল গাড়ীখনৰ পৰা কলা ,শকত,গোঁফাল আৰু টপা মানুহ এজন নামি অহা। তেওঁৰ পিছে পিছে গাড়ীখনৰ পৰা নামি অহা অইন মানুহজনক মই ততালিকে চিনি পালো।

মানুহজন প্ৰকাশ! ৰঙিলী নিজৰাৰ পাৰত পোৱা প্ৰকাশ!

তাৰমানে!!

মই মহূৰ্ততে বিপদটো বুজি পালো। এপলকো অপব্যয় নকৰি মই ভিৰাই লৰ দিবলৈ আৰম্ভ কৰিলো। পদপথটোৰে অহা যোৱা কৰি থকা মানুহবোৰে মোক দৌৰি যোৱা দেখি অবাক হৈছিল। মই কিন্তু কালৈকো ভ্ৰূক্ষেপ নকৰি প্ৰাণপনে দৌৰিব ধৰিলো। মই জানো চাৰিআলিটো পাৰ হৈ যাব পাৰিলেই মই নিৰাপদ। কিন্তু মোৰ পিছফালে গাড়ী এখন আহি থকাৰ উমান পাই মই ভয় খালো। পোনে পোনে গৈ থাকিলে মোক লগ পাই যাব প্ৰকাশহঁতে। তেন্তে?

বাওঁহাতে এটা সৰু অন্ধকাৰ গলী মোৰ চকুত পৰিল। মই আগ-পিছ নাচাই সেই গলীটোৰে সোমাই গ'লো। এঠাইত সৰু গুমটী এখন চকুত পৰিল। গুমটীখন বন্ধ হৈ আছিল। মই গুমটীখনৰ পিছফালে গৈ লুকালো। ভাগৰত মই ফোঁপাইছিলো। দীঘল দীঘলকৈ উশাহ লৈছিলো। অলপ পিছতে গলীটোৰ মুখতে এম্বেচাডৰ গাড়ীখন ৰ'লহি। মই লুকাই থকা ঠাইখিনিৰ পৰায়ে দেখিলো গাড়ীখনৰ পৰা গোফাঁল মানুহজন আৰু প্ৰকাশ নামি আহি গলীটোৰে সোমাই আহিছে। মই এইবাৰ ভয়ত বিতত হ'লো। প্ৰকাশহতঁ গুমটীখনৰ পিছফাললৈ আহিলেই মই ধৰা পৰি যাম।

এতিয়া ইয়াৰ পৰা ওলাই যাবলৈ চেষ্টা কৰাটো মুৰ্খামীহে কৰা হ'ব।

মই সাৰি শব্দ নকৰাকৈ মনে মনে বৈ থাকিলো।

মই মন কৰিলো প্ৰকাশহতঁ গুমটীখনৰ সন্মুখলৈ আহি ৰৈ গৈছে।

'তুমি দেখিছিলাতো?'গোফাঁল মানুহজনে প্ৰকাশক সোধা মোৰ কাণত পৰিল।

'অ। মই নিজ চকুৰে দেখিলো ল'ৰাটোৱে এই গলীটোৰে সোমাই অহা।'

'এতিয়া এই অন্ধকাৰ গলীটোত ক'ত বিছাৰি পাবা?'

'নিশ্চয় এই গলীটোৰে কোনোবা এটা ঘৰতে থাকে। নহ'লে এই গলীটোৰে কিয় সোমাই আহিব? মোৰ মনে কৈছে সন্মুখৰ এই কেইটা ঘৰৰে কোনোবা এটাত ল'ৰাজন থাকে। নহ'লে ইমান সোনকালে নাইকিয়া হ'ব কেনেকৈ? গগৈ চাৰে এইখিনি কথা গম পালেও সুখী হ'ব কিজানি।'

'ঠিকেই কৈছা।'

'কিন্তু এটা কথা ভাবি ছোৱা। পুলিচে ল'ৰাজন মৰিছে নে নাই মৰা একোকে নাজানে। অথচ ল'ৰাজনক আমি এতিয়া জীয়াই থকা দেখিছো। আমি গম পাইছো যেতিয়া পুলিচেও গম নোপোৱাকৈ থাকিব নোৱাৰে। তেন্তে......'

'এতিয়া উভতি যাওঁ ব'লা।'

'ব'লা।'

প্ৰকাশহতঁ উভতি যোৱা দেখি মই সকাহ পালো। আজিৰ কাৰণে বিপদৰ পৰা মুক্তি পালো। কিন্তু অহাকালিলৈ বা কি লিখা আছে! দূৰৈৰ পৰা এম্বেচাডৰখন গাড়ীখন গুছি যোৱা দেখিও বেছ কিছুপৰলৈ মই সেই ঠাইতে ৰ'লো। পাঁচমিনিটৰ পিছত মই লুকাই থকা ঠাইৰ পৰা ওলাই আহিলো। মূল পথটোত ভৰি দি মই চাৰিওফালে চালো। বিপদৰ কোনো আগজাননী নেদেখি মই আকৌ দৌৰিব ধৰিলো। কিছুসময়ৰ পিছতে মই ঘৰ পাইহে দীঘলকৈ উশাহ এটা ল'লো।

ঘৰত মাহঁত নাছিল।

হৰেনে বাৰাণ্ডাতে অকলে বহি আছিল।

মোক গেটখুলি সোমাই অহা দেখি হৰেন দৌৰি মোৰ ওচৰ পালেহি।

'আজিও ইমান দেৰী কৰিলা?'সি সুধিলে।

'উপায় নাছিল।'বাৰাণ্ডাত থকা চকীখনত বহি জোতা যোৰ খুলি মই চমুকৈ উত্তৰ দিলো। আচল কথাটো কবলৈ মোৰ সত নগ'ল।

'চিন্ময় ভাইটী!'হৰেনে কিছুসময়ৰ পিছত আকৌ মাত দিলে।

'কি হ'ল আকৌ তোৰ?'

'তুমি এইবোৰ কামত নলগাই ভাল হ'ব।'

'কিয় ক'লি তেনেকৈ?'মই অবাক হৈ সুধিলো।

'অলপ আগেয়ে মানুহ এজন আহিছিল। তুমি ঘৰত আছা নেকি সুধিছিল। মই ঘৰত নাই বুলি ক'লো। তেতিয়া তেওঁ গুছি গ'ল। তেতিয়াৰে পৰা মই চিন্তাত আছো। এতিয়া তুমি আহি পোৱাতহে মনটো মোৰ শান্ত হৈছে।'

ময়ো চিন্তাত পৰিলো। মোক বিছাৰি আকৌ কোন আহিব পাৰে ?

'আৰু কি সুধিছিল?'মই সুধিলো।

'অকল সেইখিনিয়েই সুধিছিল। মোৰ উত্তৰ শুনিয়েই তেওঁ আৰু নৰ'ল।'

'কিহেৰে আহিছিল?'

'কিহেৰে আহিছিল মন নকৰিলো । খোজ কাঢ়িও হ'ব পাৰে,গাড়ীৰেও হব পাৰে ।'

মই আকৌ দুঃশ্চিন্তাত পৰিলো। এইবাৰ সুধিলো'মানুহজন দেখিবলৈ কেনেকুৱা আছিল?'

'মানুহজনৰ চেহেৰা ভয়ানক। গুণ্ডা প্ৰকৃতিৰ। ৰঙনটো কলা।'

'আৰু মূৰত চুলি এডালো নাই,নহয়নে?'

হৰেনে এইবাৰ আচৰিত হৈ সুধিলে'তুমি কেনেকৈ জানিলা?'

'চেহেৰা ভয়ানক হলেই আমি ভয় খাব লাগিব নেকি? এজন মানুহৰ ওচৰত আমি সেও মানিলে আনে আমাক কাপুৰুষ বুলি ক'ব।'মই উত্তৰ দিলো।

হৰেনে আৰু একো নুসুধিলে।

(৬)

নিশা বহু দেৰীলৈকে টোপনি অহা নাছিল। আজিও বিক্ষিপ্ত চিন্তা কিছুমানে মোক আগুৰি ধৰিছিল। মাজৰাতিহে চিলমিলকৈ টোপনি আহিছিল। চকুৰ পটা জাপ খাই আহোতেই মোৰ কাণত পৰিল বহু দূৰৈৰ পৰা ভাঁহি অহা এটা সুমুধৰ শব্দ 'চিন্ময় ভাইটী!!'

মই খপজপাই শোৱাৰ পৰা উঠি বিছনাতে বহি ল'লো। আজি কোঠাৰ খিৰিকীও মাৰি থোৱা আছে। তদুপৰি কোঠাটোত ডিম লাইট এটা জ্বলাই থৈছো। মোৰ কোঠাটোতো অইন কোনো নাই। তেনেস্থলত কোনে মোক মাতিলে মই

উৰাদিহ নাপালো। মই তেনেকৈয়ে বহুপৰ বিছনাতে বহি ৰ'লো। পিছত কেনেকৈ আৰু কেতিয়া টোপনিৰ জালত পৰিলো মোৰ কোনো খেয়াল নহ'ল। ৰাতিপুৱা মায়ে গাত ঢকিয়াই মতাতহে টোপনিৰ পৰা সাৰ পালো।

'আজি দেওবাৰ হ'ল বুলিয়েই ইমান দেৰীলৈকে শুই থাকিব লাগেনে? আজিতো খেলিবলৈ যাবিয়েই,কিন্তু এঘন্টা পঢ়ি উঠাৰ পিছতহে যাব পাৰিবি।'মায়ে কথাখিনি কৈ যাব ওলাল।

মই তেতিয়াই মাত দিলো'আজি খেলিবলৈ নাযাওঁ।'

'কিয়?' মায়ে সুধিলে। মা আচৰিতো হ'ল।

'আজি আমি পিকনিক খাম।'

'হঠাতে পিকনিক খাবলৈ ক'লৈ যাবি? আৰু আমি মানে কোন কোন যাব? কিহেৰে যাবি?' মায়ে উপৰ্য্যুপৰি বহু কেইটা প্ৰশ্ন কৰিলে।

'আমি মানে মই ,স্বপন,পৰাগ,অতনু আৰু অভিজিত। মাত্ৰ অৰূপ নাযায়,তাৰ জ্বৰ বোলে। ক'লৈ যাম এতিয়ালৈকে ঠিক কৰা নাই। বাটতে ঠিক কৰিম।'

'আৰু খাবি কি? কিহেৰে যাবি?'

'খোৱা বস্তুখিনি প্ৰত্যেকে নিজে নিজে লৈ যাম। মই আমাৰ গাড়ীখন লৈ যাম বুলি কৈছো। আমি আবেলি ঘূৰি আহিম।'

মা সন্মত হোৱা যেন লাগিল। কিন্তু যোৱাৰ আগতে কৈ গ'ল'দেউতাৰক সুধি লবি।'

মই বুজিলো মোৰ অনুমতি হৈ গ'ল।

মনটো আনন্দৰে ভৰি গ'ল। মায়ে যে ইমান সোনকালে সন্মতি দিব মোৰ কল্পনাৰো অগোচৰ আছিল। দেউতাই মৃদুভাবে আপত্তি কৰিছিল। কিন্তু অৱশেষত দেউতায়ো সন্মতি দিলে। মই আধা ঘন্টাৰ ভিতৰতে সাজু হ'লো। কিন্তু মায়ে কেনা লগালে। হৰেনৰ হতুৱাই মায়ে এইকন সময়ৰ ভিতৰতে কেইবিধমান ৰান্ধি তিনিটা টিফিন কেৰিয়াত ভৰাই দি ক'লে'তহঁত কেইটাৰ বাবে খোৱাবস্তু ভৰাই দিছো। ভগাই খাবি।খোৱা লৈ স্বপনৰ লগত কাজিয়া নকৰিবি। মই লগাতকৈ বেছিকৈয়ে দিছো। কিন্তু চাবি,নদী নিজৰাৰ পৰা আঁতৰত থাকিবি।'

'তুমি চিন্তা নকৰিবা।'

মা আৰু দেউতাক মাত দি বাহিৰলৈ ওলাই আহোতেই হৰেনক লগ পালো। হৰেনৰ মুখখন দেখি ভাব হ'ল সি যেন যথেষ্ট চিন্তিত। গাড়ীলৈ আগবঢ়াই থবলৈ আহি সি মাত দিলে'তোমালোক সেই ঠাইলৈ যাবা নেকি?'

হৰেনে কি ঠাইৰ প্ৰসংগ উল্লেখ কৰিছে বুজি পায়ো নুবুজা ভাও ধৰি মই সুধিলো'কি ঠাইৰ কথা কৈছ মই বুজি পোৱা নাই।'

'বোধনহতঁক প্ৰথম বাৰ লগ পোৱা ঠাই দোখৰৰ কথাকে কৈছো।'

মই শলাগিলো।

'তোমালোক সেইফালে নোযোৱাই ভাল নেকি!'

'কিয়?'

'কিয় ক'ব নোৱাৰো। মোৰ মনটোৱে কৈছে এটা যেন ডাঙৰ বিপদ আহি আছে।'

'বিপদ আহিব বুলি ভয় খাই থাকিলে কেনেকৈ হ'ব? বিপদৰ সন্মুখীন হ'বই লাগিব। আমি ইমান কেইটা থাকিম যেতিয়া ভয় কিহৰ? তদুপৰি এইবাৰ আমাৰ লগত মনজিতো থাকিব।'

'তথাপিও......'

হৰেনে আকৌ কিবা এষাৰ ক'ব ওলাইছিল। মই হৰেনৰ কথা শুনিবলৈ বৈ নাথাকিলো। ড্ৰাইভাৰে গাড়ীখন সাজু কৰি থৈছিল। মই গাড়ীত উঠাৰ লগে লগে সি সুধিলে'প্ৰথমে ক'লৈ যাম?'

'কানৈ কলেজৰ ওচৰলৈ যাব লাগিব। তাৰপিছত স্বপন হতঁৰ ঘৰলৈ,সিহঁত কেইটা তাতে গোট খাই থাকিব। তাৰপিছত তোমাৰ ছুটী।'

'চাৰে যদি গম পাই যে মই লগত যোৱা নাই, তেতিয়া কি হ'ব?'

'কোনেও গম নাপায়। আহোতে তোমাক ঘৰৰ পৰা লৈ আহিম।'

মই জানো আজি দেওবাৰে ছুটী পাই ড্ৰাইভাৰ আনন্দিত হ'ব। সি হুঁহৰি বজাই গাড়ী চলাই নিলে। মনজিতৰ ঘৰত অৱশ্যে দেৰী হ'ল। প্ৰথমে মনজিত যাব ওলোৱা নাছিল। বায়েকে কোৱাতহে সি সন্মত হ'ল। আমাৰ দেৰী হোৱা

কাৰণে স্বপনহঁতৰ খঙেই উঠিছিল, কিন্তু গাড়ীত মনজিতক দেখি কোনেও মুখ ফুটাই নক'লে। স্বপনেই মাথো এষাৰ কথাকে ক'লেবৈ বৈ মোৰ ভোকেই লাগি গ'ল।'

'আমি ইমান কেইটা এখন গাড়ীতে আটিব জানো?'

'অ। মইহে গাড়ী চলাই যাম। ড্ৰাইভাৰ নাযায় নহয়।'

ড্ৰাইভাৰে গাড়ীখন স্বপনহঁতৰ গেটৰ মুখতে ৰখাইছিল। নামি যাওঁতে মোক আকৌ এবাৰ সুধিছিল মই চলাই নিব পাৰিম নে নোৱাৰিম। মই অৱশ্যে সাহসেৰেই ক'লো একো চিন্তা কৰিব নালাগে বুলি। এই কেইদিনতে মোৰ গাড়ী চলোৱাৰ কিটিপ দেখি ড্ৰাইভাৰো সন্তুষ্ট হৈছিল। দিনে পোহৰে মই চহৰৰ ব্যস্ত পথতো গাড়ী চলাই নিছো। গাড়ী চলোৱাৰ সুযোগবোৰ হৰেনেই উলিয়াই দিছিল। সেইদিনা বজাৰৰ পৰা গাড়ী চলাই ঘূৰি আহোতে হৰেনে সেইদেখি মাত দিছিল'এতিয়া চিন্ময় ভাইটীয়ে গাড়ী চলোৱাৰ লাইচেন্সখন লৈ ল'লে হৈ গ'ল। তাৰপিছত আৰু কোনো চিন্তা ভাৱনা নাথাকিব।'

'কিন্তু মোৰ পোন্ধৰ বছৰ হোৱাই নাই। আৰু দুমাহমান আছেই।'

'তেতিয়া হ'লে তুমি আৰু তিনিবছৰ ৰ'ব লাগিব। ওঠৰ বছৰ হ'লেহে গাড়ী চলোৱাৰ লাইচেন্সখন পাবা। তেতিয়ালৈ এনেকৈয়ে লুকাই লুকাই গাড়ী চলাই থাকিব লাগিব।'

সেই দিনাখনৰ পৰা মোৰ লুকাই চুকাই গাড়ী চলোৱাৰ মাত্ৰা আৰু বাঢ়িল। আৰু আজি সেয়েহে বেপৰোৱা হৈ পাৰিলো।

'চিন্ময়! আজিও যদি সেইদিনাৰ দৰে গাড়ী বেয়া হয় তেতিয়া কি কৰিবি?'সুধিলে অতনুৱে।

'আজি সেই দিনাৰ দৰে গাড়ী বেয়া নহয়। হ'লেও চিন্তা কৰিব নালাগে। আমি ইমান কেইটা আছো,গাড়ীখন ঠেলি লৈ আহিম।' মই নিৰ্ভীক ভাবে ক'লো।

অভিজিতহঁত ইতিমধ্যে গাড়ীৰ ভিতৰলৈ সোমাইছিল। স্বপ্না সেইসময়তে গেট খুলি বাহিৰ ওলাই আহিছিল। তাই ওলাই অহা দেখি পৰাগে সুধিলে'স্বপ্নাও যাব নেকি?'

'অ। তাই ৰাতিপুৱাৰ পৰায়ে সাজু হৈ আছে। মাইঁতৰ লগত সেইদেখি তাই ফুৰিবলৈকো নগ'ল।'স্বপনে ক'লে।

'গাড়ীত ঠাই হ'ব জানো?'

'হ'ব কিয় নহ'ব? আগফালে এজনৰ বাবে ঠাই আটিব।'অভিজিতে মাত দিলে।

আগফালে মনজিত আৰু স্বপন বহিছিল। স্বপ্না ককায়েকৰ ওচৰতে বহি ল'লে। এইবাৰ অভিজিতে মাত দিলে'চিন্ময় ব'ল।'

ময়ো গাড়ী চলাবলৈ আৰম্ভ কৰিলো। প্ৰথম কেই মিনিটমান মই খুব ভয়ৰে চলাইছিলো। কিন্তু অভিজিতহতঁৰ চিঞৰ বাখৰে পলকতে মোৰ মনৰ পৰা ভয়ৰ ভাবটো নাইকিয়া কৰি দিলে।

পৰিবেশটো এতিয়া সৰব।

সুখৰ আৰু আনন্দৰ পৰিবেশ।

মনজিত আৰম্ভনীতে কিছুপৰলৈ মৌন হৈ আছিল, পিছলৈ সিওঁ সহজ হৈ পৰিল। অভিজিতহতঁৰ লগত সিও কথা পতা হ'ল। সকলোৰে মুখত এতিয়া হাঁহিৰ অন্তহীন টুকুৰা। সকলোৰে লগত মনজিতেও হাঁহিছে। মনজিত হঁহাৰ কাৰণে মই আচৰিত হৈছো। মনজিতৰ বায়েকে কৈছিল মনজিত হেনো অনবৰতে গহীন গম্ভীৰ হৈ থাকে। আজি মনজিতৰ এই ব্যতিক্ৰমী আচৰন দেখি মনজিতৰ বায়েকে আনন্দ পালেহেতেঁন।

মোৰ মনটো মাজে মাজে হঠাতে অশান্ত হৈ পৰে। যদি সেই ঠাই টুকুৰাত বোধন,প্ৰকাশ অথবা সেই টকলা গোঁফাল মানুহজনক লগ পাওঁ তেন্তে আমি কি কৰিম এই চিন্তাই মোক বিহ্বল কৰি পেলাইছিল। মই এবাৰ আঁৰ চকুৰে সিহঁতলৈ চাইছিলো। সকলো কেইটা হাঁহিত উত্ৰাৱল হৈ আছে।

মোৰ মনৰ ভাবৰ একো উমান নিদিলো। গাড়ীখন মই যথেষ্ট সাৱধানেৰে চলাই নিলো। ঘন্টাত চল্লিশ কিলোমিটাৰ কৈ নিয়াৰ কাৰণে আজি নিৰ্দিষ্ট ঠাইখন পাওঁতে কিছু সময় ল'লে। ঠিক দহটামান বজাত ঠাইখিনি পাই মই লাহেকৈ মাত দিলো'আমি পালোহি।'

লগে লগে আটাই কেইটাৰ মুখৰ পৰা হাঁহিৰ টুকুৰাবোৰ এককোবে উফৰি গ'ল। কোনেও পিছে মুখেৰে একো নক'লে। নীৰৱেই যেন পৰিবেশটো চাই ল'ব খুজিলে। চহৰৰ উপকণ্ঠ হ'লেও ঠাই টকুৰা নিমাওমাও,শান্ত। চাৰিওফালে মাথো সেউজীয়া আৱৰণ এখন।

সেইদিনা গাড়ী ৰখোৱা ঠাইতে আজিও গাড়ীখন ৰখাই দিলো। লগে লগে অভিজিতহতঁ গাড়ীৰ পৰা নামি তললৈ খোজ ল'লে। টিফিনৰ বাকচ কেইটা স্বপনেই কান্ধ পাতি ল'লে।

হেলনীয়া ঘাঁহনি এডৰাৰে আমি তললৈ নামি গ'লো।

গছ বিৰিখৰ পাতৰ মাজেৰে ভাঁহি অহা বতাহৰ হো-হোৱনি শব্দ এটা আমাৰ কাণত পৰিছে। গছ কেইডালৰ মাজে মাজে দূৰৈত নীলা ৰেখা এডালো চকুত পৰিছে। সেইখনেই হয়তো সেই দিনাখনৰ নিজৰাখন! ৰঙিলী নিজৰা!!

পাচঁ মিনিটমান যোৱাৰ পিছতে দূৰৈৰ নিজৰাখন চকুত স্পষ্ট হৈ আহিব ধৰিলে।

'সৌ নিজৰাখন দেখিছনে?'দূৰৈৰ নিজৰাখনলৈ আঙুলিয়াই দেখাই মই সুধিলো।

'দেখিছো।'পৰাগে পোনতে উত্তৰ দিলে।

'ওচৰতে টিলা এটাও দেখিছো।'পৰাগে আকৌ মাত দিলে।

'সেইখিনিলৈকে আমি সাৱধানেৰে নামি যাব লাগিব।'মই ক'লো।

অলপপৰৰ পিছতে আমি টিলাটোৰ কায পালো। মনজিতহতঁক এফালৰ পৰা বুজাই ক'লো সিদিনা বোধন আৰু প্ৰকাশক ক'ত আৰু কেনেকৈ দেখিছিলো। সিহঁতে মনপুতি শুনি গ'ল। স্বপ্নাই চকু পিৰিকিয়াই মাজে মাজে অৰ্থপূৰ্ণ চাৱনিৰে মোলৈ একোবাৰ চোৱা দেখি আজি বুজিলো স্বপ্নাই মোৰ কথা বিশ্বাস কৰিছে।

টিলাটোৰ তল ওপৰ কেইবা বাৰো ঘূৰি পকি এটা সময়ত আমি ঘাঁহনি ডৰাতে বহি ল'লো। তেতিয়াই স্বপনে টিফিন কেৰিয়াৰ কেইটা খুলি ল'লে। লগে লগে আটাইকেইটা খোৱা বস্তুখিনিৰ ওপৰত জপিয়াই পৰিল। এক

পলকতে গোটেইখিনি খোৱাবস্তু নিঃশেষ হ'ল। কিন্তু মই মন কৰিলো মনজিত যেন হঠাতে আন্মনা হৈ পৰিছে।

মই মনজিতলৈ চালো।

মোৰ লগে লগে আটাইবোৰৰ দৃষ্টি মনজিতৰ ওপৰত থুপ খালে।

'কি হ'ল মনজিত?'মই সুধিলো।

মনজিত যেন মোৰ এই প্ৰশ্নটোলৈকে অপেক্ষা কৰি আছিল। সি তপৰাই সুধিলে'য'ত ৰক্তিম ৰত্নটো পোত খাই আছে সেই ঠাইটুকুৰা ক'ত আছে?'

মনজিতৰ কণ্ঠত এক প্ৰচণ্ড ৰূঢ়তাৰ সুৰ। অতনুৰ সহ্য নহ'ল। ঠিক একে সুৰতে সিও উত্তৰ দিলে'সেই নিৰ্দিষ্ট ঠাই টুকুৰা ক'ত আছে কোনেও নাজানে। আৰু নাজানিবও কিজানি।'

'সেই কাৰণে কৈছো এইবোৰত নলগাই ভাল।'

স্বপনে বেজাৰ মুখৰে ক'লে। স্বপনৰ কণ্ঠস্বৰত হতাশাৰ সুস্পষ্ট সুৰ এটা। আচলতে তাৰ ভাগত খোৱাবস্তু কমকৈ পৰিল। সেইখিনিৰে স্বপনৰ ভোক নকমিল। আনদিনাও নকমে। আজি আৰু বাঢ়িলহে।

অতনু আৰু মনজিতৰ কথা শুনি সকলো কেইটাৰ উৎসাহ মৰহি গ'ল। এই গহন অৰণ্যৰ বুকুত আমি কি কৰিম? মোৰ মনত হঠাতে বুদ্ধি এটা উপজিল। এনেকৈ বহি থাকিলে কিছুসময়ৰ পিছতে সকলো কেইটা নিৰাশাত মৰহি যাব। সিহঁতৰ মনবোৰ পাতলাবলৈ বুলি মই সিহঁতক নিজৰাখনৰ ওচৰলৈ লৈ গ'লো।

নিজৰাখনৰ পাৰতে এখন নাওঁ বান্ধি থোৱা আছিল। লগত বঠা দুপাতো থোৱা দেখা পালো। মোৰ মনত সন্দেহ আৰু কৌতূহলে বাহ ল'লে। এই অৰণ্যৰ বুকুত নাওঁখন থকাৰ কোনো কাৰণ থাকিব নোৱাৰে। কোনোবাই লৈ আনিছে নাওঁখন। কিন্তু কোনে? মই দুঃশ্চিন্তাত হয়তো অন্যমনস্ক হৈ পৰিছিলো। সেয়েহে কোন তলকত যে পৰাগে মোক নাৱলৈ টানি লৈ গ'ল মই তলকিবই নোৱাৰিলো।

'মই সাতুৰিব জানো। নাওঁ চলাবলৈকো জানো। তই চিন্তা নকৰিবি। তাতে আকৌ তোৰ এই ৰঙিলী নিজৰাখন দ নহয়।'পৰাগে মোক অভয় দিলে।

পৰাগে মোক টানি লৈ নাৱলৈ নিয়া দেখি আটাইকেইটা এককোবে নাৱত উঠিল।

পৰাগ আৰু অভিজিতে বঠা মৰাৰ লগে লগে ধীৰ গতিৰে নাওঁখন আগবাঢ়িল। নিজৰাৰ পানীৰ সোঁতত বঠা মাৰি পৰাগে বৰ নিপুনভাবে নাওঁখন আগুৱাই নিয়া দেখি মোৰ মনলৈ সকাহ আহিল।

'চিন্ময়!'

পৰাগে মতা শুনি মই তালৈ চালো।

'তোৰ সেই মেপৰ টোপোলাটো ক'ত আছে?'

'স্বপনে ওলোমাই লোৱা বেগটোৰ ভিতৰত আছে। কিন্তু মেপৰ টোপোলাটো তোক কিয় লাগে?'

পৰাগে মোৰ কথাৰ উত্তৰ নিদিলে। সি বঠা মৰাৰ তালে তালে স্বপনৰ পৰা বেগটো লৈ পুৰণি কাগজ সোপা মেলি ল'লে। সি একোবাৰ কাগজ কেইখিলা চায় আৰু পিছৰবাৰ সন্মুখলৈ চাই পঠিয়াই। পৰাগৰ কাৰ্যকলাপ দেখি আমি গোটেই কেইটাই বৰ আমোদ পালো। আনপিনে মনজিতৰ চকুৱে মুখে তেতিয়া অপাৰ বিস্ময়। সি হয়তো সেই কাগজ কেইখিলাৰ মাজত সিহঁতৰ অতীত বিচাৰিব খুজিছিল।

অতনু পৰাগৰ ওচৰতে বহিছিল। এবাৰ হঠাতে অতনুৱে পৰাগৰ নিচেই ওচৰ চাপি কাগজ এখিলা জুপি জুপি চাই আকৌ নিজৰাৰ সন্মুখলৈ চাব ধৰিলে।

'তয়ো কথাটো ধৰিব পাৰিছনে?'সুধিলে পৰাগে।

'অ।' অতনুৱে উত্তৰ দিলে।

মই এইবাৰ কিছু অধৈৰ্য্য হৈ সুধিলো'তহঁতে কি কৰিব ধৰিছ?'

'আমি এই মেপখন আৰু নিজৰাখনৰ গতিপথ মিলাই চাব ধৰিছো।'কথাষাৰ কৈ অতনুৱে মেপ এখিলা মোৰ ওচৰলৈ আহি মেলি দিলে। মই একো নক'লো। অতনুৱে নিজৰাৰ পোনে পোনে বহু দূৰলৈ এবাৰ চাই আকৌ মেপখনৰ ওপৰত চকু থ'লে। সি যেন যথেষ্ট উত্তেজিত হৈ উঠিছে। সি ঘন ঘনকৈ উশাহ লৈ

মোক ক'লে'চিন্ময়! চা! কাগজখনৰ এই নীলা ৰেখাডালৰ ভাঁজবোৰৰ লগত নিজৰাখনৰ গতি কেনেকৈ খাপ খাই পৰিছে।'কথাখিনি কৈ সি মেপখনৰ এটা অংশত আঙুলি এটা লগাই দি সুধিলে'নিজৰাখনৰ এই বাওঁহাতলৈ যোৱা ভাজঁটোৰ লগত মেপখনৰ এই ভাঁজটো মিলি যোৱা নাইনে?'

মেপখন মই জুকিয়াই চালো।

অতনুৰ কথা সচাঁ হ'বও পাৰে।

মেপখনৰ এমূৰত নীলা ৰেখাডাল এটা ত্ৰিভূজৰ দৰে অংশৰ ওচৰত বৈ যোৱাৰ চিন এটা আছে। ত্ৰিভূজটোৰ শীৰ্ষ মূৰটোৰ পৰা এডাল ৰেখা ওলাইছে। সেই ৰেখাডালৰ বৰণটো ৰঙা। ৰেখাডাল পোনে পোনে ওপৰলৈ উঠি গৈছে।

মই বিভ্ৰান্তিত পৰিলো। আমি ক'লৈ যাম এতিয়া? মেপখন অনুসৰণ কৰিম নে আমি উভতি ঘূৰি যাম এই প্ৰশ্নটোৱে মোক সচাঁকৈয়ে বিবুধিত পেলালে।

অলপ দূৰ যোৱাৰ পিছত সঁচাকৈয়ে তিনিকুনীয়া ঘূলী এটা চকুত পৰিল। পৰাগে নাওঁখন ঘূলীটোৰ শীৰ্ষমূৰ পোৱালেগৈ। সেইখিনিৰ পৰা নিজৰাখন কিছু ঠেক হৈ আকৌ অকোৱা পকোৱাকৈ উত্তৰলৈ বৈ গৈছে। সেইখিনিতে নিজৰাখন অগভীৰ। তলীখনো চকুত পৰে। পৰাগে নাওঁখন পাৰতে ৰখোৱাৰ লগে লগে আমি গোটেইকেইটা হুৰমূৰকৈ নামি পাৰত ভৰি দিলো।

কিছু আঁতৰৰ পৰা পাতল অৰণ্য এখন আৰম্ভ হৈছে। জয়াল যেন নালাগিল। গছ গছনি বোৰো চাপৰ, জোপোহা জাতীয়। দুই এডাল বেছ ওখ গছো নথকা নহয়।

আমি পোনে পোনে আগবাঢ়িলো।

অভিজিতে লগত তাৰ মাউথ অৰ্গেনটো লৈ আনিছিল। সি সেইটো বজোৱা আৰম্ভ কৰিলে। তথাপিও পৰিবেশটো থমথমীয়া। কাৰোৰে মুখত কোনো কথা নাই। মই মন কৰিলো চাপৰ গছবোৰ এতিয়া নাইকীয়া হৈছে। তাৰ ঠাইত চাৰিওফালে বিশৃংখল ভাবে ওখ ওখ গছবোৰহে চকুত পৰিছে। মাজে মাজে কাঁইটীয়া বন কিছুমানো অ'ত ত'ত দেখা পালো। প্ৰকৃতিখন যেন ইয়াত এতিয়া মুক্ত,স্বাধীন।

আমি শাৰী পাতি আগবাঢ়িলো।

শাৰীৰ সন্মুখত মই। মোৰ পিছত স্বপ্না। তাইৰ পিছত স্বপন। আৰু তাৰপিছত পৰাগ। কিছুদূৰ যোৱাৰ পিছত পৰাগ মোৰ ওচৰলৈ আহি সুধিলে'এনেকৈ আৰু কিমান দূৰ যাবি?'

'কিমান দূৰ ক'ব নোৱাৰো। কিন্তু আমি গৈয়ে থাকিব লাগিব।'

'কিন্তু কিমান দূৰলৈ?'

'যেতিয়ালৈ....'বুলি মই ৰৈ গ'লো। পিছত আকৌ সুধিলো'তহঁতে মন কৰা নাই?'

'মন কৰিবলৈনো কি আছে?'

'তহঁতে এবাৰ ভালদৰে মন কৰিলে ধৰিব পাৰিবি আমি গৈ থকা দিশটোৰ নিচেই কাষৰ গছৰ শাৰীবোৰ কিছু আছুহুৱা ধৰনৰ। দুয়ো ফালৰ গছৰ শাৰীবোৰ পোন। এটা পোন আলিবাটৰ দুয়োফালে শাৰী শাৰীকৈ গছ ৰুলে যেনেকুৱা দেখাব ঠিক তেনেকুৱা ধৰনৰ। কথাটো হয়নে নহয় তহঁতে নিজে এবাৰ চাই ল। ভালদৰে চালেই দেখিবি পিছৰ গছবোৰ বিশৃংখল। য'তে ত'তে গজি উঠিছে। মোৰ মনে কি কৈছ জান?'

সিহঁত এটায়ো মোক প্ৰশ্ন নকৰিলে। সিহঁত যেন মন্ত্ৰমুগ্ধ ।

'এই শাৰী শাৰীকৈ ৰোৱা গছবোৰৰ লানি এঠাইত শেষ হৈছে। ক'ত শেষ হৈছে অথবা কিমান দূৰত শেষ হৈছে মই নাজানো। কিন্তু এঠাইত এই গছৰ লানিটো শেষ হ'বই লাগিব। বেছি দূৰৈতো নহ'ব কিজানি।'

মোৰ কথা শেষ নহ'লেই,পৰাগে কিৰিলি পাৰি দৌৰিব ধৰিলে।

'ক'লৈ যাব তই?'

'মই আগবাঢ়ি যাওঁ। তহঁতে পিছে পিছে আহি থাক।'পৰাগে চিঞৰি কৈ আকৌ দৌৰিব ধৰিলে।

পৰাগৰ লগত তাল মিলাই অভিজিতেও দৌৰিব ধৰিলে।

তাৰ পিছে আটাইকেইটা দৌৰি আতঁৰি গ'ল।

স্বপ্না আজি গহীন। ধীৰে ধীৰে খোজ পেলাইছে স্বপ্নাই।

মই ৰৈ গ'লো। ৰৈ যাব লগাত পৰিলো।

'কি হ'ল স্বপ্না? ইমান লাহে লাহে খোজ দিলে সিহঁত বহুদূৰ গৈ পাব।'

'সিহঁতে বাৰু কি ভাবিছে? আমি সচাঁকৈয়ে বহু পিছ পৰি গ'লো।'

মই দূৰলৈ চালো। পৰাগহতঁক এতিয়া কলা বিন্দু একোটা যেন লাগিছে। অলপ পৰৰ পিছত হয়টো সেইয়াও আৰু অস্পষ্ট হৈ আহিব।

'সিহঁতে ভাবিছে ছাগে তুমি মোক লগ পাবলৈ লাহে লাহে খোজ দিছিলা কাৰণে তুমি পিছ পৰি গ'লা।'

'ইচ,নহয় দেই। মই নহয়। তুমিহে।'

মই নিমাতে ৰ'লো। কি কম ভাবিবলৈ লওঁতেই দেখিলো হঠাতে স্বপ্নাই আস বুলি চিঞৰি মাটিতে বহি পৰিল।

'কি হ'ল স্বপ্না?'মই সুধিলো।

'কাঁইটে বিন্ধিলে। তেজো ওলাইছে। ইমানযে বিষাইছে!'স্বপ্নাই সোঁভৰিখনৰ গেৰুহাটো এহাতেৰে ঢাকি লৈ প্ৰায় কান্দোন মিশ্ৰিত স্বৰেৰে ক'লে।

মই বিপাঙত পৰিলো। এবাৰ সন্মুখলৈ চালো। পৰাগহতঁ তেতিয়া দৃষ্টিৰ পৰা বহু আঁতৰত। চিঞৰি গগন ফালিলেও এতিয়া সিহঁতে মোৰ মাত নুশুনিব। মই কি কৰিব ভাবি ওৰ নাপাওঁতে দেখিলো স্বপ্নাই গাৰ কাষতে থকা বনৰীয়া জোপোহা এডৰাৰ পৰা এসোপা পাত চিঙি আনি ভৰিৰ তুলুৱাত সানি দিছে। ময়ো আৰু এসোপা পাত আনি হাতেৰে চেপি স্বপ্নাৰ ভৰিৰ গেৰুৱাত লগাই দিলো।

'তেজ ওলোৱা বন্ধ হৈছে। বিষো কমিব এতিয়া।'

'অ। বিষ কমিছে।'

কিছুসময় তেনেকৈয়ে গ'ল। অৱশেষত মই সুধিলো 'তুমি মোৰ কান্ধত ভৰ দি বহাৰ পৰা উঠি লোৱা। পাৰিবানে?'

'পাৰিম কিজানি।'

স্বপ্না উঠি ঠিয় হ'ল। দুখোজমান মোৰ কান্ধত ভৰ দি আগবঢ়াৰ পিছত মাত দিলে'এতিয়া মই নিজেই যাব পাৰিম।'

'আকৌ কাঁইটে নিবিঘ্নেতো?'

'যা...'

আমি আকৌ লাহে লাহে যাবলৈ আৰম্ভ কৰিলো। এঢলীয়া ঢালটো এতিয়া আৰু ওখ হোৱা যেন লাগিছে। এবাৰ পিছলৈ চাওঁতে তলত আমি এৰি অহা ৰঙিলী নিজৰাখন এডাল সৰু ৰেখা যেন লাগিছিল। আকৌ সন্মুখলৈ চাওঁতে কেইটামান চলমান কলাবিন্দু আমাৰ ফাললৈ আগবাঢ়ি অহা চকুত পৰিল। মই উচপিচাব ধৰিলো। দৃশ্যটো স্বপ্নাৰো চকুত পৰিল। তাই উৎকণ্ঠাৰে সুধিলে'সেইয়া বাৰু স্বপনহতঁ নহয়নে?'

মই একো নক'লো। মোৰ মনৰ উৎকণ্ঠা বঢ়িব ধৰিলে। কিছু সময়ৰ পিছত মোৰ চকুত পৰিল স্বপনহতঁ আমাৰ ফাললৈ দৌৰি নামি অহা। প্ৰথমে পৰাগ,তাৰ পিছে পিছে অতনু,একবাৰে পিছত স্বপন। কিন্তু অভিজিত আৰু মনজিতক নেদেখিলো।

'কি হ'ল পৰাগ? তহঁতযে এনেকৈ দৌৰি আহিছ! অভিজিত আৰু মনজিত ক'ত?'

'সাংঘাটিক ঘটনা ঘটিছে।'স্বপনে দূৰৈৰ পৰায়ে ফোঁপাই জোপাই ক'লে।

'কি কাণ্ড ঘটিছে নকব কিয়?'ময়ো অধৈৰ্য্য হৈছিলো।

'আমি...'স্বপনে মোৰ কাষতে ঘাঁহনিত বহি ল'লে। তাৰ ফোঁপনি তেতিয়াওঁ মাৰ যোৱা নাছিল। সি অৱশেষত কবলৈ আৰম্ভ কৰিলে'আমি গৈ গৈ এটুকুৰা মুকলি ঠাই পাইছিলো। তাৰ সিপাৰে আন এখন অৰণ্য আছিল। ভাগৰ লগা কাৰণে আমি কেইটা মুকলিতে বহি লৈছিলো। হঠাতে মনজিতে ক'লে তাক হোনো কোনোবাই মাতিছে। আমি গোটেই কেইটাই তাক সুধিছিলো কোনে মাতিছে ,ক'ৰ পৰানো মাতিছে। তেতিয়াতো আমাৰ কেইটাৰ বাহিৰে অইন কোনো নাছিল। সি কিন্তু আমাৰ কথাৰ কোনো উত্তৰ নিদিলে। হঠাতে কি হ'ল জানো সি বহাৰ পৰা উঠি সেই অৰণ্যখনলৈ বুলি দৌৰ মাৰিলে। মনজিতক ধৰিবলৈ বুলি অভিজিতেও পিছে পিছে দৌৰি গ'ল। আমাৰ চকুৰ সন্মুখতেই সিহঁত দুটা অৰণ্যৰ মাজত নাইকীয়া হৈ গ'ল।'

'তাৰপিছত?'

'আমি অলপ সময় ৰ'লো। দুয়োটাকে নামধৰি কেইবা বাৰো মাত দিলো। পিছে একো সঁহাৰি নাপালো। তাৰপিছত আমি উভতি আহিলো।'

ঠিক এনেকুৱা ধৰনৰ কাণ্ড এটা ঘটিব বুলি মই কেতিয়াওঁ কল্পনা কৰা নাছিলো। সন্মুখত বোধন আৰু প্ৰকাশক অথবা তেনেধৰনৰ অপৰাধী এটা দেখিলেও কিজানি মই ইমানখিনি বিহ্বল নহ'লোহেঁতেন।

এতিয়া মোৰ দুঃশ্চিন্তাৰ কাৰণ হ'ল অভিজিত আৰু মনজিত। সিহঁতে বাৰু সেই ৰহস্যময় অৰণ্যখনত কি বিছাৰি পাইছে!! নে চিৰদিনলৈ বুলি.....

'চিন্ময়!'অতনুৱে মাত দিলে।

মই অতনুলৈ চালো।

'এবাৰ আকৌ যাওঁ ব'ল।'

'ব'ল।'

আমি আকৌ পাহাৰলৈ উঠি গ'লো। এইবাৰ কাৰো মুখত কোনো কথা নাই। সকলো যেন এক অজান ভয়ত কাতৰ হৈ পৰিছে।

প্ৰায় পোন্ধৰ মিনিটমান খোজ কাঢ়ি উঠি যোৱাৰ পিছত আমি এটুকুৰা সমান মুকলি ঠাই পালো। সেইখিনিতে গছ গছনিও নাই। কিন্তু আমি ঠিয় হৈ থকা ঠাইখিনিৰ পৰা এশ ফুটমান আঁতৰৰ পৰা এখন অৰণ্য আৰম্ভ হৈছে।

দূৰৈৰ পৰা অৰণ্যখন চায়ে হতাশ হ'লো।

অৰণ্যখন ডাঠ। অটব্য অৰণ্য। দিনতেই তলডোখৰ অন্ধকাৰ হৈ পৰিছে।

'পৰাগ! তহঁত ইয়াতে থাক। ক'লৈকো নাযাবি। অতনু আৰু মই অভিজিতহতঁক বিছাৰি যাওঁ।'

'তাৰমানে হাবিখনৰ ভিতৰলৈ সোমাই যাবি?'পৰাগে সুধিলে।

'অ।'

মই খোজ ল'লো। মোৰ লগে লগে অতনু আগবাঢ়িল।

কোনোবাই উচুপি উঠা মোৰ কাণত পৰিল। মই জানো কোনে উচুপিছে সেইয়া। এতিয়া আবেগৰ বাবে কোনো সময় নাই। মই উভতি নাচালো। ধীৰে

ধীৰে খোজ দি আগবাঢ়ি গ'লো।

অতনুৰো মুখত কোনো মাত নাই। তাৰ মুখখন শুকাই টেমী যেন হৈছিল।

অৰণ্যৰ মাজে মাজে অ'ত ত'ত কিছু মুকলি ঠায়ো আছে । তেনে এডোখৰ মুকলি ঠাইত ৰৈ মই ক'লো'অতনু! চিঞৰছোন এবাৰ।'

অতনুৱে দীঘলকৈ উশাহ টানি চিঞৰিলে'অ..ভি..জি..ত...'

কোনো সহাঁৰি নাই।

'আকৌ এবাৰ চিঞৰ এটা মাৰ। এইবাৰ আগতকৈ আৰু বেছিকৈ জোৰ দিবি।'

অতনুৱে আকৌ চিঞৰিলে। দুমিনিটমান পিছত আকৌ এবাৰ।

তথাপিও কোনো সহাঁৰি নাহিল।

অতনুৱে সুধিলে'কি কৰিবি?'

'আৰু অলপ ভিতৰলৈ সোমাই যাব লাগিব।'মই ভাবি চিন্তি ক'লো।

'ব'ল তেন্তে।'

আমি আৰু ভিতৰলৈ সোমাই গ'লো। এটুকুৰা মুকলি ঠাই পাওঁতে অতনুৱে পুনৰ চিঞৰ মাৰিলে'অ..ভি..জি..ত...'

খন্তেকপৰ নিতাল মাৰি থকাৰ পিছত মোৰ খেয়াল হ'ল আমাৰ পোনে পোনে কিছু আঁতৰত অৰণ্যৰ মাজত যেন বেছ লৰা ঢপৰা আৰম্ভ হৈছে!

'কোনোবা এটা দৌৰি অহা যেন লাগিছে।'

'তই ঠিকেই কৈছ।'

অতনুৱে আকৌ চিঞৰিলে।

এইবাৰ চকুত পৰিল গছ এডালৰ আঁৰৰ পৰা অভিজিত দৌৰি আহি আছে। সি তীব্ৰ বেগেৰে আহি থকা দেখি আমিও তাৰ ফাললৈ দৌৰি আগবাঢ়ি গ'লো। আমি মুকলি ঠাই এটুকুৰাতে অভিজিতক লগ পালো। তাৰ চকুৱে মুখে ভয়াৰ্ত চাৱনি এটা। আমাক দেখি অভিজিতে সকাহ পালে। সি মাটিতে বহি ল'লে। সি দীঘল দীঘলকৈ উশাহ ল'ব ধৰা দেখি মই সুধিলো'অভিজিত! কি হ'ল তোৰ? তোৰ লগত মনজিতো থাকিব লাগিছিল। মনজিত ক'ত?'

আমিও অভিজিতৰ লগত মাটিতে বহি ল'লো।

'মনজিত হঠাতে দৌৰিব ধৰা দেখি পৰাগহতঁক এৰি ময়ো তাৰ পিছ লৈছিলো। মনজিতে ক'লৈকো নোচোৱাকৈ গছবোৰৰ মাজেৰে ঢপলিয়াই গৈছিল। মই তাক ৰ'বলৈ কৈছিলো। সি দৌৰি থাকিয়েই চিঞৰি মোক কৈছিল কোনোবাই তাক হেনো মাতিছে,গতিকে সি নৰ'য়। কোনে মাতিছে বুলি মই সুধিছিলো, সি কিন্তু একো উত্তৰ নিদিলে। তাৰ পিছে পিছে ময়ো দৌৰি গৈ থাকিলো।'

'তাৰপিছত?'মই সুধিলো।

অভিজিতে কিছুসময় ৰৈ আকৌ ক'বলৈ আৰম্ভ কৰিলে'আমি গৈ গৈ এই অৰণ্যৰ মাজতে এটুকুৰা ওখ ঠাই পালো। ঠাইখিনি এটা সৰু সুৰা টিলা বুলিয়েই ক'ব পাৰি। পাৰ্থক্য মাথো এটাই, শিলৰ টিলা। মনজিত সেই টিলাটোতে ৰ'ল। হঠাতে সি আন্মনা হৈ মাত লগালে কোনোবাই তাক মাতিছে। মই আচৰিত হৈ সুধিলো কোনে তাক মাতিছে। এই জনপ্ৰাণীহীন অৰণ্যৰ বুকুত কোনে মাতিব তাক? তাক যদি কোনোবাই মাতিছে তেন্তে মই শুনা পোৱা নাই কিয়?'

'সি কি বুলি ক'লে?'মই উদগ্ৰীৱ হৈ সুধিলো।

'মনজিতে মোৰ কথাৰ কোনো উত্তৰেই নিদিলে। সি টিলাটোৰ ওপৰতে ঠিয় হৈ ৰ'ল। এবাৰ মন কৰিলো সি যেন কাণপাতি কিবা শুনিব ধৰিছে। মই কিবা সুধিব লোৱাৰ আগেয়ে সি হঠাতে তললৈ নামি গ'ল। আৰু সেইয়াই তাক শেষ দেখা। সি যে হঠাতে ক'ত নাইকিয়া হৈ গ'ল মই ততকে ধৰিব নোৱাৰিলো। চাৰিওফালে বিছাৰি চাবলৈ লওঁতে অতনুৰ মাতটো শুনা পালো। মই আৰু নৰ'লো। ভিৰাই দৌৰি গুছি আহিলো।'

অভিজিত কথা শুনি আমাৰ অঠ কণ্ঠ শুকাই গ'ল। এই গভীৰ অৰণ্যৰ মাজত এনেকুৱা এটা কাণ্ড ঘটিব বুলি আমাৰ সপোনৰো অগোচৰ আছিল।

'কি কৰিবি এতিয়া?'অতনুৱে সুধিলে।

'আকৌ এবাৰ বিছাৰি চাব লাগিব। তাতে আমাৰ হাতত এতিয়া সময়ো নাই। দুপৰীয়াই হ'ল। কিজানি বাৰটা মানেই বাজিছে এতিয়া। আৰু এঘন্টামানৰ

পিছতে আমি উভতিব লাগিব।'

'চিন্ময়! তই আৰু মই আকৌ সেই টিলাটোলৈ যাওঁ।'অভিজিতে পৰামৰ্শ দিলে।

'আৰু মই?'অতনুৱে সুধিলে।

'অতনু! তই পৰাগহতঁৰ ওচৰলৈ যাগৈ। নহ'লে সিহঁতে চিন্তা কৰি থাকিব। আমি অলপ পিছতে ঘূৰি আহিম বুলি কবিগৈ।'

অতনুৱে আপত্তি কৰিছিল।

অভিজিত আৰু মই দুয়োটাই কোৱাত সি উভতি গ'ল।

সি যোৱাৰ পিছত অভিজিত ঠিয় হৈ ক'লে'ব'ল এতিয়া।'

এইবাৰ অভিজিত আগত, মই অভিজিতক অনুসৰণ কৰি গ'লো। মোৰ মনত তেতিয়া এটাই চিন্তা, কোনে মাতিলে মনজিতক? নে মোক মতাৰ দৰে সেই অশৰীৰি কণ্ঠই মনজিতকো মাতিব ধৰিলে?

শিলাময় টিলাটো পাতল অৰণ্যৰে ঢকা এখন সমতলত অকলশৰীয়াকৈ আছে। টিলাটোৰ ওপৰত কোনো গছ বিৰিখ নাই। মাথো প্ৰকাণ্ড শিলৰ টুকুৰাকেইটা চাৰিওফালে সিচঁৰিত হৈ আছে। মই আৰু অভিজিত শিলবোৰৰ ফাকে ফাকে খুপি খুপি  ওপৰলৈ উঠি গ'লো। ওপৰৰ পৰা টিলাটোৰ উত্তৰ অংশটো চকুত নপৰে,সেইখিনিতে প্ৰকাণ্ড শিল এছটা থকা কাৰণে তলডোখৰৰ এটা অংশহে চকুত পৰে। কিছু দেৰী টিলাটোৰ ওপৰতে ৰৈ থাকি আমি দুটা আকৌ তললৈ নামি আহিলো। এইবাৰ আমি টিলাটোৰ উত্তৰ অংশলৈ আগবাঢ়ি গ'লো।

ঠাইখিনি অসমান। দহ বাৰ ফুটমান বহলৰ শিলাখণ্ড কেইটামান অ'ত ত'ত সিচঁৰিত হৈ পৰি আছে। শিলবোৰৰ মাজৰ ফাঁকবোৰ অন্ধকাৰত সুৰংগৰ দৰে দেখি। মই এটা ফাঁকৰ সন্মুখত ঠিয় হৈ এইবাৰ মাত দিলো'ম..ন..জি..ত..'

দুবাৰমান মই চিঞৰাৰ পিছত অভিজিতেও মনজিতৰ নাম ধৰি চিঞৰিলে। প্ৰতিবাৰে প্ৰতিধ্বনিৰ বাহিৰে আমাৰ কাণত একো নোসোমাল।

অভিজিতৰ চকুলৈ চাওঁতে দেখিলো তাৰ ওঠখন শুকাই গৈছে। সি

সুধিলে'কি কৰিবি এতিয়া?'

'তই স্বপনহতঁক ইয়ালৈকে লৈ আহ।'

'আৰু তই?'

'মই ইয়াতে থাকিম।'

'ইয়াৰ পৰা তই ক'লৈকো নাযাবি।'

'মই নাযাওঁ। তহঁত সোনকালে আহিবি।'

'মই যাওঁ। তই কিন্তু সাৱধানে থাকিবি।'

কথাষাৰ কৈ অভিজিত আঁতৰি গ'ল।

মই এইবাৰ শিল এটাৰ ওপৰত উঠি ল'লো। মোৰ মনত বিক্ষিপ্ত চিন্তা কিছুমানে ভুমুকি মাৰিলে। এই জয়াল ঠাই টুকুৰাত অকলে থকাৰ কাৰণেই নেকি মনত ভয়ো সোমাল। যদি মনজিতক বিছাৰি নাপাওঁ কি কৰিম আমি এই দুঃশ্চিন্তাই মোৰ মনটো কঁপাই তুলিলে।

মই হয়তো আন্মনা হৈ পৰিছিলো।

তেনেতেই হঠাতে মায়াবী কণ্ঠস্বৰ এটা মোৰ কাণত পৰিল'চিন্ময় ভাইটী...'

মই চক্ খাই উঠিলো। দ্বিতীয়বাৰ সেই একেই কণ্ঠস্বৰ শুনা পাওঁতে মোৰ কৌতূহল উপজিল। এই গহন অৰণ্যৰ বুকুত কোনো মোক ইমান আপোন স্বৰেৰে মাতিছে? এইকেইদিন ঘৰত যেনেদৰে মতা শুনিছিলো ঠিক একেই সুৰতে এতিয়াও মাতটো শুনা পালো। পাৰ্থক্য মাথো এটাই,সেইটো হ'ল আজিৰ মাতটো যেন আগতকৈ আৰু বেছি স্পষ্ট। তদুপৰি আজি যেন সেই অশৰীৰি কণ্ঠস্বৰে মোক নিচেই কাষৰ পৰায়ে মাতিছে!

কিছুসময়ৰ পিছত আকৌ সেই অশৰীৰি কণ্ঠস্বৰ মোৰ কাণত পৰিল'চিন্ময় ভাইটী!'

মই উচপ খালো। এইবাৰ মোৰ ভাব হ'ল সেই অশৰীৰি মাতটো শিলৰ ফাঁকবোৰৰ মাজেৰেই ভাঁহি আহিছে।

মই বহাৰ পৰা উঠি দুখোজমান দিওঁতেই অভিজিতহতঁ আহি ওলাল। গোটেই কেইটা ভাগৰত ফোঁপাইছিল। অভিজিতে আহিয়েই ক'লে'মই ক'বলৈহে

পালো,সকলো কেইটা দৌৰিব ধৰিলে। আমি ভবাতকৈ সোনকালেই পালো। কিন্তু এতিয়া কি কৰিবি? সময়ো এতিয়া হাতত নাই।'

'মই এতিয়া এই শিলবোৰৰ ফাঁকেৰে সোমাই যাওঁ।'মই ক'লো।

সিহঁত আটাইকেইটা উচপ খালে। সিহঁত ভয়ত পেপুৱা লাগিল। মোক বাধা দিবলৈকে সিহঁতৰ হাতত এতিয়া কোনো শক্তি নাই।

একো নোকোৱাকৈ মই আঁতৰি আহিলো।

শিলবোৰৰ ফাঁকেৰে সোমোৱাৰ আগেয়ে কোনোবাই উচুপি উঠা কাণত পৰিল। কিন্তু চিন্তা কৰিবলৈ মোৰ কোনো অৱকাশ নাই। মই জানো এইটোৱে মনজিতক বিছাৰি পোৱাৰ অন্তিম উপায়।

ভিতৰখন ঘোপমৰা অন্ধকাৰ। এহাত দূৰৈৰ বস্তুও মনিব নোৱাৰি। শিলৰ বেৰবোৰত খেপিয়াই খেপিয়াই আগবাঢ়োতে ভাব হ'ল মই যেন এটা অন্তহীন সুৰংগৰে অগ্ৰসৰ হৈছো। সুৰংগটোও যেন এঢলীয়া হৈ তললৈ নামি গৈছে!

ক্ৰমশঃ মোৰ উশাহবোৰ ছুটী হৈ আহিল। আৰু দুখোজ দিওঁতে মনত খেলালে মোৰ যেন উশাহ নিশাহ বন্ধ হোৱাৰ উপক্ৰম ঘটিছে। ওঠ দুখনো শুকাই আহিব খুজিছে।

এবাৰ সমস্ত শক্তিৰে চিঞৰিলো'ম..ন..জি..ত..'

মোৰ মাতটোহে প্ৰতিধ্বনি হৈ মোৰ কাণত পৰিল।

আকৌ দুবাৰমান চিঞৰিলো,কিন্তু কোনো লাভ নহ'ল।

কিছুসময় ঠাইতে ৰৈ থাকি অৱশেষত উভতি আহিলো।

মুকলিলৈ ওলাই আহোতে দেখিলো অভিজিতহতঁ একেলগে এঠাইতে থুপ খাই বহি আছে। স্বপ্নাই তেতিয়াওঁ কান্দিয়েই আছিল। মোক দেখিয়েই কন্দা বন্ধ কৰিলে স্বপ্নাই। কিন্তু হঠাতে তাই জয় পৰি গ'ল। হয়তো অনুমান কৰিলে আমাৰ দুয়োটাৰে সৰ্ম্পকতো সকলোৰে বুজি পাইছে ।

ময়ো ওচৰতে বহি ল'লো।

মই নিৰুত্তৰ হৈ থকা দেখি সিহঁতেও বুজি পালে মনজিতৰ কোনো শুংসুত্ৰ পোৱা নাই বুলি। ভাগৰ ,ভোক পিয়াহ আৰু ভয়মিশ্ৰিত অনুভূতি এটাই আমাৰ

পলকতে গ্ৰাস কৰি পেলালে।

বেলিটো এতিয়া কিছু হেলনীয়া হৈ পশ্চিম ফালে অৱস্থান লৈছে। হয়তো দুটামান বাজিছে এতিয়া। তাৰমানে মনজিত নিৰুদ্দেশ হোৱা প্ৰায় এঘন্টামানেই হ'ল কিজানি।

কিন্তু সি ক'লৈ যাব? টিলাটোৰ এই অংশ সমতল। কিছুদূৰৈৰ পৰা আকৌ অৰণ্য আৰম্ভ হৈছে। সেই অৰণ্য ভেদি মনজিত যোৱাৰ কোনো সম্ভৱনা নাই। আনহাতেদি শিলৰ ফাঁকবোৰৰ মাজতো এজন জীয়া মানুহ সোমাই থকাটো সম্ভৱ নহয়। তেনেস্থলত..

'চিন্ময়...!!'

হঠাতে পৰাগৰ চিঞৰটোৱে মোক উচপ খুৱাই পেলালে। মই পৰাগলৈ চাওঁতে সি টিলাটোলৈ আঙুলিয়াই দেখালে। সেইফালে চকু পোনাওঁতে মই বিস্ময়ত হতবাক হ'লো। দেখিলো মনজিত শিলবোৰৰ ফাঁক এটাৰে ঢলং পলংকৈ ওলাই আহিছে। তাক দেখিয়েই অতনুহতেঁ আনন্দতে কিৰিলিয়াই দিলে।

মনজিত ঘাঁহনি ডৰাতে বহিল।

সি ফোঁপাইছিল।

সকলোৰে মুখত সপ্ৰশ্ন দৃষ্টি। মনজিত কিছুসময়ৰ পিছত সুস্থিৰ হ'ল।

'মই তোমাক বিছাৰি ফাঁক এটাৰে ভিতৰলৈ গৈছিলো। কিন্তু বেছি সময়লৈ থাকিব নোৱাৰি উভতি আহিলো।'মই মাত দিলো।

'তুমি মোৰ নামধৰি মাতিছিলা কিজানি।'মনজিতে ক'লে।

'অ। কেইবাৰো মাতিছিলো।'

'সেইবোৰ বাদ দিয়া। এতিয়া তোমাৰ কাহিনীটো কোৱা।'স্বপ্নাই ক'লে।

মঁয়ো ক'লো'কোৱাছোন মনজিত! তুমিনো কিয় সেই শিলৰ ফাঁকেৰে ভিতৰলৈ সোমাই গ'লা? তোমাৰ ভয় লগা নাছিলনে?'

'মই ঠাই টুকুৰাৰ সন্ধান পালো।'মনজিতে কওঁ নকওঁ কৈ অৱশেষত ক'লে।

'ক'ত পালা? কেনেকৈ পালা?'পৰাগে উত্তেজনাত চিঞৰি সুধিলে।

'শুনা!'মনজিতে লাহে লাহে ক'বলৈ আৰম্ভ কৰিলে'প্ৰথমে মোক নামধৰি

কোনোবাই মতা শুনি ওচৰত কাকো নেদেখি আচৰিত হৈছিলো। দুবাৰমান মোক মাতি থকা শুনি এবাৰ হঠাতে মোৰ ভাব হ'ল সেই অৰণ্যৰ পৰা কোনোবাই যেন মোক তেওঁৰ কাষলৈ আকুল ভাবে মাতিব ধৰিছে! তাৰপিছত কিয় মই দৌৰিব ধৰিলো মই নাজানো। ক'লৈ দৌৰিছো তাকো মই নাজানো। এই টিলাটোৰ ওচৰ পাওঁতেহে মোৰ ভাব হ'ল টিলাটোৰ শিলৰ ফাঁকবোৰৰ ভিতৰৰ পৰা যেন কোনোবাই মোক আতুৰ হৈ মাতিব ধৰিছে। মই আগ পিছ নুশুনি ভিতৰলৈ সোমাই গ'লো। প্ৰথমে উশাহ নিশাহ ল'বলৈ কষ্ট হৈছিল। কিন্তু কিছুদুৰ যোৱাৰ পিছত আহল বহল ঠাই এটুকুৰা পালো। আহল বহল মানে সাত আঠ ফুটমান বহলৰ কোঠা এটাৰ নিচিনা ,মই সেই ঠাই টুকুৰাটোত ৰওঁতেও মোক কোনোবাই ৰিঙিয়াই মতা শুনিছিলো । মই সেই ঠাই টুকুৰাৰ বেৰ বোৰত খেপিয়াই চাওঁতে আকৌ এটা সুৰংগ পালো। সুৰংগটো ঠেক। অন্ধকাৰ। তথাপিও মনত সাহস গোটাইলৈ মই সেই সুৰংগটোৰে আগবাঢ়ি গ'লো। তেতিয়াও মাজে মাজে শুনা পাইছিলো কোনোবাই মোক নামধৰি মাতি থকা। সেই কণ্ঠস্বৰৰ উৎসৰ সন্ধানতেই মই যেন আগুৱাই গৈছিলো।'মনজিতে কথাখিনি কৈ অলপসময় ৰ'ল।

আমি কোনো এজনেই তাক প্ৰশ্ন সুধি আমনি নকৰিলো। আমিও তাৰ কথাশুনি সন্মোহিত,বাকৰুদ্ধ।

মনজিতে আকৌ ক'বলৈ আৰম্ভ কৰিলে'লাহে লাহে মন কৰিলো সুৰংগৰ অন্ধকাৰখিনি যেন পাতল হৈ আহিছে। তেনেকৈ কিমান দূৰ গৈছিলো নাজানো। হঠাতে আঁতৰত পোহৰৰ ৰেঙনি অকনমান দেখি মই সেইফালে দৌৰি গৈছিলো। ক'ৰবাৰ ফাঁকেৰে সূৰ্য্যৰ কিৰণ আহি পৰিছেহি। তলডোখৰ চাওঁতে দেখিলো মজিয়াখন প্ৰশস্ত,সমতল। আমাৰ ব আখৰটোৰ তিনিটা কোণৰ দৰে সেই ঠাইডোখৰৰ পৰা তিনিটা সুৰংগ ওলাই গৈছে। সেই ঠাই টুকুৰা যথেষ্ট আহল বহল। ত্ৰিশ খোজমান হ'ব লাগে। মোৰ মনে কৈছে এই ঠাই টুকৰাতে....'

মনজিতৰ কথা শেষ নহ'লেই,অভিজিতে মাত দিলে'তাৰমানে পূবৰ পৰা দহখোজ আঁতৰত আৰু পশ্চিমৰ পৰা তেৰ খোজ আঁতৰৰ নিৰ্দিষ্ট ঠাইটুকুৰা

খান্দিলেই...'

'হুৰে...'এইবাৰ অতনুৱে কিৰিলিয়াই দিলে।

স্বপ্নাই মাজতে মাত লগালে'আমিও যাওঁ ব'লা।'

অভিজিতে অলপপৰ তলকা মাৰি ৰৈ অৱশেষত সুধি পেলালে'এইবাৰ আকৌ নাকান্দাতো?'

'কিয় কান্দিম?'স্বপ্নাই ফেঁপেৰি পাতি ধৰিলে।

'এইবাৰ অৱশ্যে তুমি কন্দা কটা কৰাৰ দৰকাৰো নহ'ব।'

'কিয়?'স্বপ্নাই সুধিলে।

মই অনুমান কৰি ল'ব পাৰিছিলো অভিজিতৰ উত্তৰটো কি হ'ব পাৰে।

'এইবাৰযে চিন্ময় অকলে নাযায়।'অভিজিতে গহীনাই মন্তব্য দিলে।

স্বপ্না লাজতে ৰঙা চিঙা পৰি গ'ল।

তাই তলমূৰ কৰি মাথো ক'লে'যা!'

অতনুৱে এইবাৰ আকৌ কিৰিলিয়াই দিলে। লগে লগে সকলো কেইটা বহাৰ পৰা উঠি ঠিয় হ'ল। হঠাতে কিয় জানো হেৰাই যোৱা মনৰ উৎসাহ উদ্দীপনা পুনৰ ঘুৰি আহিল। অতনু আৰু পৰাগে নাচিবলৈ ধৰিলে।

'এতিয়া কোন কোন যাব?'মনজিতে সুধিলে।

'আমি সকলো কেইটা যাম।'অতনুৱে কথাষাৰ কৈ মোলৈ চালে।

'অ। ব'ল এতিয়া,নহ'লে দেৰী হ'ব।'

আমি ভিতৰলৈ যাবলৈ উপক্ৰম কৰিলো। তেনেতেই.....

(৭)

তেনেতেই আমাক এজাক মানুহে চাৰিওফালৰ পৰা আগুৰি ধৰিলে।

সাতজন মানুহ।

কিছুমান চিনাকী,অইনবোৰ অচিনাকী।

বোধন,প্ৰকাশ,সোমন গগৈ,গোঁফাল কলা টকলা মানুহজন আৰু কেইজনমান সঅস্ত্ৰ লোক। তেওঁলোকৰ মাজত মোৰ চিনাকী মানুহ এজনো আছিল। মই এতিয়াহে বুজিলো সেই নিশা সোমন গগৈৰ ঘৰত এজন মানুহৰ

কণ্ঠস্বৰ কিয় মোৰ চিনাকী যেন লাগিছিল।

সেইদিনা সেই কণ্ঠস্বৰৰ গৰাকীক চিনি নাপালো। আৰু এতিয়া চিনি পায়ো কোনো লাভ নহ'ব। আমি এতিয়া বন্দী। আমাৰ চাৰিওফালে সাতজন মানুহ।

বোধন আৰু প্ৰকাশে মোক দেখি খন্তেকলৈ জথৰ হৈ পৰিছিল। পিছ মূহুৰ্ততে সিহঁতে নিজকে স্বাভাৱিক কৰি ল'লে।

সোমন গগৈ মানুহজন নিশকতীয়া। তথাপিও তেওঁৰ মুখৰ অভিব্যক্তিত এটা আভিজাত্যৰ ছাপ। তেওঁ মনজিত দেখিয়েই উচপ খাই উঠিছিল। প্ৰথমবাৰ দেখাৰ পিছৰ পৰা তেওঁ মনজিত দুনাই আৰু চাব পৰা নাছিল। তলমূৰকৈয়ে থাকিল তেওঁ। হয়তো তেওঁ মনজিতৰ আগত মুখ দেখাবলৈ লাজ কৰিলে।

কিন্তু মোৰ চিনাকী মানুহজন নীৰৱে থকা নাছিল। তেওঁৰ ওঠত ক্ৰুৰ হাঁহি এটা। তেওঁ আমাক বিদ্ৰুপেৰে ক'লে'ল'ৰাহতঁ! তোমালোকে নলগা জেঙত লাগি ফুৰিছা কিয়? ইয়াৰ পৰা তোমালোকৰ লাভেই বা হ'ব কি? তাতকৈ তোমালোকে আমাক মেপখন দি যোৱাগৈ।'

'আমি নাযাওঁ,মেপখনো নিদিওঁ।'মনজিতে চিঞৰি ক'লে।

মানুহজনৰ ওঠৰ ক্ৰুৰ হাঁহি নোহোৱা হ'ল।

এইবাৰ কৰ্কশ স্বৰেৰে ক'লে'ভাইটী! ইমানকৈ চিঞৰি একো লাভ নাই। আমাৰ ৰিভলভাৰৰ গুলীয়ে তোমালোকৰ চিঞৰ বন্ধ কৰিবলৈ অলপো সময় নল'ব। এই জনপ্ৰাণীহীন অটব্য অৰণ্যৰ বুকুত তোমালোকৰ কি হ'ল কোনেও গম নাপাব।'

মানুহজনে সেইখিনিলৈকে কৈয়ে ৰৈ দিলে।

মই ভাবি চালো।

এৰা,তেওঁ ঠিকেই কৈছে। মেপখন আমি দিয়াতোৱেই আটাইৰে বাবে মংগলজনক হ'ব। এতিয়া মেপখন দিয়াৰ বাহিৰে আমাৰ হাতত অইন কোনো উপায়ো নাই। আমি নিদিলেও তেওঁলোকে আমাৰ হাতৰ পৰা পুৰণি কাকতৰ টোপোলাটো অনায়েসে কাঢ়ি লৈ যাব পাৰিব। কিন্তু কাকতৰ টোপোলাটো পালেই আমাক তেওঁলোকে মুক্তি দিব জানো?

প্ৰশ্নটোৱে মোক ভীষণ অস্বস্তিত পেলালে।

এতিয়া হৰেনেই আমাৰ অগতিৰ গতি। তাৰ বাহিৰে এই পৃথিৱীৰ কোনেও নাজানে আমি এতিয়া ক'ত আৰু কিয় আছো। হৰেনৰ বাহিৰে কোনেও এতিয়া আমাৰ উদ্ধাৰকৰ্তা হ'ব নোৱাৰে। কিন্তু হৰেনৰো এটা সীমা আছে। ঠিকসময়তে সঠিক সিদ্ধান্তটো ল'ব পাৰিব জানো হৰেনে?

মই জানো হৰেন আজি চৰম উত্তেজনাৰে সময় পাৰ কৰিব। সময় আগবঢ়াৰ লগে লগে হৰেনৰ উৎকণ্ঠাও বাঢ়ি গৈ চৰম সীমা পাবগৈ। ঠিক সময়তে সি আচল কথাটো দেউতাক ক'ব লাগিব। কিন্তু ক'ব জানো সি? নে হৰেনে নিজেই অকলে ইয়ালৈকে অহাৰ সীদ্ধান্তটো ল'ব! অৱশ্যে হৰেনে যদিহে সকলো কথা দেউতাক কয় তেতিয়াহ'লে দেউতাহতঁ সদলবলে ইয়ালৈ অহাৰ সম্ভৱনা এটা নথকা নহয়।

এতিয়া সেইকণ সম্ভৱনা ক্ৰমশঃ নাইকীয়া হৈ অহা যেন লাগিল।

আমি ঘাঁহনিডৰাতে বহি ৰ'লো।

মানুহজনে আমাৰ পৰা কাকতৰ টোপোলাটো মই ভবামতেই কাঢ়ি লৈছিল। সেইটো হাতত পায়েই তেওঁ অট্টহাস্য কৰিব ধৰিলে। টোপালাটো দেখি বোধন আৰু প্ৰকাশেও ঢেকঢেকাই হাঁহিব ধৰিলে। মাত্ৰ সোমন গগৈ ব্যতিক্ৰম। তেওঁ তেতিয়াওঁ গহীন ভাবেৰে ঠিয় হৈ ৰ'ল,যেন তেওঁ নিৰূপায়,অসহায়।

'এতিয়া কি কৰিব গগৈ?'

'ল'ৰাবোৰৰ জোতাৰ ছাপ সেই শিলৰ ফাঁক বোৰলৈ গৈছে। তদুপৰি মেপখনৰ এই ঘূৰণীয়া ছিনটো এই টিলাতোৰ লগত মিলি গৈছে যেন লাগিছে।'কথাযাৰ বোধনে ক'লে। সি মেপ এখন বৰ মনপুতি চাই কথাষাৰ ক'লে।

'বোধনে ঠিকেই কৈছে যেন লাগিছে। আমিও শিলৰ ফাঁকেৰে ভিতৰলৈ সোমাই যাওঁ। কিন্তু এওঁলোকক কি কৰা যায় এতিয়া?'

'মোৰ মানুহকেইজন আছেই,সিহঁতে আমি উভতি নহালৈকে পহৰা দি থাকিব।'

'তাৰপিছত?'

'পিছত কি হয় দেখা যাব।'

আমাৰ চকুৰ আগতে চাৰিজন শিলৰ ফাঁকেৰে ভিতৰলৈ সোমাই গ'ল।

আমি ঠাইতে বহি ৰ'লো। আমাৰ কণ্ঠ তেতিয়া শুকাই গৈছে। কাৰো মুখত কোনো কথা নাই। কথা পাতিবলৈ মনো নাই। আমাক বেঢ়ি ধৰি থকা মানুহ কেইজনে আমাক কথা পাতিবলৈ সুবিধাও দিয়া নাই।

মোৰ মনটো ভিতৰি ভিতৰি গুজৰি গুমৰি ৰ'ল। মই অশান্তিত ছটফটাবলৈ ধৰিলো। মোৰ সমস্ত অশান্তিৰ মূলতে সেই মানুহজন যিজনক মই ইমানদিনে নিচিনিলো। তেওঁৰ নামেই ধৰনী হাজৰীকা। তেওঁৰ আগতে মই হৰেনৰ পৰামৰ্শ অনুযায়ী প্ৰথম ঘটনাটো খুলি কৈছিলো। থানাৰ অচি এজনৰো অন্তৰত যে ইমান লোভ লুকাই থাকিব পাৰে মই তেতিয়া সপোনতো ভাবিব পৰা নাছিলো।

দেউতাই তেওঁৰ আচল স্বৰূপটো চিনি পাইছিল। নহ'লে মাৰ আগত তেনেকৈয়ে নক'লেহেঁতেন। এজন উকীল হিচাপে দেউতাই হয়তো বুজিছিল ধৰনী হাজৰীকা পেচাত এজন আৰক্ষী বিষয়া যদিও প্ৰকৃততে এজন দাগী অপৰাধী। মই জানো এতিয়া সেইবোৰ ভাবি গুনি একো লাভ নাই।

সঠিক সময়ত হৰেনে দেউতাক সকলো কথা ক'লেহে কিবা ভাল হোৱাৰ সম্ভৱনা আছে।

ক্ৰমশঃ বেলিটো লহিয়াই এসময়ত মাৰ গ'ল। গধূলিৰ পাতল আন্ধাৰজাকে আমাক আবৰি ধৰিলে। কিছুসময়ৰ পিছত আন্ধাৰজাকো ঘন হৈ আহিল।

সময় যেন নাযায়,নপুৱায়।

'এই চিন্ময়!'

স্বপ্না মোৰ কাষতে বহি আছিল। প্ৰথম অৱস্থাত তাই আকৌ কান্দিছিল যদিও পিছলৈ তাই সুস্থিৰ হৈছিল। ইমানপৰে তাই এষাৰি কথাও কোৱা নাছিল। সেয়েহে স্বপ্নাই ফুচফুচাই মতা শুনি ময়ো অনুচ্চ কণ্ঠেৰে সঁহাৰি দিলো'কি হ'ল?'

স্বপ্নাই মুখখন মোৰ কাণৰ কাষলৈ আনি ক'লে'পিছলৈ এবাৰ ছোৱাচোন।'

'কিয়?'মই অবাক হ'লো।

'সেইখিনিতে টৰ্চৰ পোহৰ দেখিছো। হ'বও পাৰে,নহবও পাৰে। এবাৰ তুমি চোৱাচোন।'স্বপ্নাই অনুচ্চ কণ্ঠেৰে ক'লে।

মই পিছ ফাললৈ চালো।

কেইটামান পোহৰৰ বিন্দু অৰণ্যৰ বুকুত জিলিকিছে।

'হয়নে?'স্বপ্নাই আগ্ৰহেৰে সুধিলে।

'হয় কিজানি।'

'কোন হ'ব পাৰে?'

'ক'ব নোৱাৰো। আৰু ওচৰ চাপিলেহে গম পাম।'

'যদি এইফালে নাহি অন্যফালে যায় তেতিয়া কি কৰিবা?'

স্বপ্নাৰ প্ৰশ্নৰ মই উত্তৰ দিব নোৱাৰিলো। এতিয়া কিছু সময়ৰ বাবে অপেক্ষা কৰাৰ বহিৰে অইন কোনো উপায় নাই। এটা সম্ভৱনাও নথকা নহয়। আমাক বেঢ়ি ধৰি থকা মানুহ কেইজনৰ হাতত টৰ্চ জ্বলি আছে। জ্বলি থকা টৰ্চৰ পোহৰ বহু দূৰৈৰ পৰা দেখা পোৱা যাব।

কিছুসময় নীৰৱে ৰ'লো। আমাক বেঢ়ি ধৰি থকা মানুহ কেইটালৈ চালো। সিহঁতৰ চকু তেতিয়া টিলাটোৰ তলৰ শিলবোৰৰ ফাঁকবোৰতে বৈ আছে।

টৰ্চৰ পোহৰৰ বিন্দুবোৰ ক্ৰমশঃ ওচৰ চাপি আহিছে। এটা সময়ত হাবি বন কঁপাই তুলিলে কণ্ঠস্বৰ এটাই। সেইয়া দেউতাৰ কণ্ঠস্বৰ।

'চিন্ময়!! ক'ত আছ?'

মই লগে লগে চিঞৰি সঁহাৰি দিলো।

লগে লগে কোনোবাই মোৰ মূৰত কিহবাৰে টঙনিয়াই দিলে। তাৰপিছত আৰু মোৰ মনত নাই। মোৰ চকুৰ পটা জাপ খাই আহিল। মোক ভাব হ'ল মই যেন এক গভীৰ নিদ্ৰাৰ জালত সোমাই যাব ধৰিলো।

যেতিয়া মই চকু মেলিলো মই তেতিয়া এটা আচহুৱা কোঠাৰ বিছনাত। চাৰিওফালে চাওঁতে গম পালো মই এতিয়া হস্পিতালৰ কোঠাৰ বিছনাত শুই আছো। মূৰত মোৰ প্ৰকাণ্ড বেণ্ডেজ এটা। মোৰ বিছনাৰ চাৰিওফালে মা,দেউতা,স্বপন,স্বপ্নাকে ধৰি গোটেই কেইটা। লগত প্ৰত্যেকৰে মাক দেউতাক।

মই জ্ঞান পোৱাৰ পিছত অৱশ্যে এজন এজনকৈ সকলো কেইজন কোঠাটোৰ পৰা ওলাই গ'ল।

অভিজিতে ওলাই যাওঁতে চকুৰে এটা দুষ্ট ইংগিত দি গ'ল।

স্বপ্না নগ'ল। অজুহাত এটা দেখুৱাই তাই বৈ গ'ল।

কোঠাটোত এতিয়া আমি দুজন। স্বপ্না আৰু মই।

'বাৰু বীৰপুৰুষ! কেনেকুৱা লাগিছে?'স্বপ্নাই সুধিলে। তাইৰ কণ্ঠত আকৌ উপলুঙাৰ সুৰ এটা থকা যেন ভাব হ'ল।

মই হাঁহিলো।

'তুমিতো দেখিছাই এতিয়া মই সুস্থ। তোমাৰো খবৰ ভালেই কিজানি। কিন্তু...'

স্বপ্নাই মোৰ কথাৰ মাজতে ক'বলৈ ধৰিলে'মই গম পাইছো তুমি কি জানিব খুজিছা।'

'কোৱা তেতিয়া হ'লে মই কি জানিব খুজিছো।'

'তোমাক বোধনহতঁৰ মানুহটোৱে মূৰতে লাঠি এডালেৰে মাৰি দিয়াৰ লগে লগে তুমি অজ্ঞান হৈ পৰিলা। আমাৰ মাজত তেতিয়া হুৱা দোৱা লাগি গ'ল। ঠিক সময়তে দেউতাহতঁ আহি ওলাল। হৰেনেই সকলোকে বাট দেখুৱাই আনিছিল। লগত আছিল এসোপা পুলিচ। তেওঁলোকে সকলোকে গ্ৰেপ্তাৰ কৰিলে। আনকি সোমন গগৈহতঁকো।'

'কিন্তু....'

'তুমি এতিয়া ৰক্তিম ৰত্নটোৰ কথা জানিব বিচাৰিছা,হয়নে?'

মই মূৰ দপিয়ালো।

'কওঁ শুনা।'স্বপ্নাই ক'লে'দেউতাহতঁৰ লগত ডিচি আৰু এছ. পিও গৈছিল। তেওঁলোকেই ৰক্তিম ৰত্নটো সোমন গগৈহতঁৰ হাতত পৰা উদ্ধাৰ কৰিলে। এতিয়া ৰত্নটো অসম চৰকাৰক দি দিব হেনো। আৰু কি জানানে? ৰক্তিম ৰত্নটোৰ মূল্য কেইবা কৌটি হ'ব। কিমান কৌটি হ'ব কোনেও নাজানে। ইয়াৰ পিছত আৰু কি খবৰ লাগিব?'

'এতিয়া তোমাৰ খবৰ কোৱা।'মই ক'লো।

স্বপ্নাই তাইৰ খবৰ নক'লে। নীৰৱে মোলৈ চাই ৰ'ল। তাইৰ দুচকুৰ চাৱনিতে লুকাই আছিল তাইৰ খবৰ।

মই স্বপ্নাৰ চকুলৈ চাই ৰ'লো।

স্বপ্নাৰ চকুহাল বৈ পৰা,ধুনীয়া।

আকৰ্ষনীয়।

হয়তো ৰক্তিম ৰত্নটোৰ দৰে।